


OKDISCD

# সোঁৱৰণ



# সোঁৱৰণ

২২ এপ্ৰিল, ১৯৯৮

(কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াদেৱৰ দ্বিতীয় মৃত্যু দিৱস)

সম্পাদনা সমিতি
পংকজ বৰা, সভাপতি
গকুল গোস্বামী, সদস্য
পৰেশ নেওগ, সদস্য

OKDISCD



राष्ट्रपति सचिवालय
राष्ट्रपति भवन
नई दिल्ली - 110004

*President's Secretariat*
*Rashtrapati Bhavan*
*New Delhi-110004*

No.F.2-M/98 23rd March, 1998

Observance of the second death anniversary of Late Hiteswar Saikia, the former Chief Minister of Assam, is a very solemn occasion.

The President of India, Shri K.R. Narayanan pays his homage to the departed leader and extends good wishes to the Hiteswar Saikia Foundation, Guwahati for the success of the function being organised to commemorate the event.

(S.N. Sahu)
Officer on Special Duty

OKDSCD

S. NARENDRA
INFORMATION ADVISOR TO PM

सत्यमेव जयते

प्रधान मंत्री कार्यालय
नई दिल्ली 110 011
PRIME MINISTER'S OFFICE
NEW DELHI 110 011

## MESSAGE

Prime Minister is happy to learn that the Hiteswar Saikia Foundation is organising the 2nd Death Anniversary of former Chief Minister of Assam Late Hiteswar Saikia on 22nd April, 1998 and bringing out a souvenir on this occasion.

The Prime Minister sends his best wishes on this occasion.

(S. Narendra)

New Delhi

April 2, 1998

OKDISCD

GOVERNOR
MIZORAM



RAJ BHAVAN
AIZAWL-796001

## *MESSAGE*

*I am glad to know that "Hiteswar Saikia Foundation" of Guwahati will be observing the Second Death Anniversary of late Shri Hiteswar Saikia, the former Chief Minister of Assam on 22nd April, 1998 and to commemorate the solemn occasion the Foundation is bringing out a Souvenir.*

*It is heartening to note that the "Foundation", established after the demise of Shri Saikia, is engaging itself in social services for the benefit of the people of the State, a cause for which Shri Saikia strove hard throughout his public life and had earned for himself the love and respect of the people of this region.*

*I convey my best wishes to the members of the Foundation for success in its endeavour.*

***( Dr A P Mukherjee )***
***Governor of Mizoram***

*Dated Aizawl the 24th March 1998*

OKDSCD

GOVERNOR
ASSAM



RAJ BHAVAN
GUWAHATI

March 19, 1998

## MESSAGE

I send my greetings and good wishes to Hiteswar Saikia Foundation on the occasion of its second anniversary. This Foundation has been engaged in social work and is doing commendable work. I wish it every success.

(Lt Gen (Retd) S K Sinha, PVSM)

OKDISCD

अरुणाचल राज्यपाल
सत्यमेव जयते
GOVERNOR ARUNACHAL
and
Chairman, NEC



राज भवन
इटानगर-७९१११
RAJ BHAVAN
ITANAGAR - 791111

March 25, 1998

## MESSAGE

It is heartening to know that the 2nd Death Anniversary of Late Hiteswar Saikia, the former Chief Minister of Assam will be observed at Guwahati on 22nd April'98 and a Souvenir is being published by the Hiteswar Saikia Foundation to commemorate the occasion.

I recall his association as a Member of the North Eastern Council, wherein he reflected deep concern for the people of Assam in particular and North Eastern Region in general, in the 38th meeting held at Guwahati on 17th October,1994. He was honoured with the Rajiv Gandhi Sadbhavana Award posthumously for his contributions towards National Integration. I am glad that the Hiteswar Saikia Foundation has been established and engaged in social welfare activities in the State.

I pay my respectful homage to Shri Hiteswar Saikia on his 2nd Death Anniversary and wish the function and publication of the Souvenir all success.

( Mata Prasad )

OKDISCD

सत्यमेव जयते

GOVERNOR OF NAGALAND



RAJ BHAVAN
KOHIMA

## MESSAGE

I am happy to learn that Hiteswar Saikia Foundation would be bringing out a Souvenir to commemorate the 2nd Death Anniversary of the former Chief Minister of Assam, Late Hiteswar Saikia.

Late Saikia, during his distinguished tenure as the Chief Minister of Assam contributed to the development of the State. He showed great concern for the well being and stability in the State and took positive initiatives in that direction. Posterity would remember him for his service to the great people of Assam and the country.

I commend the organisers of the Foundation for their efforts at making the life and achievements known to the people, particularly the young generation and wish them well.

**Om Prakash Sharma**

OKDISCD

सत्यमेव जयते
GOVERNOR OF MANIPUR

RAJ BHAVAN
IMPHAL

# MESSAGE

I am happy to know that the Hiteswar Saikia Foundation under its Chairperson Dr. Hemoprova Saikia, is organising a function at Guwahati on April 22 synchronising with the 2nd Death Anniversary of former Chief Minister of Assam, late Shri Hiteswar Saikia.

I had a chance to know Shri Hiteswar Saikia closely. I was associated with him in a couple of initiatives which were aimed at restoration of peace to the strifetorn State of Assam, particularly between 1985 and 1993. I would remember him as a person with a vision for his people, an undying Nationalist who always had the interest of India at his heart; a very capable administrator and a man of great details. Whenever I touch Guwahati and I do this fairly regularly in my flights to Delhi and back, I am always reminded of him and I always try to visualise what good he would have done to the State, both in terms of improvement in the law and order and economic development of the people if he lived a little longer. Even the Guwahati Airport itself is a testimony of what he could achieve during his short innings at the helm of affairs in the State.

It is heartening to know that an attempt is being made to keep his memory alive, with the Hiteswar Saikia Foundation as the vehicle for fulfilling his unrealised dreams. I wish the Foundation all success. I also wish that the celebrations will become a catalyst for restoration of peace to the strife-torn State and for the fulfilment of his dream of economic development of his peolpe.

2498

**(O.N. Shrivastava)**

OKDISCD



GOVERNOR OF TRIPURA

RAJ BHAVAN
AGARTALA - 799 006

March 28, 1998.

**MESSAGE**

The observance of the 2nd Death Anniversary of the former Chief Minister of Assam, Late Hiteswar Saikia by the Hiteswar Saikia Foundation, Guwahati on 22nd April, 1998 is a befitting tribute to this outstanding leader. I am told that a Souvenir is also being brought out to mark this occasion. This will facilitate wide dissemination of the life and works of Shri Hiteswar Saikia.

Late Shri Hiteswar Saikia, former Chief Minister, Assam and the Governor of Mizoram, was an illustrious son of Mother India. Althrough his life he fought for the cause of the down-trodden and particularly of the people of Assam. Displaying a high level of administrative decisiveness and skill Late Shri Saikia, in his capacity as the Chief Minister of the State, was able to restore peace and ethnic harmony and thus put Assam back to the rail of development.

I hope that the work of the Hiteswar Saikia Foundation will foster among the people the spirit to emulate the cherished ideals and goals, specially love for peace and communal harmony, of late Shri Saikia to ensure that Assam becomes one of our most peaceful and prosperous State of the Country.

I wish the organisers and the members of Hiteswar Saikia Foundation, Guwahati for the successful observance of the 2nd Death Anniversary.

**( Siddheshwar Prasad )**



RAJ BHAVAN,
GANGTOK-737103
( SIKKIM )

सिक्किम राज्यपाल
**GOVERNOR OF SIKKIM**

Dated 24th March., 1998

## MESSAGE

I am delighted to learn that Hiteswar Saikia foundation is organising second Death anniversary of Shri Hiteswar Saikia, former Chief Minister of Assam on 22nd April, 1998. To commemorate the occasion, a Souvenir is also being brought out.

Shri Hiteswar Saikia was one of our national leaders, a perfect gentleman and a dynamic Chief Minister. He had a brief stint as Governor of Mizoram as well. Known for his administrative acumen and deft handling of acute situations, he acquired a special stature in the hearts of our Countrymen. His services to the people of Assam and to the Country at large will be long remembered.

I wish the organisers success in their endeavours in the service of the people of the State and the motherland.

Randhir Singh

**(CHAUDHARY RANDHIR SINGH)**

OKDISCD

# HITESWAR SAIKIA

## ..................... An unforgettable chapter.

★ Hiteswar Saikia!

★ The name itself has become an unforgettable chapter in the history of Assam.

★ During the post-Independence period, there has been the rise and fall or entry and exit of many a political personality in Assam; but the recollection of Hiteswar Saikia's memory does not refer to the very existence of a single individual. Instead, the entire sensitive chapter of Assam's modern history has inextricably been interwoven with the colourful life, rare personality and noble existence of a person like Saikia.

★ In their attempt to write the history of the Assam movement against foreign nationals during the eighties followed by the rise of regionalism, the historians will have to mention a name again and over again - and that is the name of Hiteswar Saikia.

★ The year 1979. Declaring the movement against foreigners as the last battle of Saraighat to save the Assamese identity, the advocates of regionalism threw down their gauntlet against the Indian national outlook. They started blowing trumpet against the great Indian sentiment. The seeds of killing and hatred got germinated during the movement itself. Known hitherto as the sacred land of peace and amity, Assam's landscape was dececrated by endless bloodshed. Many a promising youth having got misled had to give up life during the movement. The non-Assamese, minorities, tribals and others became the target of the continued cruel attack from the advocates of the extreme regionalism. Those who had opposed the movement were branded as traitors, enemy of the people and Badan-the Ahom leader who had betrayed the cause of the people. The anti-movement people were even socially boycotted and an organised, inhuman attempt was made to eliminate them in the process.

★ Having joined Assam's active politics in 1972 as the youngest Home Minister, Hiteswar Saikia was able to establish himself as an efficient administrator with the leadership quality of foresight and fearlessness. At the initial stage of the movement, Saikia could foresee the attempt to destroy the society. He could realise at that time how the leaders of the movement wanted to enhance their individual political career under the cover of their concern for the future of the Assamese people. Being elected by the original Assamese voters of Nazira constituency, Hiteswar Saikia had full faith in evolution and development of the Assamese people along with the thousand-year-old culture, values & the system of the great country. Hence he stood against the leaders of the extreme regionalism with his

full confidence and without any fear. At that critical juncture, he fought boldly to honour the great Indian sentiment. At this, camp-followers of the extreme regionalism challenged him with .anger and fear. Having influenced a sizeable section of the intellectuals and media persons, they were able to project Hiteswar Saikia as a traitor, anti-people, Badan and the leader of the anti-Assamese circle. In a planned and organised way, an atmosphere of hatred and anger against Hiteswar Saikia was created in the minds of the people. But undeterrred Hiteswar Saikia remained unmoved like a rock in his stand braving all odds.

★ 19 April 1980. The armed youths of extreme regionalism hurled powerful bomb at the car of Hiteswar Saikia at a place near his Nazira residence. The killer youth however himself fell victim of the blast. In a split of moment, Saikia could escape death. But the determination of the extremists to kill Saikia went on getting stronger with the passage of time. On 19 November, 1983, an attempt to kill him by a pistol - holding youth at Guwahati was foiled. The assailant was arrested on the spot by the police and Saikia once again escaped unhurt.

★ 15 August 1985. The Assam Accord was signed with the leaders of the Assam movement at the initiative of the then Prime Minister Rajiv Gandhi. Chief Minister Hiteswar Saikia accepted the preconditions of the Accord and accordingly advised dissolution of the Assembly and holding of fresh elections. In that election, the movement leaders were able to form a regional party Government in Assam with the unprecedented support of the Assamese voters, as the new party could reflect the hopes and aspirations of the people. Hiteswar Saikia made a temporary exit from the political scenario and joined as Mizoram Governor. Even then, the harassment and killing of innumerable congress workers in Assam remained unabetted. Taking advantage of the inaction of the then regional party Government, the extremists had openly established training camps at Lakhipather, Charaipung and other places of Assam. The militants went on in their killing spree with sophisticated weapons. In order to take revenge on Hiteswar Saikia, the militants started making attempts on the lives of the members of his family. They killed Kunti Konwar, elder sister of Dr Hemoprava Saikia, wife of Hiteswar Saikia, along with her daughter Ruplekha konwar. Pradip Saikia and Keshab Saikia, both nephews of Hiteswar Saikia were brutally killed by the militants. Even Rohiteswar Saikia, beloved brother of Hiteswar Saikia, fell to the militants' bullets. What was their crime? They were all relatives of Hiteswar Saikia. Similarly, the supporters of Hiteswar Saikia were killed in cold blood. This was done by the militants with a view to demoralising Hiteswar Saikia. But never had Saikia got scared and stopped. After coming back to dangerously disturbed Assam which was devastated by the death-dance of the militants, Hiteswar Saikia made his public announcement : "Militancy is a dreaded snake. We must destroy it." The militancy was in its full form during the days of 1989-90. Hundreds of Congress workers were killed

during those days. The families were shattered after having lost their near and dear. A situation was created as if the Congress would be totally finished in Assam. Even the industrialists, traders and common citizens became the victims of the militants' wrath. In such a dangerously disturbed situation, Hiteswar Saikia was able to reorganise and rejuvenate the Congress in 1991 and under his leadership, the Congress again captured power in Assam. He succeeded in bringing the situation back to normalcy as also creating an atmosphere of peace among different sections of the people. The militants who were moving freely during the days of the previous AGP regime, were forced to shift their camps to the neighbouring countries. A sizeable section of the militants had opted for surrendering to the authorities. Saikia kept his words and succeeded towards bringing the majority of the militants back to the mainstream of the Assamese society. Even then, he did not express any sign of taking revenge against anyone of his once enemies who surrendered.

★ Hiteswar Saikia had never entered into Assam's politics by giving false promise of creating a "Golden Assam" or riding the crest of emotion of a movement. He had entered Assam Assembly by dint of his social works and developmental activities in Nazira area. Having first elected as an MLA, he became the Home Minister of the Sarat Chandra Sinha Ministry. That was the stamp of his work and efficiency.

★ Hiteswar Saikia was an obidient and sincere worker of the Indian National Congress. During the time of 1983 election in Assam which was replete with bloodshed, Saikia was not the leader of the Assam Pradesh Congress. He was then one of the many Congress candidates. He could not even dream of becoming the Chief Minister after the elections. But abiding the wish of the then Prime Minister Indira Gandhi as also the advice of the senior party leaders, Hiteswar Saikia had to accept the responsibility of the Chief Minister in an extremely abnormal situation. Within a span of two years, Saikia was able to control the situation by alienating the movement leaders from the people thereby almost finishing the movement with his sharp political acumen. So the movement leaders became frustrated and as such they shifted their attention from the "drive away foreigners" to the "drive away Hiteswar" programme. The leaders of the movement had suffered from the same fear-psychosis as Kangsa did the eighth son of Doibaki. Hence they all the time went on saying that their main enemy was Hiteswar Saikia. On 15 Aug. 1985, the Assam Accord was signed at the initiative of the then Prime Minister Rajiv Gandhi. In response to the wish of the party High command as also the Prime Minister Rajiv Gandhi, Hiteswar Saikia decided to dissolve the Assembly and face fresh elections. He had exhibited his masterly efficiency as the Governor of Mizoram. During his tenure as the Governor, a permanent solution to the prolonged insurgency problem of Mizoram was found out. He then came back to Assam and became the APCC chief following the advice of the AICC President



OKDISCD

Rajiv Gandhi.

★ A section of the intellectuals and media persons went on criticising Hiteswar Saikia during his political career. But eventually the truth prevailed. Even after his death, the number of Saikia wellwishers went on increasing. Many have repented now. They have realised now that :

whatever Hiteswar Saikia said - was correct.

Whatever Hiteswar Saikia did - was correct.

★ Such realisation has shaken the minds of the people of Assam. During his second tenure, intellectuals of extreme regionalism and other political leaders had opposed the Chief Minister Hiteswar Saikia at every step. But always cool-headed, cooperative, kind, honest, big-hearted and fearless Saikia ignored all such oppositions and dedicated himswlf to relentlessly working, despite illhealth, for the people till his death. He went on with his development schemes like Rs 2 a Kg rice, mid-day meal for students for the benefit of the poor, educated and uneducated people who still remember him with love, affection and gratitude.

★ 22 April 1996. Hiteswar Saikia breathed his last at the All India Insititute of Medical Science, New Delhi. There was an unprecedented pall of sorrow throughout Assam as lakhs of people came out on the road to pay their last respect to the departed soul when the body was taken from Guwahati to Nazira for the last rite. Nazira had in fact turned into a sea of human beings. Many poor people started crying abnormally when they saw the body bedecked with flowers. Hiteswar Saikia will remain forever as the unchallenged leader in the world of Assam's politics. The people of Assam had welcomed the leaders of extreme regionalism with unbound hope; but today they donot feel proud of their leaders who have betrayed them. But the people of Assam bade goodbye to Hiteswar Saikia from this mortal world with sincere gratefulness and love. The current of that gratefulness, repentence and realisation has still been flowing in silence through the pulse of the people. Obviously, Hiteswar Saikia has become an unforgettable chapter in the history of Assam.

***- EDITORIAL BOARD***

★ ★ ★ ★ ★

## শইকীয়া অতুলনীয়

মই অনেক মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সংস্পৰ্শলৈ আহিছো। যেনে - বিধান চন্দ্ৰ ৰায়, প্ৰফুল্ল সেন, চন্দ্ৰভানু গুপ্ত, সুচেতা কৃপালনী, হৰেকৃষ্ণ মহতাব, বিজু পট্টনায়ক, নিজলিঙ্গাপ্পা আদি। তেওঁলোক নিজ নিজ ক্ষেত্ৰত আছিল ব্যক্তি হিচাপে মহান। কিন্তু নানা দিশৰ পৰা বিবেচনা কৰি চালে মোৰ মনেৰে মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া অতুলনীয়।

**ডঃ প্ৰতাপ চন্দ্ৰ চন্দ**

প্ৰাক্তন কেন্দ্ৰীয় শিক্ষামন্ত্ৰী



হাতত কংগ্ৰেছ পতাকা লৈ

# দুলীয়াজানৰ অভিযন্তাক হত্যা

শইকীয়াই ডিব্রুগড়

ক খিলৰ্টাৰ, ২৩ জানুৱাৰী : আহি ...তিপুৱা দুলীয়াজানত সন্দেহযুক্ত ...লফাৰ সদস্যই অইল ইণ্ডিয়া লিমিটেডৰ অভিযন্তা প্ৰদীপ শইকীয়াক তেওঁৰ চৰকাৰী ...সভৱনত গুলীয়াই হত্যা কৰে। মৃত ...ইকীয়া অসম প্ৰদেশ কংগ্ৰেছ(ই)ৰ ...ভাপতি হিতেশ্বৰ শইকীয়াৰ ভতিজা ...আছিল।

আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, ...তিপুৱা আঠমান বজাত শইকীয়াই ...ৰ্যালয়লৈ বুলি বাসভৱনৰ পৰা ওলাই ...হাৰ সময়তে দুজন ...দুকধাৰীয়ে হিৰো হোণ্ডা ... ঠ আহি নিচেই ওচৰৰ ... কৰে। ...

...ৰুগড়ত কংগ্ৰেছ নেতা ... যোৱা ২০ জানুৱাৰীৰ সন্ধিয়া ...লা কংগ্ৰেছ(ই) সমিতিৰ ...ম্পাদকৰ এজন ফাইজ আহ... টেঙাখাতৰ তেওঁৰ বাসভৱনৰ ... কোনো অচিন বন্দুকধাৰীয়ে গুলীয়াই কৰে। আহমেদ সেই সময়ত খো... বজাৰৰ পৰা উভতি আহিছিল।

আততায়ী দুজন অসমৰ ... মৰ্চাৰ (আলফা) লোক। আততায়ী দুজনক কৰায়ও ... বাবে জোৰ ... চলোৱা ...

...লক্ষীপথাৰৰ মুখ্যদণ্ড ... বিতাকিংহৰ মৃতদেহবোৰ

...নহাতে হত্যাকাণ্ডৰ পিছতেই ... গোস্বামীৰ পুত্ৰ ... ...মীৰে গুৱাহাটীৰ পৰা প্ৰকাশিত ...

...প্ৰাক্তন সমাজকৰ্মী গোলাপ ...

# সেই ভয়ংকৰ দিনবোৰ

গুৱা... শইকীয়... ১৯৮৪ ... আনহাতে ... বায়েক ক...

# গুলিচালনাত কংগ্ৰেছ(ই) নেতা নিহত

গুৱাহাটী, ২ মাৰ্চ : আজি দুপৰীয়া উত্তৰ লক্ষীমপুৰত সন্দেহযুক্ত আলফা উগ্ৰপন্থীয়ে লক্ষীমপুৰ জিলা কংগ্ৰেছ(ই) কমিটীৰ সভাপতি আৰু প্ৰাক্তন বিধায়ক লেখন লহনক গুলীয়াই হত্যা ক...

ইটানগৰৰ পৰা পোৱা বাতৰি অনুসৰি ... প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই প্ৰাক্তন বিধায়ক আৰু কংগ্ৰেছ(ই) নেতা লেখন লাহনৰ মৃত্যুত শোকপ্ৰকাশ কৰি কোনো অপৰাধ ... কাৰণ লোহোৱাকৈয়ে অসমত ... নিৰ্মম ...

ষ্টাফ ৰিপৰ্টাৰ, ৪ ডিচেম্বৰ : সংযুক্ত মুক্তি বাহিনী, ...ৰ প্ৰধান ঘাটি লক্ষীপথাৰৰ কামত আজি ... কামও পোন্ধৰটা উৰুলি যোৱা ...। শেহতীয়া চৰকা...



● উৎসৱানন্দ গোস্বামী



● মানবেন্দ্ৰ শৰ্মা



● গুলীবিদ্ধ ৰোহিতেশ্বৰ শইকীয়া

# হিতেশ্বৰ শইকীয়া

## ............ এক অবিস্মৰণীয় অধ্যায়

● হিতেশ্বৰ শইকীয়া।

● এই নামটোৱেই হৈ পৰিল অসমৰ ইতিহাসৰ এক অবিস্মৰণীয় অধ্যায়।

● স্বাধীনোত্তৰ অসম প্ৰদেশত আন বহু ৰাজনৈতিক ব্যক্তিত্বৰ উত্থান-পতন অথবা প্ৰৱেশ-প্ৰস্থানৰ ঘটনা ঘটিছে। কিন্তু হিতেশ্বৰ শইকীয়াৰ স্মৃতি ৰোমন্থনে কেৱল এজন ব্যক্তিৰ সত্বাকেই আজি নুবুজায়। শইকীয়াৰ দৰে এক বিচিত্ৰ জীৱন, বিৰল ব্যক্তিত্ব আৰু মহান সত্বাৰ লগত একাকাৰ হৈ আছে আধুনিক অসমৰ এক স্পৰ্শকাতৰ ইতিহাস।

● অসমৰ বুৰঞ্জীবিদসকলে আশীৰ দশকৰ অসমৰ 'বিদেশী বহিস্কাৰ' আন্দোলন তথা পৰৱৰ্তীকালৰ আঞ্চলিকতাবাদৰ উত্থানৰ ইতিহাস লিপিবদ্ধ কৰিবলৈ হ'লে বাৰে বাৰে যিটো নাম উল্লেখ কৰিব লাগিব সেই নামটোৱেই হ'ল — হিতেশ্বৰ শইকীয়া।

● ১৯৭৯ চন। অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ শেষ শৰাইঘাট বুলি অভিহিত কৰি আঞ্চলিকতাবাদীসকলে 'বিদেশী বহিস্কাৰ'ৰ শ্লোগানৰ অজুহাত লৈ সৰ্বভাৰতীয় ধ্যান-ধ্যাৰণাৰ বিৰুদ্ধে ৰণশিঙা বজালে। অসম আন্দোলনৰ গৰ্ভতেই হত্যা-হিংসাৰ বীজ অংকুৰিত হ'ল। শান্তি-সমন্বয়ৰ পবিত্ৰ অসমভুমি কেঁচা তেজেৰে কলংকিত হ'ল। বহু সম্ভাৱনাময় প্ৰতিভাসম্পন্ন যুৱক-যুৱতীয়ে ভুলপথে পৰিচালিত হৈ প্ৰাণ দিলে। অনা-অসমীয়া, সংখ্যালঘু, জনজাতিকে ধৰি সমাজৰ বিভিন্ন অংশৰ লোকৰ ওপৰত উগ্ৰ জাতীয়তাবাদীসকলৰ আক্ৰমণ চলিল। আন্দোলনৰ বিৰোধিতা কৰাসকলক 'জাতিদ্ৰোহী, গণশত্ৰু, বদন' বিশেষণেৰে সামাজিকভাৱে বৰ্জন কৰা হ'ল। উগ্ৰ আঞ্চলিকতাবাদীসকলে তাতেই ক্ষান্ত নাথাকি আন্দোলন বিৰোধীসকলক নৃশংসভাৱে হত্যাৰ অভিযান চলালে।

● ১৯৭২ চনতেই কনিষ্ঠতম গৃহমন্ত্ৰীৰূপে অসমৰ ৰাজ্যিক ৰাজনীতিত আত্মপ্ৰকাশ কৰি সুদক্ষ প্ৰশাসকৰূপে প্ৰতিষ্ঠা লাভ কৰা হিতেশ্বৰ শইকীয়া আছিল দূৰদৰ্শী আৰু নিৰ্ভীক নেতা। তথাকথিত 'জাতীয় অস্তিত্ব ৰক্ষা'ৰ সংগ্ৰামৰ পাতনিতেই শইকীয়াই দেখা পাইছিল জাতি ধ্বংসৰ পূৰ্বাভাস। জাতি প্ৰেমৰ গইনা লৈ তদানীন্তন আন্দোলনৰ নেতাসকলে 'ব্যক্তিগত ৰাজনৈতিক কেৰিয়াৰ' গঢ়াৰ প্ৰস্তুতিৰ বিষয়ে তেখেতে তেতিয়াই উমান পাইছিল। নাজিৰাৰ খাটি অসমীয়াৰ দ্বাৰা নিৰ্বাচিত অসমপ্ৰেমী হিতেশ্বৰ শইকীয়াই হাজাৰ বছৰৰ সংস্কৃতিৰে সমৃদ্ধ সৰ্বভাৰতীয় ধ্যান-ধাৰণাৰ মাজতেই অসমবাসীৰ বিকাশ সম্ভৱ বুলি পতিয়ন গৈছিল। সেয়েহে উগ্ৰ আঞ্চলিকতাবাদী আন্দোলনকাৰীসকলৰ বিৰুদ্ধে সাহসেৰে বুকু ফিন্দাই থিয় দিলে হিতেশ্বৰ শইকীয়াই। ক্ৰোধ আৰু আতংকত গৰজি উঠিল আঞ্চলিকতাবাদী শিবিৰ। বুদ্ধিজীৱী আৰু সংবাদ মাধ্যমৰ বুজন অংশক প্ৰভাৱিত কৰি আঞ্চলিকতাবাদীসকলে প্ৰচাৰ কৰিলে হিতেশ্বৰ শইকীয়া দেশদ্ৰোহী, জাতিদ্ৰোহী, বদন আৰু অসম বিৰোধী চক্ৰৰ নায়ক। সমগ্ৰ অসমৰ জনসাধাৰণৰ মাজত হিতেশ্বৰ শইকীয়াৰ বিৰুদ্ধে পৰিকল্পিতভাৱে ক্ৰোধ আৰু ঘৃণাৰ বতাহ বোৱাই দিয়া হ'ল। কিন্তু সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰি স্থিতপ্ৰজ্ঞ নেতা হিতেশ্বৰ শইকীয়াই সিংহ বিক্ৰমেৰে সোঁতৰ বিপৰীতে থিয় দিলে।

● ১৯৮০ চনৰ ১৯ এপ্ৰিল। নাজিৰাৰ বাসগৃহৰ পৰা কিছু দূৰৈত হিতেশ্বৰ শইকীয়াৰ গাড়ীলৈ উগ্ৰ জাতীয়তাবাদী সশস্ত্ৰ যুৱকে বোমা নিক্ষেপ কৰিলে। হত্যাকাৰী যুৱকজনে নিজেই বোমা বিস্ফোৰণত প্ৰাণ হেৰুৱালে। মাত্ৰ এটা মুহূৰ্তৰ ব্যৱধানত জীৱন ৰক্ষা পৰিল শইকীয়াৰ। উগ্ৰ আঞ্চলিকতাবাদীসকলৰ জেদ দিনক দিনে বাঢ়ি গ'ল। ১৯৮৩ চনৰ ১৯ নৱেম্বৰ। গুৱাহাটীত জাতীয়তাবাদী বিদ্ৰোহীয়ে পিষ্টলেৰে হত্যাৰ প্ৰচেষ্টা চলালে। এইবাৰো অদৃষ্টৰ আশীৰ্বাদত শইকীয়াৰ জীৱন ৰক্ষা পৰিল। আততায়ীক পুলিচে ঘটনাস্থলীতে গ্ৰেপ্তাৰ কৰিলে।

● ১৯৮৫ চনৰ ১৫ আগষ্ট। তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উদ্যোগত অসমৰ আন্দোলনকাৰীসকলৰ সৈতে শান্তিৰ স্বাৰ্থত 'অসম চুক্তি' স্বাক্ষৰিত হ'ল। মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই চুক্তিৰ পূৰ্বচৰ্ত মানি লৈ বিধান সভা ভংগৰ পৰামৰ্শ দি নিৰ্বাচনৰ ব্যৱস্থা

OKDISCD

কৰিলে। সেই নিৰ্বাচনত আন্দোলনকাৰীসকলে ৰাইজৰ অভূতপূৰ্ব আশীৰ্বাদ, আবেগ আৰু আকাংক্ষাক লৈ অসমত আঞ্চলিক দলৰ চৰকাৰ গঠন কৰিলে। হিতেশ্বৰ শইকীয়াই মিজোৰামৰ ৰাজ্যপালৰ পদ গ্ৰহণ কৰি সাময়িকভাৱে অসমৰ ৰাজ্যিক ৰাজনীতিৰ পৰা আঁতৰি গ'ল। কিন্তু তথাপিও অসমৰ শ শ কংগ্ৰেছ কৰ্মীৰ ওপৰত উগ্ৰ আঞ্চলিকতাবাদীসকলৰ নিপীড়ণ আৰু হত্যালীলা বন্ধ নহ'ল। তদানীন্তন আঞ্চলিক দলৰ চৰকাৰৰ নিস্ক্ৰিয়তাৰ সুযোগ লৈ লক্ষীপথাৰ, চৰাই পুঙকে ধৰি অসমৰ বিভিন্ন ঠাইত উগ্ৰপন্থীসকলে মুক্তভাৱে প্ৰশিক্ষণ শিবিৰ পাতিলে। তেওঁলোকে অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে হত্যা যজ্ঞ চলাই গ'ল। হিতেশ্বৰ শইকীয়াৰ ওপৰত পোতক তুলিবলৈ গৈ জাতীয়তাবাদী বিদ্ৰোহীসকলে তেখেতৰ পৰিয়ালৰ সদস্যৰ ওপৰতো আক্ৰমণ চলালে। হিতেশ্বৰ শইকীয়াৰ পত্নী ডঃ হেমপ্ৰভা শইকীয়াৰ এগৰাকী বায়েক কুন্তী কোঁৱৰ। কুন্তী কোঁৱৰ আৰু তেখেতৰ জীয়েক ৰূপলেখা কোঁৱৰক একেলগে হত্যা কৰা হ'ল। হিতেশ্বৰ শইকীয়াৰ দুই ভতিজাক প্ৰদীপ শইকীয়া আৰু কেশৱ শইকীয়াকো হত্যা কৰা হ'ল। হত্যাকাৰী বিদ্ৰোহী উগ্ৰপন্থীৰ বন্দুকৰ গুলীত প্ৰাণ দিলে হিতেশ্বৰ শইকীয়াৰ মৰমৰ সহোদৰ ভাই ৰোহিতেশ্বৰ শইকীয়াই। তেওঁলোকৰ অপৰাধ? তেওঁলোক জাতিদ্ৰোহী হিতেশ্বৰ শইকীয়াৰ আত্মীয়। একেদৰেই হত্যা কৰা হ'ল শইকীয়াৰ সমৰ্থকসকলকো। হিতেশ্বৰ শইকীয়াৰ দৃঢ় মনোবল ভাঙি দিবৰ বাবেই তেখেতৰ পৰম শত্ৰু আঞ্চলিকতাবাদীসকলে এনে নিকৃষ্ট প্ৰচেষ্টা চলালে। কিন্তু হিতেশ্বৰ শইকীয়া কোনোদিনেই শংকিত হৈ থমকি নৰ'ল। সন্ত্ৰাসবাদীয়ে চলোৱা হত্যাযজ্ঞৰ ধোঁৱাই আৱৰি ধৰা বিভীষিকাময় অসমলৈ হিতেশ্বৰ শইকীয়াই পুনৰ উভতি আহি ঘোষণা কৰিলে – "সন্ত্ৰাসবাদ এক বিষাক্ত সাপ। ইয়াক আমি নিঃশেষ কৰিব লাগিব।" ১৯৮৯-৯০ চনৰ দিনবোৰত সন্ত্ৰাসে চূড়ান্ত পৰ্যায় পালেগৈ। শ শ কংগ্ৰেছ কৰ্মীৰ কেৱল শ্মশান যাত্ৰাই কৰ্মসূচী হৈ পৰিল। ঘৰে ঘৰে কান্দোনৰ ৰোল উঠিল। অসমত কংগ্ৰেছ দল নিশ্চিহ্ন হোৱাৰ উপক্ৰম হ'ল। উদ্যোগপতি, ব্যৱসায়ীৰ পৰা সাধাৰণ নাগৰিক পৰ্যন্ত সন্ত্ৰাসবাদৰ বলি হ'ল। এনে এক ভয়ংকৰ বিপৰ্যয়ৰ মুহূৰ্তত ১৯৯১ চনত হিতেশ্বৰ শইকীয়াই অসমত কংগ্ৰেছ দলক সঞ্জীৱিত কৰিলে। হিতেশ্বৰ শইকীয়াৰ নেতৃত্বাধীন অসমৰ কংগ্ৰেছ দলে পুনৰ ক্ষমতা দখল কৰিলে। ৰাজ্যখনৰ জনসাধাৰণৰ মাজলৈ পুনৰ শান্তিৰ বাতাৱৰণ ঘূৰাই আনিলে মুখ্যমন্ত্ৰী শইকীয়াই। পূৰ্ববৰ্তী অগপ চৰকাৰৰ দিনত অসমৰ বুকুত মুক্ত বিচৰণ কৰি থকা উগ্ৰপন্থীসকলে তেওঁলোকৰ শিবিৰ বিদেশলৈ স্থানান্তৰিত কৰিবলৈ বাধ্য হ'ল। এক বুজন সংখ্যক উগ্ৰপন্থী যুৱকে আত্মসমৰ্পণ কৰিলে। শইকীয়াই কথা দিলে কথা ৰাখে। প্ৰতিশ্ৰুতি অনুসৰি তেখেতে আত্মসমৰ্পণকাৰীসকলক সমাজৰ মূল সুঁতিলৈ আদৰি আনিলে অতিশয় স্নেহেৰে। একালৰ পৰম শত্ৰুৰ প্ৰতি তেখেতে কণমানো প্ৰতিশোধৰ মনোভাৱ পোষণ নকৰিলে।

● হিতেশ্বৰ শইকীয়াই 'সোণৰ অসম' গঢ়াৰ মিছা প্ৰতিশ্ৰুতি দি বা আন্দোলনৰ আবেগ সৃষ্টি কৰি অসমৰ ৰাজনীতিত প্ৰৱেশ কৰা নাছিল। বৰং নাজিৰা অঞ্চলৰ উন্নয়নমূলক কাম-কাজ আৰু সমাজ সেৱাৰ জৰিয়তেই তেখেতে অসম বিধান সভাত প্ৰৱেশ কৰিছিল। বিধায়ক হৈয়েই তেখেতে শৰৎ চন্দ্ৰ সিংহ মন্ত্ৰীসভাৰ গৃহমন্ত্ৰী পদ লাভ কৰিছিল। সেয়া আছিল তেখেতৰ কৰ্ম আৰু দক্ষতাৰ স্বীকৃতি।

● হিতেশ্বৰ শইকীয়া আছিল ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ একান্ত অনুগত নিষ্ঠাবান সেৱক। ১৯৮৩ চনত অসমত অনুষ্ঠিত হোৱা ৰক্তাক্ত নিৰ্বাচনৰ সময়ত প্ৰদেশ কংগ্ৰেছৰ নেতৃত্ব তেখেতৰ হাতত নাছিল। তেতিয়া তেখেত আছিল বহু কংগ্ৰেছ প্ৰাৰ্থীৰ মাজৰে এজন। সেই নিৰ্বাচনৰ পিছতে মুখ্যমন্ত্ৰী হ'ব লাগিব বুলি শইকীয়াই কল্পনাও কৰা নাছিল। কিন্তু তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ আগ্ৰহ আৰু দলৰ শীৰ্ষ নেতৃত্বৰ নিৰ্দেশ অনুসৰি এক ভয়ংকৰ অগ্নিময় পৰিস্থিতিত হিতেশ্বৰ শইকীয়াই অসমৰ মুখ্যমন্ত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰিলে। মাত্ৰ দুটা বছৰৰ ভিতৰতে সেই হিংসাৰ জুই নুমুৱাই শইকীয়াই অসমৰ আন্দোলনকাৰীসকলক ৰাজনৈতিক বুদ্ধিমত্তাৰে ক্ৰমাৎ একাষৰীয়া কৰি আন্দোলনটো প্ৰায় শেষ কৰি পেলাইছিল। সেয়েহে অসম আন্দোলনৰ নেতৃবৃন্দই আতংকিত হৈ 'বিদেশী খেদা'ৰ পৰিৱৰ্তে 'হিতেশ্বৰক খেদা'ৰ লক্ষ্যকহে প্ৰধান গুৰুত্ব দিলে। দৈৱকীৰ অষ্টম সন্তানৰ প্ৰতি কংসৰ যি ধৰণৰ ভয় আছিল, হিতেশ্বৰ শইকীয়াৰ প্ৰতিও একেই ভীতি-গ্ৰস্ততাত ভুগিছিল আন্দোলনৰ নেতাসকলে। সেয়েহে অহৰহ তেওঁলোকৰ মুখেৰে নিৰ্গত হৈছিল – তেওঁলোকৰ পৰমবৈৰী হিতেশ্বৰ শইকীয়াৰ নাম। ১৯৮৫ চনৰ ১৫ আগষ্ট। মাননীয় প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উদ্যোগত 'অসম চুক্তি' স্বাক্ষৰিত হ'ল। কংগ্ৰেছ দলৰ হাইকমাণ্ড তথা ৰাজীৱ গান্ধীৰ ইচ্ছাৰ প্ৰতি সন্মান জনাই দলৰ নিষ্ঠাবান সেৱকৰূপে হিতেশ্বৰ শইকীয়াই অসম বিধান সভা ভংগ কৰি দি নিৰ্বাচন পাতিবলৈ সিদ্ধান্ত ল'লে। মিজোৰামৰ ৰাজ্যপাল হিচাপেও তেখেতে চমকপ্ৰদ দক্ষতা প্ৰদৰ্শন কৰিলে। দীৰ্ঘদিনীয়া মিজো বিদ্ৰোহীৰ সমস্যাৰো সমাধান সম্ভৱ হ'ল। ইয়াৰ পিছত পুনৰবাৰ কংগ্ৰেছ সভাপতি ৰাজীৱ গান্ধীৰ নিৰ্দেশৰ প্ৰতি সন্মান জনাই হিতেশ্বৰ



OKDISCD

শইকীয়াই অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰূপে অসমলৈ পুনৰ ঘূৰি আহিছিল।

● একাংশ বুদ্ধিজীৱী আৰু একাংশ সংবাদ মাধ্যমে হিতেশ্বৰ শইকীয়াক আজীৱন তিৰস্কাৰেই কৰিলে। কিন্তু কালক্ৰমত সত্য প্ৰতিষ্ঠা হ'ল। মৃত্যুৰ পিছতো আজি শইকীয়াৰ গুণগ্ৰাহী দিনকদিনে বাঢ়িব লাগিছে। হিতেশ্বৰ শইকীয়াক লৈ এতিয়া অনেকজনে অনুতাপ কৰিছে।

হিতেশ্বৰ শইকীয়াই যি কৈছিল — ঠিকেই কৈছিল।

হিতেশ্বৰ শইকীয়াই যি কৰিছিল -- ঠিকেই কৰিছিল।

● এই উপলব্ধিয়ে অসমৰ জনসাধাৰণৰ মন আজিও কঁপাই তুলিছে। দ্বিতীয়বাৰৰ শাসন কালতো আঞ্চলিকতাবাদী বুদ্ধিজীৱী আৰু ৰাজনৈতিক নেতাসকলে মুখ্যমন্ত্ৰী শইকীয়াক প্ৰতি ক্ষেত্ৰতে পদে পদে বাধা দিলে। কিন্তু সহনশীল, বিনয়ী, উদাৰ আৰু অবিচলিত শইকীয়াই সেইবোৰলৈ কেৰেপ নকৰি ৰুগীয়া দেহাৰে মৃত্যু পৰ্যন্ত অবিৰাম কাম কৰি গ'ল। দুটকীয়া চাউল, ছাত্ৰ-ছাত্ৰীক দুপৰীয়াৰ আহাৰ আদি উন্নয়নমূলক আঁচনিৰ ৰূপায়নেৰে অসমৰ দৰিদ্ৰ শিক্ষিত, অৰ্দ্ধ-শিক্ষিত, অশিক্ষিত সকলোৰে হৃদয় স্পৰ্শ কৰিছিল তেওঁলোকৰ স্নেহময় অভিভাৱক হিতেশ্বৰ শইকীয়াই।

● ২২ এপ্ৰিল ১৯৯৬ চন। নতুন দিল্লীৰ অল্ ইন্দিয়া ইন্সটিটিউট অব্ মেডিকেল চায়েন্সত হিতেশ্বৰ শইকীয়াই শেষ নিশ্বাস ত্যাগ কৰিলে। সমগ্ৰ অসমৰ দৰিদ্ৰ জনসাধাৰণ শোকৰ সাগৰত দুব গ'ল। গুৱাহাটীৰ পৰা নাজিৰালৈ সুদীৰ্ঘ পথ জুৰি শইকীয়াৰ মৃতদেহৰ শোভাযাত্ৰাত হাজাৰ হাজাৰ লোকে শেষ শ্ৰদ্ধা জ্ঞাপন কৰিলে। লক্ষাধিক লোকৰ সমাবেশেৰে নাজিৰা জনসমুদ্ৰত পৰিণত হ'ল। ইনাই-বিনাই, হিয়া ঢাকুৰি, মাটিত বাগৰি কান্দিলে বহু দৰিদ্ৰ লোকে। অসমৰ ৰাজনৈতিক জগতত হিতেশ্বৰ শইকীয়া হৈ ৰ'ল চিৰ অপৰাজেয়। আঞ্চলিকতাবাদী নেতাসকলক অসমৰ লাখ লাখ ৰাইজে ক্ষমতালৈ আদৰি আনিছিল সীমাহীন আশাৰে। আশা ভংগৰ বেদনাত মৰ্মাহত অসমৰ ৰাইজে আজি আৰু আগৰ দৰে সেই নেতাসকলক লৈ গৌৰৱবোধ নকৰে। কিন্তু অসমৰ লাখ লাখ শোকাৰ্ত ৰাইজে হিতেশ্বৰ শইকীয়াক এই পৃথিৱীৰ পৰা বিদায় দিলে আন্তৰিক কৃতজ্ঞতাৰে। সেই কৃতজ্ঞতা, অনুতাপ আৰু উপলব্ধিৰ নীৰৱ প্ৰবাহ আজিও বৈ আছে, বৈ থাকিব জনজীৱনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে। সঁচাকৈয়ে হিতেশ্বৰ শইকীয়া হৈ পৰিল অসমৰ ইতিহাসৰ এক অবিস্মৰণীয় অধ্যায়।

*- সম্পাদনা সমিতি*

*******

## হিতেশ্বৰ শইকীয়াৰ ব্যক্তিত্ব

অসমৰ জননেতা হিতেশ্বৰ শইকীয়া আৰু জনসাধাৰণ উভয়েই কণ্টকাকীৰ্ণ সমস্যাসমূহৰ আশু সমাধানৰ ক্ষেত্ৰত বিশেষভাৱে সফলতা অৰ্জন কৰিব পাৰিছিল। দেশে তেওঁলোকৰ এই কৃতকাৰ্যতাৰ শলাগ নলৈ নোৱাৰে। এইক্ষেত্ৰত অসমৰ সমস্যাৱলী দেশ তথা জাতি আৰু জনসাধাৰণৰ স্বাৰ্থত সুন্দৰভাৱে সমাধান কৰাৰ সকলো কৃতিত্ব হিতেশ্বৰ শইকীয়াৰে প্ৰাপ্য। সমাধানৰ এই প্ৰক্ৰিয়াত অৱশ্যে তেওঁ যথেষ্ট কষ্ট ভুগিবলগীয়া হৈছিল। তেওঁৰ কঠোৰ পৰিশ্ৰম, কল্পনাশক্তি আৰু জনসাধাৰণৰ প্ৰতি থকা অকুণ্ঠ ভালপোৱাই এই ইপ্সিত লক্ষ্যত উপনীত হোৱাত বিশেষভাৱে সহায় কৰিছিল। কিন্তু তেওঁৰ এনে নিৰলস পৰিশ্ৰমে তেওঁৰ স্বাস্থ্যৰ ওপৰতো চাপ পেলাইছিল। তেওঁৰ কাৰ্যই অসম তথা ভাৰতৰ ইতিহাসত তেওঁক এখন স্থায়ী আসন ইতিমধ্যে প্ৰদান কৰিছে। সেইবাবেই শইকীয়াই অসমৰ সামগ্ৰিক উন্নতি আৰু শান্তি-সমৃদ্ধিৰ বাবে লোৱা ভূমিকা আৰু পৰিকল্পনাৰ কথা উল্লেখ নকৰাকৈ অসমৰ সামগ্ৰিক উন্নয়নৰ কথা লিখিবলৈ লোৱাটো অতি কঠিন হৈ পৰে।

**শিৱৰাজ পাটিল**

প্ৰাক্তন অধ্যক্ষ, লোকসভা





● ১৫ আগষ্ট, ১৯৮৫

# অসম চুক্তি



● ১২ আগষ্ট, ১৯৮৫

## ৰাজীৱ গান্ধীৰ উদ্যোগ আৰু হিতেশ্বৰ শইকীয়াৰ ত্যাগ

OKDISCD

# স্মৰণাঞ্জলি

*- মণিশংকৰ আয়াৰ*

মোৰেই সৌভাগ্য যে যোৱা এঘাৰ-বাৰ বছৰ ধৰি শ্ৰীহিতেশ্বৰ শইকীয়াৰ অতি নিবিড় সান্নিধ্য লভাৰ সুযোগ পাইছিলো। মই প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীৰ স'তে, ১৯৮৫ চনৰ আগষ্ট মাহত, গুৱাহাটীৰ জজ ফিল্ডত হোৱা এখন ৰাজহুৱা সভালৈ আহিছিলো। তেখেতক তেতিয়াই পোনপ্ৰথমবাৰৰ বাবে লগ পাইছিলো। তেতিয়া ক্ষণিকৰ বাবেও ভবা নাছিলো যে সেয়া অসম তথা ভাৰত বুৰঞ্জীৰে কিমান উল্লেখযোগ্য ঘটনা হৈ ৰ'ব।

আন্দোলনকাৰী ছাত্ৰসকলেৰে যি চুক্তি তেওঁ অনতিপলমে সম্পাদন কৰিবলৈ আগবাঢ়িছিল - সেই বিষয়ে সেইবাৰ ৰাইজক সজাগ কৰিবলৈ শ্ৰীৰাজীৱ গান্ধী অসমলৈ আহিছিল। কিন্তু আমি অৰ্থাৎ তেওঁৰ স'তে যিসকল আহিছিলো বা তেওঁৰ ভাষণ শুনিবলৈ জজ ফিল্ডত ৰৈ থকা হেজাৰজনৰ কোনেও সেই অনাগত চুক্তিৰ উমানেই পোৱা নাছিলো। বোধকৰো প্ৰধানমন্ত্ৰীৰ বাহিৰে তাৰ উমান পোৱা একমাত্ৰ লোকজন আছিল অসমৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া।

একপ্ৰকাৰে তেওঁক উত্তৰ-পূৰ্বাঞ্চলৰ এই গুৰুত্বপূৰ্ণ ৰাজ্যখনৰ শান্তিৰ হকে, ইয়াত বসবাস কৰা ভিন ভিন লোকগোষ্ঠীৰ মাজৰ সম্প্ৰীতিৰ হকে, নিজা পদবী তথা ৰাজনৈতিক জীৱন ত্যাগ কৰিবলৈ কোৱাৰ দৰেই হৈছিল। তেনে সন্ধিক্ষণতে তেওঁ কেনে ধাতুৰে গঢ়া লোক আছিল তাক বুজিব পৰা গৈছিল।

তেওঁ বুজিছিল যে ব্যক্তিগত তথা নিজৰ দলৰ ৰাজনৈতিক আশা-আকাংক্ষাক হয়তো ত্যাগ কৰিব লাগিব। তেওঁ আৰু বুজিছিল যে নিজৰ জীৱনো হয়তো ইয়াৰ ফলত বিপন্ন হৈ উঠিব। তথাপিও তেওঁৰ পৰা আশা কৰাৰ দৰেই ৰাজ্যৰ স্বাৰ্থক তেওঁ নিজৰ স্বাৰ্থতকৈ আগভাগ দিলে। অসম প্ৰদেশ কংগ্ৰেছৰ স্বাৰ্থতকৈ ভাৰতৰ জাতীয় কংগ্ৰেছৰ স্বাৰ্থক আগভাগ দিলে। এয়া এনে এক ত্যাগৰ উদাহৰণ যিটো কেৱল অসমৰ বুৰঞ্জীতে নহয়, ভাৰতবৰ্ষৰ বুৰঞ্জীৰ পাততো চিৰদিনলৈ জিলিকি থাকিব।

১৯৮৫ চনৰ ডিচেম্বৰ মাহত চুক্তি সম্পাদনৰ পিছত নিৰ্বাচন পতা হ'ল। শ্ৰীশইকীয়াই নিঃসন্দেহে আগতীয়াকৈ ভবাৰ দৰেই- কংগ্ৰেছ দলে পৰাজয়ৰ গ্লানিত মুখ ঢাকিব লগাত পৰিল। মাথো কেইমাহমানৰ আগতে জোঁট বন্ধা এটা নতুন দল বিজয়ী বেশেৰে ক্ষমতাত উঠিল।

আৰম্ভ এইখিনিৰ পৰা কৰিলে কাহিনীটো কিন্তু আদখনীয়াকৈ ধৰাহে হ'ব। দৰাচলতে ভালেখিনি আগতেই গুৰুঘাত পৰিছিল। বোধকৰো শ্ৰীগোলাপ বৰবৰাদেৱ মুখ্যমন্ত্ৰী হৈ থকা কালছোৱাতে, অসমৰ জাতীয় চৰিত্ৰক হনন কৰাৰ অভিযোগেৰে, অসমীয়া ভাষা আৰু সংস্কৃতি বিপন্ন হোৱাৰ অভিযোগেৰে এটা আন্দোলনে গজালি মেলিছিল। কোৱা হৈছিল যে - যদিহে অসমৰ অসমীয়া চৰিত্ৰ ৰক্ষণৰ বাবে কঠোৰ ব্যৱস্থা লোৱা নহয় তেন্তে অসমে সকলো হেৰুৱাব। কাষৰীয়া বিশাল ভাৰতৰ, অঞ্চলবোৰৰ স'তে একাকাৰ হৈ সমূলি চিনিব নোৱৰা হৈ পৰিব। কেৱল ৰাজনৈতিক পৰিচয়কণৰ বাহিৰে অসমৰ আৰু একো নাথাকিব।

এই ধাৰণাবোৰ কিছু পৰিমাণে অমূলক নাছিল। মই ভাবো, শ্ৰীহিতেশ্বৰ শইকীয়া আৰু তেখেতৰ কংগ্ৰেছী সতীৰ্থসকলেও এনে ভালেখিনি সংশয় আৰু শংকাক মানি লৈছিল। লগে লগে শ্ৰীহিতেশ্বৰ শইকীয়া আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ অসম শাখাই কিন্তু এই কথাও বুজিছিল যে অসমৰ ঘটনা প্ৰবাহক ভালদৰে ফঁহিয়াই নোচোৱাকৈ, সিবিলাকৰ ভৱিষ্যৎ চিন্তা নকৰাকৈ যদি কেৱল চকুৰে দেখাখিনিকে সঁচা বুলি ধৰা হয় তেন্তে ভাৰতীয় জাতীয় জীৱনৰ এৰাব নোৱৰা সেই চাৰিত্ৰিক দিশটোক (যি অনৈক্যৰ মাজতো ঐক্যৰ সন্ধানত সদা ব্ৰতী) - আওকান কৰা হ'ব।

শ্ৰীশইকীয়া সেয়েহে এক অতিশয় জটিল পথেৰে আগুৱাব লগাত পৰিছিল। এফালে আছিল অসমৰ অস্তিত্বৰ প্ৰতি দৰাচলতে আহি পৰা এক সংকট। আনফালে আছিল বিশেষ নৃ-তাত্বিক ভিত্তিত অসমক ভাৰতৰ পৰা এক পৃথক জাতিৰূপে নলৈ, ভাৰতীয় জাতীয়



OKDISCD

জীৱনৰ মূলমন্ত্ৰৰ, অনৈক্যৰ মাজতো ঐক্যৰ এক প্ৰতীকৰূপে তুলি ধৰাৰ গুৰুভাৰ।

শ্ৰীশইকীয়াই দেখিলে যে সেই বাদানুবাদৰ আৰম্ভণীৰে পৰাই আলোচনাৰ ৰেহা লগোৱাটো বিধায়িনী দলৰ শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বা চাহ-মেলৰ সহজ পৰিবেশত সম্ভৱ নাছিল। ৰেহা লগাবলগীয়া হৈছিল এক নোহোৱা-নোপজা তমোময় পৰিবেশত - য'ত অসমীয়াৰ হাততে নিধন হৈছিল অসমীয়া। অৱনমিত হৈছিল সংখ্যালঘুসকলৰ মান। আৰু বাৰেবৰণীয়া জাতিৰে অধ্যুষিত ৰাজ্যখনৰ সংখ্যাগুৰুসকলে ভুগিছিল এক অহেতুক সন্ত্ৰাসত।

অসমে বোধকৰো ভাৰতৰ আন যিকোনো ৰাজ্যৰ তুলনাত, নিজৰ ঐক্যক এৰাব নোৱাৰা অনৈক্যৰ মাজতে বচাই ৰাখিব লাগিব। ইয়াত কেৱল যে ভাষিক বা ধৰ্মীয় বা সাংস্কৃতিক অনৈক্যহে আছে - সিও নহয়। আছে ইতিহাসে জাপি দিয়া জাতিগত বিভিন্নতা। আমি ১৯৪৭ চনত যিখন অসম লভিছিলো সেই অসমে পূবৰ নাগালেণ্ডৰ পৰা দক্ষিণৰ মেঘালয়, আৰু দক্ষিণৰ মিজোৰাম পৰ্যন্ত সামৰি আছিল। সেয়া পাহাৰ-ভৈয়াম উভয়েৰে এলেকা সোমাই থকা এক বাৰেবৰণীয়া ৰাজ্য আছিল। এলেকাবোৰ হ'লে ভৌগোলিক ভাৱে ইটোৰ পৰা সিটো ভালেখিনি নিলগত আছিল। আলিবাট বা ৰেলপথেৰে যোগাযোগৰ ব্যৱস্থাও আছিল অতি পুতৌজনক। গতিকে জনগোষ্ঠীসমূহে পৰস্পৰৰ বিষয়ে জনাৰ সা-সুবিধা নাছিলেই বুলিব পাৰি। সেই বাৰেবৰণীয়া ৰাজ্যখনৰ পৰিৱৰ্তন সাধন কৰা হ'ল। গোটেই অঞ্চলটো ভাগ ভাগ কৰা হ'ল। আৰু উত্তৰ-পূৰ্বাঞ্চলত সাত-ভনীৰ সাতোখন ৰাজ্য হ'ল। সেই প্ৰচেষ্টাৰে সাৰ্থকতা, মই ভবাত এটি ঘটনাই দেখুৱাইছে। আজি এই বিশেষ নিমিত্তত আমাৰ কাষত থিয় দিবলৈ আহিছে মেঘালয়ৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰতিনিধি। আগৰ অসম ভাগি কেবাখনো ৰাজ্য হোৱা সত্বেও আগৰ গোটবোৰৰ মাজত বৰ্তি থকা সহজাত সহযোগ আৰু চুবুৰীয়াল মিলা-প্ৰীতিৰ ই এক চানেকী।

শান্তি, সম্প্ৰীতি আৰু প্ৰগতিৰ বাতাবৰণ অৱশ্যে সত্তৰ দশকৰ শেহৰ ফালৰ পৰা নব্বৈ দশকৰ আৰম্ভণিৰ চোৱালৈকে ছিন্ন-ভিন্ন হ'বলৈ ধৰিছিল। কেন্দ্ৰীয় চৰকাৰে, ১৯৮৩ৰ আৰম্ভনিত প্ৰতিৰোধ সত্বেও যেতিয়া ৰাজ্যখনত নিৰ্বাচনী প্ৰক্ৰিয়া চলাবলৈ থিৰাং কৰিলে - তেতিয়া দেশৰ একতাৰ, অসমীয়া জাতিৰ চৰিত্ৰৰ আটিলতাৰ আৰু সবাৰোপৰি আমাৰ ধৰ্মনিৰপেক্ষতাৰ ধ্বজা তুলি ধৰাৰ ভাৰ পৰিল শ্ৰীহিতেশ্বৰ শইকীয়াৰ ওপৰত। তেওঁ আগুৱাই যাব লগা হ'ল স্বাধীনোত্তৰ পঞ্চাছ বছৰত, দেশৰ ক'তো কাহানিও নোহোৱা ধৰণৰ অতিশয় বিষম পৰিস্থিতিত নিৰ্বাচনৰ সন্মুখীন হ'বলৈ।

অতীৱ প্ৰত্যয় সাহসেৰে তেওঁ সেই কাম সমাধিলে। প্ৰতি মুহূৰ্ততেই কঢ়িয়াই আনিছিল তেওঁৰ জীৱনলৈ হুমিয়নি; তেওঁৰ মৰমৰ অসমৰ অস্তিত্বলৈ ভাবুকি। ৰাজধানী গুৱাহাটীৰ অদূৰৈত, নিৰ্বাচন প্ৰক্ৰিয়াৰ মাজতে, এঠাইত ঘটিল এনে এক বৰ্বৰ হত্যাকাণ্ড যিটো উত্তৰ-পূবৰ বুৰঞ্জীত, আমাৰ সকলোৰে যশৰ ওপৰত মচিব নোৱৰা এক তেজাল দাগ হৈ ৰৈ যাব।

এনে জটিল পৰিস্থিতিতো শ্ৰীশইকীয়া নিঃসন্দেহে এক গণতান্ত্ৰিক নিৰ্বাচনত বিজয়ী হৈ ওলাই আহিছিল। আৰু সম্পূৰ্ণ সাংবিধানিক ৰূপেৰে অসমৰ মুখ্যমন্ত্ৰীৰ আসনত বহিছিল আৰু ন্যায়সংগতভাৱে, বিধান সভাত অবিবাদীয় সংখ্যাগৰিষ্ঠতাৰে ১৯৮৩ চনৰ পৰা কমেও ১৯৮৫ পৰ্যন্ত মুখ্যমন্ত্ৰী হৈ ৰোৱাৰ অধিকাৰ লভিছিল।

কিন্তু সমগ্ৰ দেশলৈ আৰু অসমলৈ ইতিমধ্যে আন কিছুমান পৰিৱৰ্তন আহি পৰিছিল। নতুন দিল্লীত, ১৯৮৪ চনৰ ৩১ অক্টোবৰত ঘটা প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ শোকাবহ হত্যাকাণ্ডই আছিল আটাইতকৈ উল্লেখনীয়। ফলত তেওঁৰে পুত্ৰ শ্ৰীৰাজীৱ গান্ধী পোনতে মনোনীত আৰু পিছলৈ নিৰ্বাচিত ৰূপে ভাৰতৰ প্ৰধানমন্ত্ৰী হয়। অতিশয় নম্ৰতাৰে, ভাৰতমাতাৰ দেহত ৰাঙলী হৈ থকা ক্ষত স্থানবোৰ নিৰাময় কৰাকে প্ৰধান কৰ্তব্যৰূপে লৈ ৰাজীৱজী দিল্লীৰ সিংহাসনত বহিল। ইয়াৰে গভীৰতম ক্ষত অসমত থাকিলেও আটাইতকৈ বিপদজনকটো বোধকৰো পঞ্জাৱতহে আছিল। সেয়েহে পঞ্জাৱক তেওঁ পোনতে বাচি ল'লে। মোৰেই সৌভাগ্য যে জুলাই ১৯৮৫ত আন্দোলনকাৰী ছাত্ৰসকলেৰে যি চুক্তি তেওঁ অনতিপলমে সম্পাদন কৰিবলৈ আগবাঢ়িছিল - সেই বিষয়ে যেতিয়া তেওঁ ৰাজীৱ-লংগোৱাল চুক্তিখন লোকসভাত সদৰী কৰিছিল তেতিয়া মই চৰকাৰী গেলেৰীত বহি চাবলৈ পাইছিলো। চৰকাৰী গেলেৰীৰ পৰা আৰু সদস্যৰূপেও লোকসভাৰ কাৰ্যক্ৰমণিকা ইয়াৰ পিছত আৰু বহুবাৰ মই চাবলৈ পাইছো। মোৰ আৰু এনে আন কোনো নিমিত্তৰ কথা মনত নপৰে, যেতিয়া কেৱল লোকসভাই নহয়, গোটেই দেশখনেই দৰাচলতে তবধ মানিব লগীয়া এই আশ্চৰ্যজনক ঘটনাত উশাহ সলাবলৈ পাহৰি গৈছিল। ভাৰতমাতাৰ আটাইতকৈ গভীৰ বিচ্ছিন্নতাবাদী সমস্যাটোক এজন ডেকা, অনভিজ্ঞ প্ৰধানমন্ত্ৰীয়ে এক অলৰ-অচৰ, দৃঢ়মনা প্ৰতিপক্ষৰ স'তে মোকাবিলা কৰি, মাথো কেইমাহমানৰ ভিতৰতে সমাধা কৰিলে।

জুলাই, ১৯৮৭ চন। পঞ্জাব চুক্তিৰ পিছত শ্ৰীৰাজীৱ গান্ধীয়ে অসমৰ প্ৰশ্নলৈ চকু দিলে। বোধকৰো এইবুলি কোৱাটো সঠিক নহ'ব যে অসমৰ কথা চিন্তা কৰাৰ আগতে পঞ্জাব সমস্যা সমাধান হোৱালৈ ৰৈ আছিল। কাৰণ আৰ ডি প্ৰধানৰ গ্ৰন্থ "Working With Rajib Gandhi"ত আমি পাওঁ যে দৰাচলতে ভালেকেইমাহৰ আগতে তেওঁ দেশৰ গৃহ সচিবক আন্দোলনকাৰী ছাত্ৰসকলৰ স'তে আলোচনা কৰিবলৈ নিৰ্দেশ দিছিল। ৰাজীৱ-লংগোৱাল চুক্তি সম্পাদনৰ প্ৰায় দুসপ্তাহৰ ভিতৰতে অসমৰ সমস্যাটোও চুক্তি সম্পাদন কৰিব পৰাকৈ বুজাবুজিলৈ অহাটো আৰু প্ৰধানমন্ত্ৰীৰ উপস্থিতিত তাত দেশৰ গৃহ সচিব আৰু ছাত্ৰ নেতাসকলে চহী কৰাটো মাত্ৰ এক কাকতালীয় ঘটনাহে আছিল। ইয়াৰ মাথো কেইঘণ্টামানৰ আগতে ৰাজীৱ গান্ধীয়ে প্ৰধানমন্ত্ৰীৰূপে প্ৰথমবাৰলৈ লালকিল্লাৰ বুৰুজত উঠি, জাতীয় পতাকা উত্তোলন কৰি, আশাৰে বাট চাই থকা সমগ্ৰ জাতিক জনাইছিল যে কেৱল পঞ্জাৱলৈকে শান্তি অহা নাই, অসমলৈও শান্তি অনা হৈছে।

তথাপিও অসম চুক্তি সমাপন নহ'লহেঁতেন যদিহে অসমৰ এক কৃতীমন্ত সন্তান শ্ৰীহিতেশ্বৰ শইকীয়াই এক অপৰিসীম ত্যাগ নকৰিলেহেঁতেন। সেই সময়ত সাংবিধানিক ন্যায় সংগতভাৱে আৰু তিনি বছৰলৈ তেওঁ অসমৰ মুখ্যমন্ত্ৰী ৰূপে ৰব পাৰিলহেঁতেন। কিন্তু যিসকল প্ৰতিদ্বন্দ্বীয়ে কেৱল তেওঁৰ ক্ষমতাৰ পিছতেই নহয়, ৰাজনীতিৰ পিছতো লাগিছিল, সেইসকলৰ সমিলমিলৰ হকেই তেনে অধিকাৰ এৰি দিছিল। কাৰণ তেওঁ বুজিছিল যে আমাৰ সকলোৰে জীৱনৰ মাজত এনে এক সামূহিক স্বাৰ্থ আছে যি এজন ব্যক্তিতকৈ সদায় উৰ্ধত। তেওঁ এনে এক উদাহৰণ দেখুৱাই থৈ গৈছে, যিটো দুৰ্ভাগ্যক্ৰমে দেশৰ মুষ্টিমেয় কেইজনমান নেতাইহে অনুসৰন কৰিব আৰু মাথো কেইজনমান ৰাজনীতিজ্ঞইহে মানি ল'বলৈ সাজু হ'ব।

মই নাভাবো যে শ্ৰীহিতেশ্বৰ শইকীয়াই শ্ৰীৰাজীৱ গান্ধীৰ স'তে সম্পূৰ্ণ সহমত হোৱাৰ বাবে বা এজন ক্ষমতাশালী প্ৰধানমন্ত্ৰীৰ কথা পেলাব নোৱাৰিহে শ্ৰীগান্ধীৰ প্ৰস্তাৱত সন্মত হৈছিল। তেওঁ মুখ্যমন্ত্ৰিত্ব এৰিছিল এইবাবে যে সময়ে তেওঁৰ পৰা তেনে এক ত্যাগ বিচাৰিছিল বুলি নিজে পতিয়ন গৈছিল। ভাবিছিল যে সেই সন্ধিক্ষণত দলৰ, সতীৰ্থসকলৰ আৰু নিজৰ ৰাজনৈতিক মৰ্যাদাক তিয়াগী তেওঁ এনে এক স্থিতি সৃষ্টি কৰিব পাৰিব য'ত তেওঁ নিজে, জাতীয় কংগ্ৰেছত অসম শাখাই, আৰু ভাৰতীয় জাতীয় কংগ্ৰেছে অসমৰ ৰাইজক আকৌ ইয়াতকৈও বেছি মৰ্যাদা, সন্মান, প্ৰত্যয় আৰু দৃঢ়তা সহকাৰে সেৱা কৰিবলৈ ঘূৰি আহিব পাৰিব। শান্তি স্থায়ী হ'ব আৰু উন্নতিৰ গতি হ'ব নিৰবিছিন্ন। যদিও ফলাফল কি হ'ব জনাই আছিল - তথাপি উৎসাহেৰে তেওঁ ১৯৮৫ৰ ডিচেম্বৰৰ নিৰ্বাচনত লাগি পৰিল।

অন্য এক চৰকাৰে শাসনভাৰ ল'লে আৰু প্ৰায় পূৰ্ণকাল পাৰ কৰিলে। সেই চৰকাৰে গুৱাহাটীৰ দিশপুৰত শাসনৰ বিলাহত কাল কটাওঁতে শ্ৰীহিতেশ্বৰ শইকীয়াই এক অতি কঠিন, স্পৰ্শকাতৰ আৰু সম্ভৱতঃ বিপদজনক দায়িত্ব গ্ৰহণ কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে জনোৱা প্ৰস্তাৱৰ প্ৰতি সঁহাৰি জনালে। দায়িত্ব আছিল মিজোৰামৰ ৰাজ্যপাল হোৱাৰ।

ভাৰতৰ তেজেৰে ৰাঙলী অংশবোৰক নিৰাময় কৰাৰ তেওঁৰ প্ৰচেষ্টাৰ স'তে সংগতি ৰাখি, পঞ্জাৱৰ সমস্যাৰ সমাধা কৰি, অসমৰ সমস্যাকো ভালেখিনি সাং কৰি শ্ৰীৰাজীৱ গান্ধীয়ে চকু দিলে উত্তৰ-পূৰ্বাঞ্চলৰ একাংশলৈ, যি এসময়ত অসমৰে অংগ আছিল — আৰু য'ত বিশ বছৰীয়া পুৰণি এক বিদ্ৰোহ চলি আছিল। সেয়া হ'ল কেন্দ্ৰীয় শাসিত অঞ্চল - মিজোৰাম। এই মিজো চুক্তিৰ আধাৰ গঢ়োতে শ্ৰীৰাজীৱ গান্ধীয়ে শ্ৰীহিতেশ্বৰ শইকীয়াৰ প্ৰচুৰ বোধশক্তি আৰু অভিজ্ঞতাৰ ওপৰতেই ভৰসা কৰিছিল। যদিও ৰাজনীতিত শাসনৰ স'তে জড়িত অনেক কাহিনীক সংগোপনে ৰখা হয়, আৰু দুৰ্ভাগ্যজনকভাৱে কিছু বছৰৰ পিছত ভিতৰুৱাল কাহিনীবোৰ ক'বলৈ আৰু শুনিবলৈ প্ৰকাশ কৰিব পৰাকৈ ইংলেণ্ড বা আমেৰিকাৰ দৰে আমাৰ ভাৰতত ৰাজনীতিবিদসকলে ডায়েৰী ৰখাৰ দিহা নাই, আমি ৰাজীৱ গান্ধী ফাউণ্ডেশ্যন, আগষ্ট ১৯৯৪ চনত ৰাজীৱ গান্ধী সোণালী জয়ন্তী উপলক্ষে পতা এখন অতীতদৰ্শী চেমিনাৰত শ্ৰীহিতেশ্বৰ শইকীয়াই অংশগ্ৰহণ কৰাৰ সুযোগ লভিছিল। সেই চেমিনাৰৰ কাৰ্য-ক্ৰমণিকাক আমাৰ স্বাধীনতাৰ পঞ্চাশ বছৰীয়া উৎসৱ উপলক্ষে ১৯৯৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিয়ে উন্মোচন কৰিব। সেই ক্ৰমণিকাৰ খণ্ডসমূহ প্ৰকাশ হোৱাৰ পিছত মই মোৰ অসমৰ বন্ধুবৰ্গক সেই ক্ৰমণিকালৈ আগবঢ়োৱা শ্ৰীহিতেশ্বৰ শইকীয়াৰ ব্যক্তিগত বৰঙণিলৈ মনযোগেৰে চকু দিবলৈ অনুৰোধ জনালো। বিশেষকৈ ৰাজনৈতিক তথ্য সম্বলিত প্ৰথম খণ্ডৰ ওপৰত। যদিও তেওঁ নিজৰ বৰঙণীক বহলোৱা নাই তথাপিও অসমৰ সাংবাদিক, বুৰঞ্জীবিদ আৰু ৰাজনীতিৰ বিশ্লেষণকাৰীয়ে জেৰ টানিব পৰাকৈ ভালেমান ইংগিত এৰি থৈ গৈছে। আৰু ৰাজীৱ গান্ধী সোণালী জয়ন্তী অতীতদৰ্শী চেমিনাৰত শ্ৰীহিতেশ্বৰ শইকীয়াই আগবঢ়াই থৈ যোৱা সেই অমূল্য বৰঙণিত মিজো চুক্তি সম্পাদনাৰ ক্ষেত্ৰত তেওঁৰ ভূমিকাৰ কথা লুকাই বা

OKDISCD

আংশিকভাৱে লুকাই আছে।

শ্ৰীৰাজীৱ গান্ধীয়ে ১৯৮৬ চনৰ জুন মাহত বিদ্ৰোহী নেতা মিঃ লালডেংগা আৰু মিজোৰামৰ মুখ্যমন্ত্ৰী মিঃ লালথান হাওলাৰ স'তে এক চুক্তিলৈ আহে। তাৰ চৰ্তসাপেক্ষে মিজোৰামৰ মুখ্যমন্ত্ৰীৰ মূৰটো বিচাৰি ফুৰা বিদ্ৰোহীজনে তেওঁ হত্যা কৰিবলগীয়াজনক নিজৰেই উপ-মুখ্যমন্ত্ৰীৰূপে কাষতে পালে। কাৰণ এক নিকা আৰু নিৰপেক্ষ নিৰ্বাচন পাতিবৰ বাবে, বিনা নিৰ্বাচনেৰে তেওঁ নিজেই মুখ্যমন্ত্ৰীৰ আসনত বহিল। এয়া আছিল এক বিৰল প্ৰতিভাৰ ফৰ্মূলা। ইয়াৰ নজীৰ ভাৰতৰ অতীতত নাছিল। মোৰ বোধেৰে তেতিয়াৰ পৰা আৰু এবাৰো ঘটা নাই।

এই চুক্তিখনৰ বুনিয়াদ গঢ়াত শ্ৰীশইকীয়াই গুৰু দায়িত্ব বহন কৰিছিল। তেওঁ মুখ্য অংশগ্ৰহণকাৰীসকলক সঘনে লগ ধৰিছিল আৰু ইয়াৰ লগত জড়িত সকলোৰে সন্মতি লভা চুক্তিখন যাতে স্বাক্ষৰিত নোহোৱাকৈ নাথাকে তালৈ চকু দিছিল। মিজো চুক্তিখন ১৯৮৬ত স্বাক্ষৰিত হ'ল। ইয়াৰ প্ৰায় লগে লগে প্ৰধানমন্ত্ৰীয়ে মিজোৰামৰ উত্তৰ সীমাৰ পৰা গোটেই প্ৰদেশ ভেদি, সুদূৰ দক্ষিণৰ চাইহালৈকে, মটৰেৰে বিজয়ী বেশেৰে ভ্ৰমণ কৰিলে। পূবৰ জাংপাইলৈ গৈ পশ্চিমৰ আইজাললৈ ঘূৰি অহাৰ কথা নক'লেও হ'ব। এই ভ্ৰমণকালত এটা কথা ফটফটীয়াকৈ ওলাই পৰিল। মিজো ৰাইজে কেৱল বিচাৰে শান্তি। শান্তিৰ বাবে যিকোনো মূল্য দিবলৈ তেওঁলোক সাজু। শ্ৰীৰাজীৱ গান্ধীয়ে তেওঁৰ সহজাত ৰাজনৈতিক বিচক্ষণতাৰে থিৰাং কৰিলে যে তেওঁলোকে শান্তিৰ বাবে একো মূল্য দিব নালাগে। তেওঁলোকে শান্তি দাবী কৰাৰ বাবে ব'নাচ পোৱাহে উচিত। সেই ব'নাচ হ'ল তেওঁলোকে নিজে বিচৰাৰ দৰে এখন চৰকাৰ নিৰ্বাচিত কৰি ল'বলৈ দিয়াটো। যদি সেই চৰকাৰৰ মূৰব্বী এনে এজন লোক হয় যি সৌসিদিনালৈকে আছিল এক অপৰাধী, এক বিদ্ৰোহী, যি বন্দুক তুলি লৈছিল ভাৰতীয় লোক আৰু জোৱানক হত্যা কৰিবলৈ — তথাপিও কোনো কথা নাই। এই সকলো সুকলমে হ'বৰ বাবে দুটা কথাৰ প্ৰয়োজন আছিল। প্ৰথম, ইতিমধ্যে শ্ৰীশইকীয়াই দেখুওৱা উদাহৰণ অনুসৰণ কৰিবলৈ শ্ৰীলালথান হাওলাক সৈমান কৰোৱা। দ্বিতীয়, মিজো চুক্তিৰ কাৰ্যকৰণক সততে তদাৰক কৰিবৰ বাবে শ্ৰীহিতেশ্বৰ শইকীয়াক আইজাললৈ নিয়া।

দুয়োটা চিন্তাই আঁতৰিল। সাংবিধানিক, ন্যায়িক বা কোনো ৰাজনৈতিক বাধ্যবাধকতা নথকা সত্ত্বেও, শ্ৰীশইকীয়াৰ উদাহৰণ অনুসৰি শ্ৰীলালথান হাওলাই মুখ্যমন্ত্ৰীত্ব এৰি দিলে। আৰু মুখ্যমন্ত্ৰীত্বৰ দৰে উচ্চ পদবী এৰি দি তুলনামূলকভাৱে কম মৰ্যাদাসম্পন্ন উপ-মুখ্যমন্ত্ৰীৰ পদ গ্ৰহণ কৰিলে। আৰু যিজন মানুহৰ বিপক্ষে গোটেই জীৱন যুঁজি আহিছিল, যিজন মানুহৰ উদ্দেশ্য আছিল অনাগত নিৰ্বাচনত নিজৰ উপ-মুখ্যমন্ত্ৰীজনক হৰুওৱা, তেওঁকেই মুখ্যমন্ত্ৰী হ'বলৈ এৰি দিলে। এনে অতিশয় ঠুনুকা পৰিস্থিতিক চম্ভালিবলৈ প্ৰয়োজন হৈছিল এখন অতিশয় কৌশলী হাতৰ। যাতে আলোচ্য কথাবোৰ হঠাৎ সিদ্ধি নোহোৱাকৈ নাথাকে। সমগ্ৰ ভাৰতবৰ্ষত, লোকে ক'বৰ দৰে কাশ্মীৰৰ পৰা কন্যা-কুমাৰীকালৈকে তেনে সামৰ্থ থকা লোক মাথো এজনেই আছিল - তেওঁ হ'ল শ্ৰীহিতেশ্বৰ শইকীয়া। তেওঁক সাময়িকভাৱে ৰাজনৈতিক চক্ৰৰ বাহিৰলৈ আহি মিজোৰামৰ উপ-ৰাজ্যপালৰ সাংবিধানিক দায়িত্ব ল'বলৈ কোৱা হ'ল। তেওঁ সেই ভাৰ ল'লে। আৰু নিজৰ দায়িত্ব ইমান সুচাৰুকৈ পালন কৰিলে যে কেইমাহমানৰ পিছত অনুষ্ঠিত হোৱা নিৰ্বাচনত ১৯৮৭ চনত লালডেংগা মিজোৰামৰ নিৰ্বাচিত মুখ্যমন্ত্ৰী হ'ল।

সময়ত লালডেংগা চৰকাৰৰ পতন হ'ল। ফলত আকৌ হোৱা নিৰ্বাচনত লালথান হাওলাই লালডেংগাক পৰাজিত কৰা সত্ত্বেও মিজোৰামত বিদ্ৰোহে দুনাই মূৰ তুলি নুঠিলে। মিজোৰাম ভাৰতৰ অবিচ্ছেদ্য অংগ হৈ পৰিল। যোৱা বিধানসভাৰ নিৰ্বাচনত মিজোৰামেও অংশ লৈছিল। আৰু আজিলৈকে ভাৰতত হোৱা সকলো নিৰ্বাচনৰ ভিতৰত দেশৰ একেবাৰে এমূৰীয়া জিলা মিজোৰামৰ চিন-টুই-পুয়ে সেইবাৰ ভোটদানৰ ক্ষেত্ৰত এক অভিলেখ গঢ়িলে। শতকৰা ৯২ জনে তাত ভোটাধিকাৰ সাব্যস্ত কৰিলে। যদিহে চিন-টুই-পুই গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ ভাৰতৰ এৰাব নোৱৰা অংগ হৈ পৰিছে তেন্তে সেই কৃতিত্বৰ সমান ভাগ ইন্দিৰা গান্ধীলৈ যাব যি আত্ম বিশ্বাসেৰে সাত-ভনীক স্বায়ত্ত শাসনৰ অধিকাৰ দিছিল। যাব ৰাজীৱ গান্ধীলৈ যি আত্মপ্ৰত্যয়ৰ স'তে ৰাজ্যকেইখনক পূৰ্ণ ৰাজ্যৰ মৰ্যাদা দিছিল। আৰু যাব শ্ৰীহিতেশ্বৰ শইকীয়ালৈ - যি কেৱল অসমলৈ নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চললৈ বাস্তৱিকতে সমগ্ৰ ভাৰতবৰ্ষলৈ আৰু আমাৰ চুবুৰীয়া ভালেমান দেশলৈ দেশৰ স্বাৰ্থক ৰাজ্যৰ স্বাৰ্থতকৈ আগত ৰাখি, দলৰ স্বাৰ্থক ব্যক্তিগত স্বাৰ্থতকৈ আগত ৰাখি কেনেকৈ জাতিগত সমস্যাৰ জেঙা ভাঙিব পাৰি তাৰ উদাহৰণ দাঙি থৈ গৈছে। আজি এনে দিনত কেৱল সেই ব্যক্তিজনক সন্মান যাঁচিলেই নহ'ব। তেওঁৰ বৰঙণিক সময়ে মচিব নোৱৰাৰ দিহা কৰিব লাগিব।

ক্ষমতাৰ বাহিৰত ৰোৱা বছৰ দিয়েকত সেয়ে আছিল শ্ৰীহিতেশ্বৰ শইকীয়াৰ লেখত ল'বলগীয়া কৃতিত্ব। ক্ষমতাৰ বাহিৰত থকা

বেছিভাগ ৰাজনীতিবিদেই ক্ষমতাত থাকোতে লভা সন্মানক লৈ ক্ষান্ত থাকে। শ্ৰীহিতেশ্বৰ শইকীয়া আছিল এনে এজন বিৰল ব্যক্তি যাৰ যশ-মান কেৱল ক্ষমতাত থাকোতে কৰা কাৰ্যাৱলীৰ ওপৰতে ন্যস্ত নহয়। ক্ষমতাত নাথাকোতে কৰা কাৰ্যাৱলীৰ ওপৰতো হয়। যাৰ গৌৰৱ কেৱল নিৰ্বাচনত জয়ী হোৱাতে আৱদ্ধ নহয়। নিৰ্বাচনত পৰাজিত হোৱাতো হয়।

বিকল্প চৰকাৰখনৰ পাঁচ বছৰ প্ৰায় সম্পূৰ্ণ হোৱাত, আৰু এক পৰিৱৰ্তনৰ প্ৰয়োজনীয়তা অসমৰ ৰাইজৰ আগত স্পষ্ট হৈ উঠিল। আৰু গৌৰৱময়ী অসমৰ এক গৌৰৱান্বিত সন্তানৰ এক গৌৰৱোজ্জ্বল ৰাজনৈতিক অভিযাত্ৰাৰ প্ৰতি শেষ অভিবাদন জনাই ১৯৯১ চনৰ মাজভাগত শ্ৰীহিতেশ্বৰ শইকীয়াক দুনাই নিৰ্বাচিত কৰিলে।

সেই বিজয়ক হ'লে এক মৰ্মান্তিক বিষাদৰ ছাঁই ঢাকি ধৰিছিল। তামিলনাডুত আততায়ীৰ হাতত বলি হ'ল সেই ডেকাগৰাকী যি দ্বিতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত উপবিষ্ট হোৱাৰ সম্ভাৱনা জিলিকি উঠিছিল। তেওঁ - শ্ৰীৰাজীৱ গান্ধী।

সেই বিপৰ্যয়ৰ মুহূৰ্তত দেশে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ৰাজ্যখনৰ শীৰ্ষস্থানত বিচাৰিছিল এক সবল নেতৃত্ব। আৰু ৰেড ক্ৰচ ৰোদৰ যিকোনো এজন প্ৰধানমন্ত্ৰীয়েই জানিছিল যে উত্তৰ-পূৱৰ এই স্পৰ্শকাতৰ ৰাজ্যখনৰ অদৃষ্ট এনে এজন অতি কৰ্মদক্ষ, মহানুভৱ, বহল মনৰ লোকৰ ওপৰত নিৰ্ভৰশীল, যি কেতিয়াও ক্ষুদ্ৰ স্বাৰ্থক জাতীয় স্বাৰ্থৰ আগলৈ আহিবলৈ নিদিব।

১৯৯১ চনত যিখন অসম তেওঁ লভিছিল সেই অসম আছিল সম্পূৰ্ণ ধ্বংসৰ প্ৰতি ধাৱমান। সেই ধ্বংসৰ প্ৰতি প্ৰৰোচনা যোগাইছিল মাদ্ৰাজ আৰু গুৱাহাটীৰ মাজত থকা এক তলসুৰীয়া যোগ-সূত্ৰই। এল টি টি ই আৰু উলফাৰ মাজত থকা সম্বন্ধই। যাক তামিলনাডুত ডি এম কেই দিয়াৰ দৰে অসমতো এ জি পিৰ একাংশই উৎসাহ যোগাইছিল। তেওঁ কায়মনোবাক্যে এই জঘন্য শক্তিবোৰৰ বিপক্ষে থিয় দিলে। ১৯৮৫ আৰু ১৯৯১ চনৰ কালছোৱাত অসমৰ সহায়হীন জনসাধাৰণৰ ওপৰত সিহঁতে চলাইছিল অকথ্য অত্যাচাৰ।

শ্ৰীহিতেশ্বৰ শইকীয়া দুনাই মুখ্যমন্ত্ৰী হ'বৰ বেলিকা তেওঁৰ বন্ধু, উপদেশদাতা আৰু পথপ্ৰদৰ্শক শ্ৰীৰাজীৱ গান্ধী জীৱিত নথকা সত্ত্বেও, বহুজন মুধাফুটা কংগ্ৰেছী নেতাতকৈ, শ্ৰীৰাজীৱ গান্ধীৰ পৰা শিকাখিনি তেওঁ বেছিকৈ মনত ৰাখিছিল। অসম, মিজোৰাম আৰু অলপ সালসলনি ঘটাই দাৰ্জিলিং আৰু ত্ৰিপুৰাত খটুওৱা 'মডেল'টোৰ, অৰ্থাৎ এখন ৰাজ্যৰ গাঁথনিৰ ভিতৰত ৰাজ্যখন খণ্ডিত নকৰাকৈ স্বায়ত্ত শাসিত জিলা পৰিষদ বা কোনো এক ধৰণৰ আঞ্চলিক স্বায়ত্ব শাসন আগবঢ়োৱাৰ দিহাটোৰ বিষয়ে তেওঁ বঢ়িয়াকৈ জানিছিল। সেই উপায়কে কামত খটুৱাই অসমৰ বিভিন্ন অশান্ত অঞ্চললৈ শান্তি ভালেখিনি ঘূৰাই আনিছিল। কেতিয়াবা সেই শান্তি স্থায়ী নহৈছিল। কেতিয়াবা শান্তিৰ হকে আৰু ভালেখিনি কৰিব লগা হৈছিল। কেতিয়াবা শান্তিৰ হকে শক্তিও প্ৰয়োগ কৰিবলগীয়া হৈছিল। তথাপিও ক'বই লাগিব যে শ্ৰীহিতেশ্বৰ শইকীয়াৰ নাম চিৰদিন স্মৰণীয় হৈ ৰ'ব আৰু কেতিয়াও সি পাহৰণিৰ গৰ্ভত হেৰাই নাযাব।

হিংসাৰে কেতিয়াও হিংসাক দমাব নোৱাৰি। ক্ষতিগ্ৰস্তজনে দাবী কৰা ন্যায়বিচাৰ মানি ল'লেহে শান্তি আহিব। বুজাবুজিত উপনীত হ'বলৈ হ'লে আলোচনাক আদৰিবই লাগিব। মাথো সেই বিজয়হে চিৰদিনীয়া হ'ব যি বিজয়ত কোনোৱেই নিজিকে বা কোনো নাহাৰে।

১৯৯১ চনৰ পৰা তেওঁৰ শোকাবহ মৃত্যুৰ দিন ২২ এপ্ৰিল, ১৯৯৬ লৈকে আজিৰ পৰা ঠিক এবছৰৰ আগলৈকে, তেওঁ ঠিক তেনেধৰণৰ বুজাবুজিলৈ আহিবৰ বাবে কেইবাটাও বিভেদকামী, বিপথগামী সংগঠনৰ স'তে আলোচনা চলাই আছিল।

এটা নিৰ্বাচনৰ মাজখনতে তেওঁৰ মৃত্যু ঘটিল। মই সেই নিৰ্বাচনৰ আগলিপৰত তেওঁক শেষবাৰৰ বাবে লগ ধৰিছিলো। শেষকাল ওচৰ চপাৰ কোনো উমানেই পোৱা নাছিলো। ৰোগগ্ৰস্ত শৰীৰটোৰেই সমানে উৎফুল্লিত। মুখ্যমন্ত্ৰী হৈ থকা কালছোৱাত তেওঁৰ স'তে অতি ঘনিষ্ঠভাৱে ভাৱৰ আদান-প্ৰদান কৰাৰ সুযোগ লভিছিলো। সংবিধানৰ ৭৩ আৰু ৭৪ সংশোধন অনুযায়ী অসমৰ পঞ্চায়তী বিলখন যুগুতোৱাৰ পৰত। তেওঁ মোক ইয়ালৈ আহি কংগ্ৰেছ বিধায়িনী দলৰ সদস্যসকলক লগ ধৰাৰ সুবিধা দিছিল। পৰামৰ্শ আগবঢ়াবলৈ সুযোগ দিছিল। তেনে ভালেখিনি পৰামৰ্শ প্ৰণয়ন কৰা আইনখনত সোমাই পৰিছিল। এনেবোৰ কাৰণতে সমগ্ৰ দেশৰ ভিতৰতে পঞ্চায়তীৰাজ আৰু নগৰ পালিকাৰ বাবে যুগুত কৰা অসমৰ আইনখন সবাটোকৈ প্ৰগতিশীল হৈ উঠিছিল। শইকীয়াৰ পিছৰ কালত ৭৩ আৰু ৭৪ সংশোধনীয়ে বিচৰাৰ দৰে সেই আইনখনৰ দিহাবোৰ কিমান সঠিকভাৱে কামত খটুওৱা হয় তাক সময়েহে লেখিব। কিন্তু অসমৰ জনসাধাৰণক ক্ষমতাশীল কৰি তুলিবলৈ শ্ৰীশইকীয়াই মৰণপণ কৰি আগবঢ়াই থৈ যোৱা বৰঙণী অসম পঞ্চায়তী ৰাজ অধিনিয়মতে ৰৈ যাব। মোৰ ধাৰণাত অসম কংগ্ৰেছ দলে শ্ৰীহিতেশ্বৰ শইকীয়া আৰু তেওঁৰ সদুপদেশকাৰী শ্ৰীৰাজীৱ গান্ধীৰ স্মৃতিক চিৰসেউজ কৰি ৰখাৰ আটাইতকৈ প্ৰশস্ত উপায়টো হ'ল সদা সতৰ্কতাৰে, প্ৰয়োজনানুসৰি আন্দোলনেৰে, অসম পঞ্চায়তীৰাজ আইনখন আখৰে আখৰে কামত খটুওৱা।

OKDISCD

আৰু বহুখিনি কাম কৰিবলৈ বাকী আছে। কোনেও তেওঁৰ জীৱন কালত কৰিম বুলি ভবা সকলো কাম শেষ কৰিব নোৱাৰে। আশী বছৰ বয়সত মহাত্মা গান্ধীয়ে ইহলীলা সামৰিছিল। ভাৰতবৰ্ষৰ স্বাধীনতা সত্বেও, তেওঁ ভাৰত মাতাৰ হকে কৰিম বুলি ভবা সকলো কাম কৰিব নোৱৰাৰ বাবে আক্ষেপ কৰিছিল। সেয়েহে গান্ধীজীতকৈ বহু কম আয়ুসেৰে নৰ নাট সামৰা শ্ৰীহিতেশ্বৰ শইকীয়াইও বহু কাম বাকী ৰ'ল বুলি অনুভৱ কৰিছিল বুলি ভবাত আচৰিত হ'বলগীয়া একো নাই।

বাস্তৱিকতে আমাৰ ভালেখিনি কৰিবলৈ আছে। যদিহে আমি কামখিনি সম্পন্ন কৰোঁ, তেন্তে নিঃসেন্দেহে তেওঁৰ সপোন ফলিয়াব। ইয়াৰ বাবেই তেওঁ সৰগৰ পৰা বাট চাই ৰৈ আছে।

তেওঁ যে আমাক এৰি থৈ যাব সেই কথা মই ভবাই নাছিলো। সেয়ে মই তেওঁৰ পৰা বিদায় মগা নাছিলো। তামিলনাডুত, এক অতি জটিল নিৰ্বাচনৰ মাজখনত মই, মোৰ সেই বিশেষ বন্ধুজন, সদায় হৃদয়ত আচুতীয়া সন্মানেৰে ৰখা সেই ভদ্ৰলোকজন, ৰাজনীতিত মোৰ বাবে আচহুৱা পথেৰে আগবাঢ়োতে বাট চিনাওঁতাজন হঠাৎ আমাৰ মাজৰ পৰা হেৰাই যোৱাৰ বাতৰিটো পাইছিলো। মই মোৰ শ্ৰদ্ধাঞ্জলি তেতিয়াই যাঁচিছিলো।

(স্বৰ্গীয় হিতেশ্বৰ শইকীয়াদেৱৰ প্ৰথম মৃত্যু বাৰ্ষিকীত শ্ৰীমণিশংকৰ আয়াৰে ইংৰাজীত আগবঢ়োৱা অভিভাষণৰ মুকলি ভাঙনী হিতেশ্বৰ শইকীয়া ফাউণ্ডেশ্যনৰ প্ৰকাশন আৰু প্ৰচাৰ শাখাই যুগুতাই উলিয়াইছে।)

★ ★ ★ ★ ★

*পৰিচিতি ঃ প্ৰাক্তন সাংসদ, বিশিষ্ট বুদ্ধিজীৱী শ্ৰীমণিশংকৰ আয়াৰ 'ইন্দিয়া টুদে' আলোচনীৰ নিয়মীয়া নিবন্ধকাৰ।*

## নিজৰ শক্তি আৰু দুৰ্বলতাৰ বিষয়ে হিতেশ্বৰ শইকীয়াৰ ধাৰণা

(১৯৮৫ চনৰ জানুৱাৰী মাহত - প্ৰথমবাৰৰ মুখ্যমন্ত্ৰিত্বৰ কালছোৱাত সাংবাদিক ৰেখা বক্সিয়ে গ্ৰহণ কৰা শইকীয়াৰ এটি সাক্ষাৎকাৰৰ পৰা উদ্ধৃত)

**প্ৰশ্ন ঃ** আপোনাৰ মতে আপোনাৰ অতি শক্তিশালী দিশটো কি?

**হিতেশ্বৰ শইকীয়া ঃ** ইচ্ছাকৃতভাৱে অপৰাধ বা প্ৰৱঞ্চনা কৰা ব্যক্তিৰ ক্ষেত্ৰত মই অতিশয় দৃঢ়তাৰে প্ৰয়োজনবোধে সাংঘাতিক কঠোৰ হ'ব পাৰো।

**প্ৰশ্ন ঃ** আপোনাৰ আটাইতকৈ দুৰ্বল দিশটো কি?

**হিতেশ্বৰ শইকীয়া ঃ** কোনো ভুল বা অপৰাধ কৰা ব্যক্তিয়ে যদি নিজৰ দোষ স্বীকাৰ কৰি মোৰ কাষলৈ আহি ক্ষমা প্ৰাৰ্থনা কৰে, মই তেওঁৰ প্ৰতি অতিশয় কোমল আৰু মৰমীয়াল হৈ পৰো। এইটো মোৰ অতিশয় দুৰ্বল দিশ বুলি মই ভাবো।

উৎস ঃ *Taming the Tempest*
*By, Rekha Bakshi*

# কৰ্মশ্ৰী শইকীয়াদেৱৰ স্মৃতিচাৰণ

- শ্ৰীসতীশ চন্দ্ৰ শৰ্মা

কিছুমান লোকৰ সান্নিধ্যই মনত মচিব নোৱৰা চিন ৰাখি থৈ যায়। প্ৰায় ৮৫ বছৰীয়া জীৱনকালত আৰু বিশেষকৈ ১৯৩০ চনৰ পিছৰ পৰা মোৰ ৰাজনৈতিক জীৱনকালত বহুতো ৰাজনৈতিক নেতাক দেখিছো আৰু বহুতৰে সান্নিধ্যলৈ আহিছো। কিন্তু স্বৰ্গীয় হিতেশ্বৰ শইকীয়াদেৱৰ নিচিনা মানুহক মুহিব পৰা ব্যক্তিত্ব খুব কমেই লগ পাইছো। তেওঁ আছিল এক বিশাল হৃদয়ৰ লোক আৰু তেওঁৰ অন্তৰখন আছিল অতি কোমল। তেওঁ অতি সাধাৰণ লোকৰ দুখ-বেদনাৰ সমব্যাথী হোৱাৰ আৰু বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়োৱা বহুতো উদাহৰণ আমি ব্যক্তিগতভাৱে জানো। অতি সাধাৰণ অৱস্থাৰ পৰা কষ্ট কৰি ডাঙৰ-দীঘল হোৱা বাবেই বোধহয় তেওঁ এই গুণৰ অধিকাৰী হৈছিল।

গোটেই অসমৰ সমাজ জীৱন পুংখানুপুংখভাৱে জনা ৰাজনৈতিক নেতা মই মোৰ জীৱনত এতিয়ালৈকে দুজনকে লগ পাইছো। তাৰে এজন হ'ল মোৰ অগ্ৰজ প্ৰতিম আৰু ৰাজনৈতিক জীৱনৰ উপদেষ্টা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু পঞ্জাৱৰ ৰাজ্যপাল স্বৰ্গীয় মহেন্দ্ৰমোহন চৌধুৰী আৰু আনজন হ'ল স্বৰ্গীয় হিতেশ্বৰ শইকীয়াদেৱ। ইতিহাস বিজ্ঞানৰ ছাত্ৰ হোৱা বাবেই নেকি তেওঁ অসমৰ প্ৰতিটো জনগোষ্ঠীৰে আবেগ-আকাংক্ষা আৰু অনুভূতিসমূহ সম্যকভাৱে উপলব্ধি কৰিবলৈ সক্ষম হৈছিল। বিশেষকৈ অসমৰ ধৰ্মীয় সংখ্যালঘুসকলৰ তেওঁ আছিল অতি প্ৰিয় নেতা।

শইকীয়াদেৱৰ আৰু এটা বিশেষ গুণ আছিল সকলোৰে প্ৰতি সমদৃষ্টি। আজিৰ চামৰ বহুতো ৰাজনৈতিক নেতা সেই গুণৰ পৰা বঞ্চিত। সেয়েহে তেওঁলোক কোনো এক বিশেষ অঞ্চলৰ নাইবা কোনো এক বিশেষ সম্প্ৰদায়ৰ নেতা বুলিহে জনমানসত প্ৰতিষ্ঠিত। অথচ শইকীয়াৰ বিৰুদ্ধে তেওঁৰ চৰমতম শত্ৰুৱেও এই দোষাৰোপ কৰিব নোৱাৰে। আজিৰ অসমৰ ৰাজনৈতিক বাতাবৰণ, বাস্তৱ জনৱিন্যাস, বাৰেবৰণীয়া সংস্কৃতি ইত্যাদিৰ পৰিপ্ৰেক্ষিতত সকলো সম্প্ৰদায়ৰ গ্ৰহণযোগ্য ৰাজনৈতিক নেতা নহ'লে আমাৰ এই নানা সমস্যা জৰ্জৰিত ৰাজ্যখন শাসন কৰাতো যে কিমান জটিল এই কথা সুস্থভাৱে চিন্তা কৰিব পৰা সকলো মানুহৰে বোধগম্য। বিদেশী বিতাড়ণ আন্দোলনৰ জখলাৰে ওপৰলৈ উঠি আহি ৰাজ্যৰ শাসনৰ গাদীত বহা আজিৰ চাম নেতাক আজিও অসমৰ সম্প্ৰদায় বিশেষৰ নেতা হিচাপে অন্ততঃ অসমত বসবাস কৰা অন্যান্য জনসম্প্ৰদায়ৰ লোকে ভাবে। সেয়েহে এতিয়াও এওঁলোকে এওঁলোকৰ দলৰ গণভিত্তি প্ৰশস্ত কৰিবলৈ সক্ষম হোৱা নাই। আজিৰ চাম নেতাই শইকীয়াদেৱৰ এই বিশেষ গুণটো অনুধাৱন কৰা উচিত।

স্বৰ্গীয় শইকীয়াদেৱৰ আন আন গুণৰ লগতে এটা অসাধাৰণ গুণ আছিল যিকোনো পৰিস্থিতিৰ মুখামুখি হৈ তৎক্ষণাৎ সঠিক সিদ্ধান্ত ল'ব পৰাটো। তেওঁ তলে তলে আছিল ভীষণ জেদী আৰু আকোৰগোজ। কোনো এটা কাম কৰো বুলি হাতত ল'লে তেওঁ তাক নকৰাকৈ নেৰিছিল। বিদেশী বিতাড়ণ আন্দোলনৰ সময়ত বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ তিনিজন অধ্যাপকে আন্দোনলত যোগ নিদিয়া বাবে ছাত্ৰৰ হেচাত পৰি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই তিনি বছৰলৈকে দৰমহা বন্ধ কৰি ৰাখিছিল। ছাত্ৰসকলে তেওঁলোকক সামাজিকভাৱে বৰ্জন কৰিছিল আৰু তেওঁলোকক বহিস্কাৰৰ দাবী কৰিছিল। আনকি সচিবালয় আৰু ডি পি আই অফিচৰ একাংশ বিষয়া-কেৰাণীও তেওঁলোকৰ বিৰুদ্ধে আছিল। সেই সময়তে স্বৰ্গীয় শইকীয়াদেৱে ক্ষমতালৈ আহে। তেওঁ কথাটো জানি শিক্ষা সচিবৰ হতুৱাই তেওঁলোকক দৰমহা দিয়াৰ নিৰ্দেশ জাৰি কৰোৱায়। কিন্তু সিমানতো কলেজ কৰ্তৃপক্ষই দৰমহা দিবলৈ ৰাজী নোহোৱাত কলেজৰ পৰিচালনা সমিতি পৰ্যন্ত ভঙ্গ কৰি দি উক্ত অধ্যাপক কেইজনক দৰমহা দিয়াৰ ব্যৱস্থা কৰে।

তেখেতৰ আন এটা গুণ আছিল উদাৰতা। তেখেতে সকলোকে সমান দৃষ্টিৰে চাব পাৰিছিল। তেখেতে কেতিয়াও ৰাজনৈতিক বিৰোধিতাক ব্যক্তিগত শত্ৰুতাৰ পৰ্যায়লৈ নিনিছিল। কংগ্ৰেছ বিৰোধী বহুতো ৰাজনৈতিক নেতা, এম এল এ ইত্যাদিৰ ব্যক্তিগত আপদ-বিপদৰ সময়ত তেখেতে তেওঁলোকৰ পিছত থিয় হৈছিল আৰু সাহায্যৰ উদাৰ হাত আগবঢ়াইছিল। এনেকুৱা উদাহৰণ বহুতো আছে।

স্বৰ্গীয় শইকীয়াদেৱ আমাৰ মাজত আজি নাই। সেয়েহে তেখেতৰ কৰ্মৰাজি আৰু আদৰ্শ, বস্তুনিষ্ঠভাৱে বিচাৰ কৰাৰ কাৰণে এয়েই

OKDISCD

উপযুক্ত সময়। বেছিভাগ বাতৰি কাকতেই তেখেতক শান্তিৰে কাম কৰিব দিয়া নাছিল। তেখেতৰ বিষয়ে হকে-বিহকে নানা কথা খুচৰাই আছিল·কিছুমান বাতৰি কাগজৰ কাম। আনকি তেখেতৰ বিৰুদ্ধে অপবাদ এটা সময়ত এই বাতৰি কাগজবোৰৰ আছিল নিত্তনৈমিত্তিক ঘটনা। তেখেতক গণশত্ৰু, নৰহন্তা, বিশ্বাসঘাটক, অসমীয়া জাতিৰ শত্ৰু ইত্যাদি নানা অপবাদ দিয়া হৈছিল। কিন্তু তেখেত সঁচাকৈয়ে অসমীয়া জাতিৰ শত্ৰু আছিলনে?

বিদেশী খেদা আন্দোলন আৰম্ভ হোৱাৰ পৰা তেখেতৰ মৃত্যুৰ সময়লৈকে তেখেতে নিৰবচ্ছিন্নভাৱে শান্তিৰ কাৰণে কাম কৰি গৈছিল। কাৰণ তেখেতে এই কথা ভালদৰে উপলব্ধি কৰিছিল যে শান্তি অবিহনে অসমৰ প্ৰগতি সম্ভৱ নহয়। তেখেতৰ কঠোৰ শ্ৰম আৰু অধ্যৱসায়ৰ কাৰণেই আলফাৰ একাংশ কৰ্মী অস্ত্ৰ সম্বৰণ কৰিবলৈ আৰু শান্তিৰ পথ গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত হৈছিল। আলফা-ছালফাৰ বিভাজন লৈ পিছত বাতৰি কাকতত সৰৱ আলোচনা হৈছিল আৰু এই লৈ স্বৰ্গীয় শইকীয়া ডাঙৰীয়া সমালোচিত হৈছিল। ছালফা নামেৰে পৰিচিত কিছু যুৱকে পিছত দুই-এটা দুস্কাৰ্যতো লিপ্ত হৈছিল এইটো ঠিক। কিন্তু এই বিভাজনে আলফাৰ শক্তি বহু পৰিমাণে যে দুৰ্বল কৰিছিল তাত কোনো সন্দেহ নাই। এইটোও সঁচা যে আলফাৰ বিদ্ৰোহ দমন কৰাৰ কাৰণে তেখেতে সামৰিক শক্তিৰ দ্বাৰা বল প্ৰয়োগ কৰিবলগীয়া হৈছিল আৰু বহুতো অসমীয়া ডেকা ল'ৰাৰ - মিলিটাৰীৰ গুলীত প্ৰাণ নষ্ট হৈছিল। কিন্তু এয়া আছিল এক এৰাব নোৱৰা কৰ্তব্য। চৰকাৰৰ প্ৰাথমিক দায়িত্বই হ'ল দেশৰ জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ ৰক্ষণাবেক্ষণ প্ৰদান কৰা। যেতিয়া আলফাই অবাধে নিৰপৰাধী মানুহক হত্যা কৰিবলৈ আৰম্ভ কৰিবলৈ ধৰিলে, লুট-পাত আৰু অপহৰণ চলালে কঠোৰ ব্যৱস্থা লোৱাত বাহিৰে স্বৰ্গীয় শইকীয়া চৰকাৰৰ কোনো বিকল্প নাছিল। স্বৰ্গীয় শইকীয়া চৰকাৰৰ দিনত মিলিটাৰী দমনৰ বিৰুদ্ধে অতি সোচ্চাৰ হৈ উঠা বৰ্তমানৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়ায়ো শান্তিৰ হকে সেই একে কামকে কৰিবলগীয়া হৈছে। তেঁৱো শান্তি প্ৰতিষ্ঠাৰ বাবে মিলিটাৰী মোতায়েম কৰিছে। বৰং আজি আলফাৰ সমস্যাটো স্বৰ্গীয় শইকীয়াৰ দিনতকৈ কেবাগুণে বৃদ্ধি পাইছে আৰু প্ৰতিদিনে মিলিটাৰীৰ গুলীত আলফাৰ যুৱক মৃত্যু মুখত পৰিবলগীয়া হৈছে। অথচ মহন্ত ডাঙৰীয়াই ক্ষমতা পালে শান্তি প্ৰতিষ্ঠা কৰিব বুলি শপত খাইছিল।

আমাৰ বোধমতে আলফা সমস্যা সমাধানৰ ক্ষেত্ৰত স্বৰ্গীয় শইকীয়াদেৱে লোৱা পদক্ষেপ সঠিক আছিল আৰু তেখেত থকা হ'লে ইমান দিনে হয়তো এই সমস্যাৰ সমাধান হ'লহেঁতেন। তেখেতে তেখেতৰ শাসন কালত আলফাৰ নেতাসকলৰ লগত যোগাযোগ কৰাৰ কাৰণে বিভিন্ন চেষ্টা কৰিছিল। আনকি শান্তি প্ৰতিষ্ঠাৰ কাৰণে আলফাৰ ধৃত নেতাকো তেওঁ মুক্ত কৰি দিছিল যদিও তেওঁলোকে বিশ্বাস ভঙ্গ কৰি পুনৰ under ground হৈছিল। এয়া জানো তেখেতৰ মহত্ব আৰু উদাৰতাৰ পৰিচায়ক নহয়? বিভিন্ন কাৰণত আজি আলফাৰ সমস্যা সমাধান হোৱা নাই। উত্তৰ-পূব ভাৰতৰ প্ৰতি থকা কেন্দ্ৰৰ অৱহেলা অসমৰ পশ্চাৎপদতা, ব্যাপক নিবনুৱা সমস্যা, আন্তৰ্জাতিক অৱস্থা, শত্ৰুৰ দেশৰ সাহায্য ইত্যাদি বিভিন্ন কাৰণে অকল অসমেই নহয় উত্তৰ-পূব ভাৰতৰ আটাইবোৰ ৰাজ্যই আজি বিচ্ছিন্নতাবাদৰ প্ৰবল গৰাহত। স্বৰ্গীয় শইকীয়াদেৱে যে এই সমস্যা সমাধান কৰাৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰিছিল তাত কোনো সন্দেহ নাই। আলফাত বাহিৰেও বড়ো উগ্ৰপন্থীসকলৰো এটা অংশক তেওঁ শান্তিৰ পথলৈকে ঘূৰাই আনিছিল আৰু বড়ো চুক্তি সম্পাদনত আগভাগ লৈছিল।

অসমৰ বিভিন্ন জাতি জনজাতিৰ মাজত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ কাৰণেও তেখেতে নিৰলস সংগ্ৰাম চলাইছিল। জনজাতীয় লোকসকলৰ মাজতো উন্নয়নৰ স্বাভাৱিক প্ৰক্ৰিয়াৰ ফলস্বৰূপেই এটা মধ্যবিত্ত শ্ৰেণী তৈয়াৰ হৈছিল আৰু এই মধ্যবিত্ত শ্ৰেণীটোৱে জাতীয় সত্বা আৰু জাতীয় পৰিচিতিৰ কাৰণে সচেষ্ট হৈছিল। জনজাতীয়সকলৰ এই জাগৰণ এটা ঐতিহাসিক প্ৰক্ৰিয়া। ইয়াক দমন কৰিব নোৱাৰি। গতিকে এওঁলোকক স্বায়ত্ব শাসনৰ সুবিধা দিয়া প্ৰয়োজন। লগতে স্বায়ত্ত শাসন প্ৰদানৰ মাজেদি যাতে অসমৰ ঐক্য থানবান নহয় তাৰ প্ৰতিও দৃষ্টি ৰখা দৰ্কাৰ। এই আটাইবোৰ কথা স্বৰ্গীয় শইকীয়াদেৱে তেখেতৰ গভীৰ অন্তৰ্দৃষ্টিৰে উপলব্ধি কৰিছিল আৰু অকল বড়োসকলৰ স্বায়ত্ত শাসনেই নহয়, মিচিং, কাৰ্বি, ৰাভা ইত্যাদি জনজাতিসকলকো স্বায়ত্ত শাসন দিয়াৰ ব্যৱস্থা কৰিছিল।

স্বৰ্গীয় শইকীয়াদেৱৰ দৰে কৰ্মপ্ৰাণ ব্যক্তি এজনৰ বহুধাবিস্তৃত কৰ্মজীৱনৰ বিষয়ে বাতৰি কাকতৰ দুপাত বা তিনিপাততে লিখি শেষ কৰিব নোৱাৰি। বেলেগৰ বৃক্কৰে চলা আৰু শাৰীৰিকভাৱে দুৰ্বল হ'লেও তেখেতে দিনটোৰ ভিতৰত মাত্ৰ দুই ঘণ্টাহে শুইছিল। খোৱা-লোৱাও আছিল অতি সামান্য। বিপুল কৰ্মোদ্যম আৰু দেশ আৰু জাতিৰ প্ৰতি গভীৰ ভালপোৱা নাথাকিলে এই কাম কেতিয়াও সম্ভৱ

OKDISCD

নহয়। বিভিন্ন কাম-কাজৰ মাজতো অসমৰ ইমূৰৰ পৰা সিমূৰলৈ তেখেতে দৌৰি ফুৰিছিল, মেল-মিটিং কৰিছিল আৰু মানুহৰ সমস্যাৰ বুজ লৈছিল। অসমৰ আৰ্থ-সামাজিক এনেকুৱা এটা কেন্দ্ৰ নাই য'ত স্বৰ্গীয় শইকীয়াদেৱৰ সাহায্যৰ হাতৰ পৰশ পৰা নাই।

আৰু এটা বিষয় কৈয়ে মোৰ লিখনিৰ সামৰণি মাৰিব বিচাৰিছো। বৰ্তমান প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বৰ প্ৰতি যিমান বাদ-বিসম্বাদৰ সৃষ্টি হৈছে স্বৰ্গীয় শইকীয়াদেৱৰ নেতৃত্বৰ প্ৰতি কোনো দিনেই তেনেকুৱা বাদ-বিসম্বাদৰ সৃষ্টি হোৱা নাছিল। অগপৰ ভিতৰতে আজি তিনিটা উপদল দেখা গৈছে — এটা বহিস্কৃত নেতা ভৃগু কুমাৰ ফুকনৰ, দ্বিতীয়টো অতুল বৰাৰ আৰু তৃতীয়টো প্ৰফুল্ল মহন্তৰ। এই দ্বন্দ্বসমূহ নীতিগত কাৰণত হোৱা হ'লে কথা নাছিল — এই আটাইবোৰ হৈছে ব্যক্তিগত খোৱা-কামোৰা, অহংবোধ আৰু উপদলীয় অৰিয়াঅৰিৰ ফলত। কিন্তু স্বৰ্গীয় শইকীয়া আছিল তেওঁৰ দলৰ অবিসম্বাদী নেতা। তেওঁৰ দিনত উপদলীয় কন্দলে কোনো দিনেই মূৰ দাঙি উঠানাছিল।নেতৃত্বৰ গাত থাকিবলগীয়া গুণসমূহ যেনে উদাৰতা, সমদৃষ্টি, জনসাধাৰণৰ লগত একাত্মতা ইত্যাদি তেওঁৰ গাত থকা বাবেই এই কথা সম্ভৱ হৈছিল। আজিৰ ডেকাচামে ৰাজনৈতিক ৰঙীন চশমা চকুৰ পৰা আঁতৰাই স্বৰ্গীয় শইকীয়াদেৱৰ জীৱনী আৰু কৰ্মৰাজি নিৰ্মোহভাৱে অধ্যয়ন কৰিলেই তেওঁৰ প্ৰতি থকা খঙ আৰু বিদ্বেষৰ ভাব আঁতৰ হ'ব বুলি মোৰ ধাৰণা। তেখেতৰ আদৰ্শ আৰু কৰ্মৰাজি যুগমীয়া হওঁক।

★ ★ ★ ★ ★

*পৰিচিতি ঃ লেখক শ্ৰীশৰ্মা এগৰাকী প্ৰবীণ মুক্তিযোদ্ধা।*

## মৃত্যু সম্পৰ্কে হিতেশ্বৰ শইকীয়াৰ ধাৰণা

(১৯৮৫ চনৰ জানুৱাৰী মাহত - প্ৰথমবাৰৰ মুখ্যমন্ত্ৰিত্বৰ কালছোৱাত হিতেশ্বৰ শইকীয়াৰ এটি সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল - সাংবাদিক ৰেখা বক্সিয়ে। তাৰেই কিছু অংশৰ অসমীয়া অনুবাদ উদ্ধৃত কৰি দিয়া হ'ল)

**প্ৰশ্ন ঃ** আপোনাৰ শাৰীৰিক অসুস্থতাৰ সময়ত কোনোমতে মৃত্যুৰ দুৱাৰদলিৰ পৰা ঘূৰি আহিল। ইতিমধ্যে আপোনাৰ প্ৰাণ নাশৰ বাবে চলোৱা দুটা প্ৰচেষ্টাৰ পৰা আপুনি দৈৱক্ৰমে ৰক্ষা পৰিছে। মৃত্যু সম্পৰ্কে আপোনাৰ ধাৰণা কি?

**হিতেশ্বৰ শইকীয়া ঃ** মই মৃত্যুক এক অপৰিহাৰ্য বিষয় বুলিয়েই ভাবো। জীৱন আৰু মৃত্যুৰ নিৰ্ণায়ক হ'ল - ভগবান। মোৰ আয়ুসকাল সম্পৰ্কেও ভগবানেই সিদ্ধান্ত ল'ব। ১৯৮০ চনত মই যে বৃক্কৰ অসুখৰ পৰা আৰোগ্য লাভ কৰিম - কোনেও ভবা নাছিল। বহুতেই ভাবে - মোৰ দৰে ভগ্ন স্বাস্থ্যৰ লোকে পৰিশ্ৰম কৰিব নোৱাৰে। মই আৰু মাত্ৰ কেইটামান বছৰহে জীয়াই থাকিব পাৰিম বুলি জানো। তথাপিও এই বিষয়ে মই চিন্তা নকৰো। মই ইন্দিৰা গান্ধীৰ জীৱনী পঢ়িছো। তেখেত শাৰীৰিকভাৱে ইমানেই দুৰ্বল আছিল যে - চিকিৎসকসকলে তেখেতক বিয়া নাপাতিবলৈ পৰামৰ্শ দিছিল। কিন্তু মানসিকভাৱে শক্তিশালী শ্ৰীমতী গান্ধীয়ে সেই হকা বাধা নামানি এই শতিকাৰ এগৰাকী উল্লেখযোগ্য ব্যক্তিৰূপে তেখেতৰ কৰ্মদক্ষতা প্ৰমাণ কৰিলে। মৃত্যু সম্পৰ্কে কোনেও ভৱিষ্যৎবাণী কৰিব নোৱাৰে। মোৰ প্ৰাণ নাশৰ বাবে চলোৱা প্ৰচেষ্টাবোৰক লৈ সেয়েহে মই শংকিত হোৱা নাই। সেইবোৰলৈ কেৰেপ নকৰি মই ভবা মতে মোৰ কাম মই কৰি যামেই।

*(উৎস -Taming the Tempest . By - Rekha Bakshi)*



প্ৰথমবাৰ মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰিছে



১৯৮৩ ত ইন্দিৰা গান্ধীৰ সৈতে আক্ৰান্তসকলৰ বেদনাৰ বুজ লৈছে

OKDISCD

# লোকদৃষ্টিত হিতেশ্বৰ শইকীয়া

- ডঃ শৰৎ কুমাৰ ফুকন

প্ৰয়াত হিতেশ্বৰ শইকীয়া মানুহজন, শিক্ষকজন, সমাজ সেৱকজন আৰু ৰাজনৈতিক ব্যক্তিজন অসমৰ সামাজিক তথা ৰাজনৈতিক ক্ষেত্ৰত প্ৰায় '৬০ৰ দশকৰ পৰা মৃত্যুৰ সময়লৈকে ওতঃপ্ৰোতভাৱে জড়িত আছিল। এচাম তথাকথিত বুদ্ধিজীৱী, বাৰ্তাজীৱী তথা সমালোচকে প্ৰয়াত শইকীয়াক গণশত্ৰু, great divider, স্বৰ্গদেউ আদি নানা বিশেষণেৰে বিভূষিত কৰিছিল। এক সত্যনিষ্ঠ, নিৰ্মোহ পৰ্যালোচনা কৰিলে এই বিশেষণবোৰৰ লগত শইকীয়াৰ জীৱন দৰ্শন সামঞ্জস্য দেখা নাযায়। যথাৰ্থতে, শ্ৰদ্ধেয় শইকীয়া এক নিম্ন-মধ্যবিত্ত পৰিয়ালত জন্ম হোৱা সাধাৰণ শ্ৰেণীৰ মানুহৰ প্ৰতি দৰদী তেজ-মঙহৰ ব্যক্তি আছিল। তেওঁ ৰাজনৈতিক জীৱনত ভূমুকি মৰাৰ পূৰ্বেই পুৰণি অসমখনৰ জনজাতীয় গোষ্ঠীসমূহৰ মাজত ভীতি-শংকাৰ সৃষ্টি হৈছিল আৰু তেওঁবিলাকে তথাকথিত অসমৰ মূল সুঁতিৰ পৰা নিজাকৈ এক সুঁতি সৃষ্টি কৰি আঁতৰি গৈছিল নতুবা আঁতৰি যোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। উদাহৰণ স্বৰূপে নাগালেণ্ড, মেঘালয়, অৰুণাচল, মিজোৰামৰ সুকীয়া ৰাজনৈতিক গোট সৃষ্টি হোৱাৰ কথা উল্লেখ কৰিব পাৰি। ১৯৭২ চনত যি ৰাজ্যিক কংগ্ৰেছৰ নেতৃত্বৰ সলনি হৈছিল, তাৰ পৰৱৰ্তী অসমত সৃষ্টি হোৱা আইন-শৃংখলাৰ পৰিস্থিতি হঠাতেই পৰিৱৰ্তন ঘটিছিল। এক নিৰপেক্ষ বিচাৰকৰ দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে এই কথা জলজল পটপটকৈ প্ৰতীয়মান হয় যে শ্ৰদ্ধেয় শ্ৰীযুত শৰৎ চন্দ্ৰ সিংহ, সহযোগী প্ৰয়াত হৰেন্দ্ৰ নাথ তালুকদাৰ, শ্ৰীবিষ্ণুপ্ৰসাদ আৰু প্ৰয়াত শইকীয়াৰ কংগ্ৰেছী নেতৃত্ব সেই সময়ৰ সুবিধাভোগী বহু বুদ্ধিজীৱী, সাংবাদিক, শিক্ষাবিদ, সমাজ সেৱকৰ বাবে চকুৰ কুটা, দাঁতৰ শূল হৈছিল। এই নৱ নেতৃত্বৰ প্ৰতি কংগ্ৰেছৰ ভিতৰ চ'ৰাৰ এচাম ব্যক্তিয়েও বিৰোধিতা কৰিছিল। ধৰ্মীয় সংখ্যালঘু, অনুসূচীত জাতি-জনজাতি, অন্যান্য পিছপৰা জাতি, হিন্দু বঙালীৰ শতকৰা ৯৫ ভাগ সুবিধাভোগীয়ে গণ মাধ্যম, বাতৰি কাকত, সভা-সমিতি, ভিতৰুৱা মেল আদিৰে নতুন চৰকাৰখনক কিদৰে বিপাঙত পেলাব পাৰি তাৰ অহৰহ প্ৰচেষ্টা চলাই থাকিল। সেয়ে হ'লেও শ্ৰদ্ধেয় সাংবাদিক তথা সাহিত্যিক শ্ৰীহোমেন বৰগোঁহাঞিদেৱৰ সম্পাদনাত প্ৰকাশিত তেতিয়াৰ নীলাচলত মুখ্যমন্ত্ৰী সিংহ ডাঙৰীয়াৰ নেতৃত্বত আৰু তেওঁ লোৱা ইতিবাচক ভূমিকাক ভূয়সী প্ৰশংসা কৰিছিল। সিংহ ডাঙৰীয়াৰ নেতৃত্বত জনজাতীয় অনুসূচীত, অন্যান্য পিছপৰা শ্ৰেণী, ধৰ্মীয় সংখ্যালঘুসকল আৰু চাহ বাগিচাৰ বনুৱাসকলৰ জীৱন-জীৱিকাৰ উন্নীতকৰণৰ প্ৰক্ৰিয়াত উপৰোক্ত চাম ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে নানা কূট-কৌশলৰে পশ্চাদপসৰণ ঘটাবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। এয়া উত্তৰ আধুনিক কালৰ অসমৰ কলংকিত অধ্যায়। মুখত নিম্ন সৰ্বহাৰা, পিছপৰা শ্ৰেণীৰ মংগলামংগলৰ কথা কৈ পিছ দুৱাৰেদি 'ছিপৰাং' মৰা এই চাম বুদ্ধিজীৱী, সাহিত্যিক, সাংবাদিক, ৰাজনৈতিক ব্যক্তিক নতুন প্ৰজন্মই ঐতিহাসিকভাৱে বিচাৰ কৰিবই লাগিব। ইয়াৰ অন্যথাই ইঙ্গিত বৰ অসমখন খণ্ডিত হ'বলৈ বাধ্য। এই প্ৰসঙ্গতে শ্ৰদ্ধেয় শইকীয়া ডাঙৰীয়াৰ ৰাজনৈতিক ব্যুৎপত্তি আৰু statemanshipৰ বিশ্লেষণ কৰি ১৯৭২ চনত শ্ৰদ্ধেয় বৰগোঁহাঞি ডাঙৰীয়াই নীলাচল কাকতত তদানীন্তন বিশ্ব ব্যাপি তোলপাৰ লগোৱা আমেৰিকাৰ বৈদেশিক সচিব হেন্‌ৰী কিছিঞ্জাৰৰ লগত তুলনা কৰি 'অসমৰ কিছিঞ্জাৰ' বুলিছিল। ১৯৭১ চনৰ ভাৰত-পাক সংঘৰ্ষ, বাংলাদেশৰ জন্ম, আৰু শৰণাৰ্থীৰ সমস্যা, ৰাজ্যখনৰ উপৰ্যুপৰি বানপানীৰ সমস্যাকে ধৰি এশএবুৰি সমস্যা জৰ্জৰিত অসমত নেতৃত্ব দিয়াৰ কঠিন ভূমিকা পালনৰ সময়তেই নতুন নতুন সমস্যা থিয় কৰি দিয়া হ'ল। উদাহৰণ স্বৰূপে, ছাত্ৰসকলক অসমীয়া ভাষাৰ মাধ্যম আন্দোলনৰ লগত চামিল কৰি সমগ্ৰ অসম, অসমবাসী ৰাইজৰ মাজত উত্তালৰ সৃষ্টি কৰা হ'ল। প্ৰায় বছৰজোৰা আন্দোলন হ'ল, কেইবাগৰাকী যুৱ-ছাত্ৰ হিংসাৰ বলি হ'ল। ভাষাটোৰ ক্ষেত্ৰত, পাঠ্যপুথিৰ ক্ষেত্ৰত পূৰ্ণ পৰ্যায়ৰ বিন্যাস নঘটোৱাকৈ অসমীয়া ভাষাক মাধ্যম হিচাপে লৈ তৰানৰাকৈ এক নতুন পাঠ্যক্ৰম সৃষ্টি কৰিবলৈ বাধ্য কৰা হ'ল। ইয়াৰ পৰৱৰ্তী ইতিহাস আজিৰখন অসমৰ প্ৰতিজন সচেতন আৰু নিৰপেক্ষ ব্যক্তিৰ বোধশক্তিৰ ভিতৰত। যিচাম ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানে এই কামফেৰা সমাপন কৰাত অগ্ৰণী ভূমিকা লৈছিল, সেইচাম ব্যক্তিয়েই পৰৱৰ্তী কালত কেৱল অসমীয়া ভাষাৰ মাধ্যমে নতুন প্ৰজন্মৰ বাবে কি বিহগুটি দি গ'ল বাটে-পথে, নগৰে-চহৰে, বাছে-মটৰে, আকাশী যানেৰে যাত্ৰা কৰোঁতে সমালোচনাত আগভাগ লোৱা দেখা গ'ল। ইয়াৰ উপৰিও পিছপৰা জনজাতীয় সমাজখনৰ মাজতো একেই চাম বুদ্ধিজীৱীয়ে ৰোমান লিপিৰ লেখীয়া দাবী উত্থাপন কৰি নতুন চৰকাৰখনক ব্যতিব্যস্ত কৰিবলৈ ব্যৱস্থা কৰিলে। আইনতঃ প্ৰতিষ্ঠিত এখন চৰকাৰে সমাজত

ৰাষ্ট্ৰ ক্ষমতাৰ প্ৰদৰ্শন কৰাতো এক স্বাভাৱিক কথা। এই প্ৰক্ৰিয়াবিলাকক ৰোধ কৰিবলৈ ৰাষ্ট্ৰীয় শক্তি বা ৰাষ্ট্ৰীয় ক্ষমতা সদা সতৰ্ক। সেইবাবেই ৰাষ্ট্ৰক necessary evil বুলি কোৱা হয়। এই সন্দৰ্ভত পৃথিৱীৰ আগশাৰীৰ চিন্তাবিদ জন লৰ্কৰ বক্তব্য প্ৰণিধানযোগ্য। সেয়া হৈছে "যদি সকলো মানুহ যুক্তি সংগতভাৱে আত্মকেন্দ্ৰিক বা স্বাৰ্থপৰ হয়, আৰু আনৰ অধিকাৰক সন্মান কৰিবলৈ সক্ষম হয়, তেতিয়া বোধকৰো ৰাষ্ট্ৰৰ প্ৰয়োজন নহ'লহেঁতেন।" শইকীয়া ডাঙৰীয়াই ৰাজ্যিক গৃহমন্ত্ৰী হিচাপে এক নিৰ্দিষ্ট ভূমিকা পালন কৰি গৈছিল। তেওঁ অতিমানৱ বা মহামানৱ নাছিল - তথাপি এজন তেজ-মঙহৰে মানুহ আছিল। সেয়ে ভুল-ক্ৰুটি হোৱাতো স্বাভাৱিক। তথাকথিত বুদ্ধিজীৱীসকলৰ বিচাৰ-বিবেচনাৰে সেই সময়ৰ অসম মেডিকেল কলেজৰ পৰা নিৰাপত্তাহীনতা অনুভৱ কৰি কলিকতাত বাহৰ পাতিব লগা ছাত্ৰসকলক নিৰাপত্তা দি নিজে লৈ অহাতো শইকীয়াৰ অসম-বিদ্বেষী কাৰ্য, মাধ্যম আন্দোলনত পাঠ্যপুথিৰ ব্যৱস্থা নকৰাকৈ এটা ভাষাৰ মাধ্যম জাপি দিয়াৰ কাৰ্যক সমালোচনা কৰিলেই অসমৰ শত্ৰু ইত্যাদি ইত্যাদি। শ্ৰদ্ধেয় শইকীয়াৰ ক্ৰুটি-বিচ্যুতিৰ যদি বিচাৰ হ'ব লাগে, তেনেহ'লে সেইচাম বুদ্ধিজীৱীৰো বিচাৰ হোৱা প্ৰয়োজন। জৰুৰীকালীন অৱস্থাৰ কিছু আইন-শৃংখলা জড়িত সিদ্ধান্তক সেই একেই চাম ব্যক্তিয়ে সমালোচনাৰে ব্যক্তিগত আক্ৰোশলৈ লৈ গৈছিল। জৰুৰীকালীন অৱস্থাৰ নেতিবাচক দিশসমূহৰ যিদৰে সমালোচনা কৰা হৈছিল, ঠিক তাতোকৈ বহুগুণ অধিক আজিৰখন অসমৰ ব্যক্তি স্বাধীনতাৰ, জীৱন-জীৱিকাৰ যি স্খলন ঘটিছে, ইয়াক লৈ এওঁবিলাক চিন্তিত বা বিঘ্নিত নহয়। শইকীয়া-সিংহৰ সমালোচনামুখৰ এইচাম বুদ্ধিজীৱীয়ে আজিৰখন অসম সৃষ্টি কৰি, অৰ্থাৎ অসমক বধ্যভূমিলৈ পৰিবৰ্ধিত কৰি শীত-তাপ নিয়ন্ত্ৰিত কোঠালিত জীৱন অন্বেষণত ব্যস্ত। এওঁবিলাকে বাতৰি কাকত গণ মাধ্যমত সমালোচনা কৰিও ৰাতিৰ আন্ধাৰত ব্যক্তিগত লাভালাভৰ হেতু যেনে - পুত্ৰৰ চাকৰি, বোৱাৰীৰ চাকৰি, ভাইটোৰ ভাল ঠাইত (?) নিযুক্তি, কাঠৰ পাৰ্মিট, নিউজ প্ৰিণ্টৰ সুবিধা, চৰকাৰী বঁটা, ল'ৰা-ছোৱালীলৈ বিদেশৰ বৃত্তিকে ধৰি নানান সুবিধাৰ বাবে পিছ দুৱাৰেদি যোগাযোগ ৰাখি চলিছিল। আনহে নালাগে দুই-এগৰাকী ব্যক্তিয়ে আৰ্থিক সা-সুবিধা আদায় কৰিবলৈও সমৰ্থ হৈছিল। অৱশ্যে সেই ব্যৱস্থা বা অৱস্থাসমূহ আজিও ব্যাহত হৈ যোৱা নাই। পৰৱৰ্তী কালত শইকীয়া ডাঙৰীয়াই গৃহ বিভাগৰ পৰা শিক্ষা বিভাগৰ দায়িত্ব গ্ৰহণ কৰিছিল। সিংহ মন্ত্ৰীসভাৰো পতন ঘটিছিল। শ্ৰদ্ধেয় বৰবৰা ডাঙৰীয়া মুখ্যমন্ত্ৰী হৈ থকা কালতেই নতুনখন অসমৰ সৃষ্টি হোৱা ৰাজনৈতিক ঘটনা প্ৰবাহৰ উন্মেষ ঘটিছিল। এচাম নতুন চলাহী বুদ্ধিজীৱীৰ প্ৰৰোচনাত এক অন্তহীন সমস্যাৰ পটভূমিত এক ক্ষমতা হস্তান্তৰৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল ১৯৭৯ চনৰ শেষ ভাগত। বৰবৰা মন্ত্ৰীসভাৰো পতন ঘটিছিল। টাইমুৰ বাইদেউ, ৰাষ্ট্ৰপতি শাসন, গগৈ মন্ত্ৰীসভা, হাজৰিকা মন্ত্ৰীসভা পাৰ হৈ '৮৩ত শইকীয়াদেৱে মুখ্যমন্ত্ৰীৰ দায়িত্ব লৈছিল। একেইচাম বুদ্ধিজীৱীৰ প্ৰৰোচনাত তেজৰ ফাকু খেলা হৈছিল। নেলী, চাউলখোৱাকে ধৰি নানা ঠাইত হাজাৰ হাজাৰ শিশু-অবাল-বৃদ্ধ-বনিতাক বধ্যভূমিত হত্যা কৰা হৈছিল। তেওঁবিলাক মানুহ নাছিল। তেওঁবিলাক মিঞা বা মুছলমান আছিল। তেওঁবিলাক মানুহ নাছিল। তেওঁবিলাক বঙালী আছিল, চি পি আই আছিল, চি পি এম আছিল - তেওঁবিলাক মানুহ নাছিল। ৰাইজক উচটোৱা হৈছিল, দলবদ্ধভাৱে হত্যাকাৰী হ'বলৈ, ঘৰ জ্বলাবলৈ, পৰৰ সম্পত্তি গাৰ জোৰেৰে দখল কৰিবলৈ, লিখা-পঢ়া বাদ দি আহ ঐ আহ ওলাই আহ বুলি নতুন চামক আহ্বান জনোৱা হৈছিল, গাঁৱে গাঁৱে শ্বহীদ বেদী সৃষ্টি কৰা হৈছিল, শ্বহীদৰ নামত হাজাৰ হাজাৰ টকাৰ বিনিময় ঘটিছিল। অসমৰ সমাজ জীৱনৰ বৰ্ণাঢ্য সাংস্কৃতিক উপাদানসমূহক এই জুই লগা আন্দোলনৰ চৰ্দাৰসকলে ব্যাহত ঘটাইছিল। অসমত এক অস্থিৰ পৰিবেশৰ সৃষ্টি কৰি ক্ষমতা হস্তান্তৰৰ ব্যৱস্থা কৰা হৈছিল। এওঁলোকৰ মতে '৮৩ৰ নিৰ্বাচন অবৈধ, কিন্তু একেই ভোটাৰ তালিকাৰে '৮৫ৰ নিৰ্বাচন বৈধ আৰু বিশুদ্ধ, প্ৰায় এশজনীয়া বিধায়কৰ সমৰ্থন সত্ত্বেও অসমৰ ৰাইজৰ স্বাৰ্থক আগত ৰাখি এইজন শইকীয়াই মন্ত্ৰীসভাৰ পতন ঘটাই ৰাইজৰ ওচৰলৈ গৈছিল। শইকীয়াই অসম কংগ্ৰেছ, শইকীয়া কংগ্ৰেছ কৰা নাছিল। দীৰ্ঘদিনীয়া অনুশীলনেৰে অসমত ক্ষমতা দখল কৰিছিল আন্দোলনকাৰী, তেওঁলোকৰ সমৰ্থক ব্যক্তি, অনুষ্ঠান, বুদ্ধিজীৱীয়ে। সোণৰ অসম, সোণৰ সংসাৰলৈ পৰিবৰ্ধিত হৈছিল। শ্বহীদৰ কেঁচা তেজ, শ্বহীদ স্মৃতিস্তম্ভ কাউৰী, শগুনৰ মলত্যাগৰ বাসস্থলী হৈছিল। অনিল-মোজাম্মিল, খৰ্গেশ্বৰহঁতৰ সমাধি আজি নিজম। পৰিয়ালৰ খবৰ লওঁতা কেউ নাই। নিজৰ অস্তিত্ব বজাই ৰখাৰ কাৰণেই অসমৰ সামগ্ৰিকভাৱে অৰ্থনৈতিক আৰু সামাজিকভাৱে পিছপৰি থকাৰ কেৰোণসমূহক লৈ "নতুন চিন্তা কৰা" যুৱকসকলক প্ৰাৰম্ভিক অৱস্থাত (১৯৮৭-৮৮) উচটনি দি এতিয়াৰ অসমত শোণিতৰ নৈ বোৱাইছে। নিতৌ বধ্যভূমিত আত্মীয়-স্বজনে বলিদান দি গৈ আছে আৰু আমিবোৰে কুশলে খাই-বৈ জীয়াই আছো। শইকীয়াই পাৰিলে আলোচনা-বিলোচনাৰে তুলনামূলকভাৱে কম ৰাষ্ট্ৰ শক্তিৰ প্ৰয়োগেৰে সমাধান কৰিবলৈ প্ৰচেষ্টা লৈছিল। শ্ৰদ্ধেয় বামপন্থী নেতা হেমেন দাস ডাঙৰীয়াই হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন অসম চৰকাৰৰ ৫০মাহ পূৰ্ণ হোৱা উপলক্ষে (১৫ আগষ্ট, ১৯৯৫ চন) প্ৰকাশিত নাগৰিকৰ দৃষ্টিত শইকীয়া চৰকাৰ, পৃঃ ৫৯ত শইকীয়াৰ শান্তি প্ৰতিষ্ঠাৰ ভূমিকা

সম্পৰ্কত মন্তব্য কৰিছিল, "সৈন্য বাহিনী নোহোৱাকৈ শান্তি প্ৰতিষ্ঠা কৰা হ'লে শইকীয়াক মই ধন্যবাদ দিলোহেঁতেন। অসমত এতিয়াও তিনিখন ক'লা আইন চলি আছে। শইকীয়াৰ কাৰণে সৈন্যবাহিনীৰ গুৰুত্ব সৰ্বাধিক।" যেনিবা আজিৰখন অসমত সেই ব্যৱস্থাসমূহ সম্পূৰ্ণৰূপে নিঃচিহ্ন হৈ গৈছে। তথাকথিত জৰুৰীকালীন অৱস্থাত হোৱা অতিচাৰসমূহতকৈ আজিৰখন অসমত যেন একোৱেই হোৱা নাই এইসকল আলোচক-সমালোচকৰ বাবে।

শইকীয়াৰ নেতৃত্বত পিছপৰা চাহ বনুৱাৰ প্ৰতি আগবঢ়োৱা সেৱাসমূহ, প্ৰাথমিক বিদ্যালয় নিৰ্মাণ আৰু শিক্ষণৰ আৱশ্যকীয় সামগ্ৰী যোগান, বিনামূলীয়া পাঠ্যপুথিৰ যোগান, চাহ বনুৱা ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰাবাস উচ্চ শিক্ষাৰ বাবে জলপানি, চিকিৎসালয় স্থাপন তথা ঔষধৰ যোগান, দুটকীয়া চাউলৰ যোগান, আবাসগৃহ স্থাপন, পানী যোগান, সুলভ মূল্যৰ দোকান, নিয়োগ সুবিধা, দুখীয়া-বনুৱালৈ সাহায্য, প্ৰাইমেৰী স্কুলৰ ল'ৰা-ছোৱালীৰ বাবে দুপৰীয়াৰ আহাৰ, চাহ বনুৱাৰ কলা-সংস্কৃতি আৰু ভাষাৰ বিকাশ, বোনাচৰ হাৰ বৃদ্ধি, নতুন হাৰত দৰমহা বৃদ্ধি, বিজুলী যোগান ইত্যাদি বিশেষভাৱে উল্লেখনীয়। গাওঁ অঞ্চলৰ দীৰ্ঘদিন ধৰি নিস্ক্ৰিয় হৈ থকা গাওঁ পঞ্চায়তসমূহক নিৰ্বাচনৰ যোগেদি অৰ্থনৈতিক ক্ষমতা বিকেন্দ্ৰীকৰণ কৰি গ্ৰাম্য অৰ্থনীতিৰ প্ৰতিষ্ঠা তথা প্ৰসাৰণৰ ব্যৱস্থা কৰি প্ৰায় ৩ লাখ দুখীয়া পৰিয়াললৈ উন্নয়ন আঁচনিৰ সাহায্য, ট্ৰাইচেমৰ অধীনত প্ৰায় ৪০ হাজাৰ যুৱকলৈ আত্ম সংস্থাপনমূলক প্ৰশিক্ষণ, গ্ৰাম্য অঞ্চলৰ মহিলা আৰু শিশু উন্নয়নৰ আঁচনিৰ অধীনত প্ৰায় ৪ হাজাৰৰো অধিক গোটক আৰ্থিক সাহায্য প্ৰদান, এক হাজাৰ লাখ কৰ্মদিনৰ সৃষ্টি, ৪০ হাজাৰতকৈয়ো অধিক দুখীয়া পৰিয়ালক গৃহ প্ৰদান, ৭০ হাজাৰ একৰ চিলিং উদ্বৃত্ত মাটি ভূমিহীন পৰিয়ালৰ মাজত বিতৰণ, দুহাজাৰ দুখীয়া শিপিনীৰ বাবে ঘৰৰ ব্যৱস্থা, ৪৫ হাজাৰটা পৰিয়ালৰ মুৰব্বীৰ মৃত্যুত পাঁচহাজাৰ টকা অনুদান, গ্ৰাম্যাঞ্চলৰ খেতিয়কলৈ ন্যুনতম হাৰত পাৱাৰ টিলাৰ, মহিলা সমৃদ্ধিৰ যোজনাৰ অধীনত বাৰটা চৰকাৰী সাহায্যৰে ১৫ লাখ মহিলাক সাহায্য প্ৰদান, ৭৫ টকাকৈ বৃদ্ধৰ পেঞ্চন, প্ৰায় ৪৫ হাজাৰ হিতাধিকাৰীক পেঞ্চন প্ৰদান, ৫ হাজাৰ দুখীয়া শিপিনীলৈ তাঁত শালৰ ব্যৱস্থা, প্ৰাথমিক স্কুলৰ ল'ৰা-ছোৱালীৰ দুপৰীয়াৰ আহাৰ, দৰিদ্ৰ জনগণৰ বাবে দুটকা কেজিৰ দৰৰ চাউল, ইয়াৰ উপৰিও গ্ৰামাঞ্চলত আঁচনিসমূহৰ সঠিক ৰূপায়ন হৈছেনে নাই, গাঁৱলৈ ঘূৰি যাওঁ বলা নামৰ এক কাৰ্যসূচী প্ৰৱৰ্তন।

অনুসূচিত জাতিৰ লোকৰ সংখ্যা অসমৰ মুঠ জনসংখ্যাৰ ৭.৪ ভাগ (১৬,৫৯,৪১২)। এই অনুসূচিত জাতিৰ জনসাধাৰণৰ বাবে ভূমিহীন তথা দুখীয়া অনুসূচিত জাতিৰ লোকৰ আৰ্থিক উন্নয়নৰ নিৰ্ভৰযোগ্য সমন্বিত গ্ৰাম্য বিকাশ আঁচনি, জৱাহৰ ৰোজগাৰ যোজনা, অনুসূচিত জাতিৰ শিশু আৰু মহিলা বিকাশ কাৰ্যসূচী, ক্ষুদ্ৰ কাৰিকৰী আৰু নিবনুৱা যুৱক-যুৱতীৰ প্ৰশিক্ষণ আঁচনি, শক্তি যোগানৰ সহজলভ্য গ্ৰাম্যশক্তি আঁচনি আদিয়েই প্ৰধান।

মুখ্যমন্ত্ৰী শইকীয়াই অসম ভৈয়াম জনজাতি আৰু পাৰ্বত্য জনজাতিসকলে আশা কৰা শংকাৰ পৰিৱৰ্তে নিৰ্ভয়, সন্দেহৰ পৰিৱৰ্তে আস্থা আৰু বিশ্বাস, প্ৰাণৰ শংকাৰ বিলুপ্তৰ ভয়ৰ পৰিৱৰ্তে ভাষা-কলা-সংস্কৃতি আৰু জাতিসত্তা ৰক্ষা আৰু তাকেই ৰক্ষা কৰিবলৈ এক তিক্ত শ্ৰমৰ চিৰস্মৰণীয় অনুদান। জনজাতিসকলৰ মঙ্গলামঙ্গলৰ বাবে হাজাৰ জনজাতি পৰিয়ালক স্ব-নিয়োজনৰ বাবে ঋণ আৰু অনুদান, ৭০০খন বিদ্যালয়ৰ বাবে ঘৰ নিৰ্মাণৰ অনুদান, ৫০খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ, ১০০ কিঃমিঃ পথৰ লগতে ১৫খন দলং নিৰ্মাণ, প্ৰায় কুৰিটা সমন্বিত জনজাতি উন্নয়ন প্ৰকল্পৰ অধীনত একুৰি চাৰিটা বিনোদন কেন্দ্ৰ, কৃষি সম্প্ৰসাৰণৰ বাবে ১৯টা কৃষি সেৱা কেন্দ্ৰ, যুৱক-যুৱতীৰ শাৰীৰিক-মানসিক উৎকৰ্ষ সাধনৰ বাবে কোটি টকাৰ খেলা-ধূলাৰ সামগ্ৰী বিতৰণ, বিজুলী শক্তিৰ যোগান সম্প্ৰসাৰণ, ভূমিহীন লোকক ভূমিদান, পট্টা বিতৰণ, মহিলা সমৃদ্ধি যোজনা কাৰ্যকৰীকৰণ, ৩৫হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰীক প্ৰাক-প্ৰৱেশিকা বৃত্তি প্ৰদান, উচ্চ শিক্ষাৰ ক্ষেত্ৰত সম্প্ৰসাৰণ, ছয়টাকৈ বোৱনী সম্প্ৰসাৰণ সেৱা গোট, হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ, ছাত্ৰ-ছাত্ৰীৰ বাবে ৫০তাতকৈ অধিক আবাসগৃহ স্থাপন, আশীতকৈ অধিক শিক্ষানুষ্ঠানৰ মঞ্জুৰী। ঠিক তেনেদৰেই সামাজিক, আৰ্থিক দিশত পিছপৰি থকা অসমৰ পমুৱা মুছলমানসকল (ন অসমীয়া), নেপালী কৃষক-শ্ৰমিকসকল, অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলৰ মাজতো শইকীয়াৰ ব্যক্তিত্ব এক জীৱন দৃষ্টি। জনজীৱন আৰু সংস্কৃতিৰ লগতে নিজকে মিলাই দি এক জীৱন দৃষ্টি আঁকোৱালি লৈ ৰাজনীতিৰ পথাৰে পথাৰে, জন সমাজৰ দুৱাৰে দুৱাৰে শইকীয়া ঢপলিয়াই ফুৰিছিল। শইকীয়াৰ নিজা কথাৰে "সমাজৰ সুস্থ সমন্বয়ৰ বাবে জাতীয় জীৱনৰ প্ৰতীক ৰূপে সকলোৱেই জীয়াই ৰাখিব লাগিব অসমীয়া জাতি সত্তা, অসমীয়া সংমিশ্ৰিত সংস্কৃতি, অসমীয়া ভাষা। অসমৰ জনজীৱনৰ বিশাল লুইত ৰূপে জীয়াই ৰাখিব লাগিব আৰ্থিক, সামাজিক, ৰাজনৈতিক ক্ষেত্ৰত পিছপৰি থকা উন্নীতকৰণ প্ৰক্ৰিয়া অহৰহ অনুশীলনৰ শকত এনাজৰী আমাৰ ভৱিষ্যতৰ উত্তৰাধিকাৰীসকললৈ।" শইকীয়াৰ সম্বন্ধে তদানীন্তন মুখ্যমন্ত্ৰী শৰৎ সিংহ ডাঙৰীয়াই ৰাজহুৱাভাৱে ঘোষণা কৰিছিল,

"হিতেশ্বৰ শইকীয়াৰ দৰে কাৰ্যক্ষম আৰু এজনমান মোৰ লগত থাকিলে অসমৰ বহুত উন্নতি হ'লহেঁতেন।" প্ৰবীণ ৰাজনীতিজ্ঞ গৌৰাশংকৰ ভট্টাচাৰ্য্যদেৱে এনেদৰে মন্তব্য কৰিছে, "বহুতো বাস্তৱ ঘটনাই মোক পতিয়ন নিয়াইছে যে, হিতেশ্বৰ শইকীয়া সঁচাকৈয়ে এজন দৃঢ়মনা আৰু যথাৰ্থভাৱে সৎ ৰাজনৈতিক পুৰুষ। তেওঁৰ ৰাজনীতিৰ লগত মোৰ মিল নাই, তেওঁৰ দলৰ প্ৰতি মোৰ কোনো আকৰ্ষণো নাই, তেওঁৰ পৰা মই কোনো অনুগ্ৰহ বা সুবিধাও নিবিচাৰো, বিচাৰিবৰ প্ৰয়োজনো নাই ..... মই সত্যৰ খাটিৰত নকৈ নোৱাৰো যে শইকীয়াৰ প্ৰতি মোৰ ধাৰণাটো ভাল।" কবিকুল শিৰোমণি দেৱকান্ত বৰুৱাই এনেদৰে মন্তব্য কৰিছিল, "অসমৰ বৰ্তমান পৰিস্থিতিত আৰু কিছু বছৰলৈ হিতেশ্বৰ শইকীয়াই মুখ্যমন্ত্ৰী হৈ দেশ শাসন কৰাৰ সুযোগ পোৱা উচিত, কিয়নো অসমৰ জ্বলন্ত সমস্যাৰাজি সমাধান কৰাৰ ক্ষেত্ৰত তেওঁ বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে।" শইকীয়া ডাঙৰীয়াই জনজাতিক স্বায়ত্ত শাসন প্ৰদান কৰাক লৈ এনেদৰে বৰুৱা ডাঙৰীয়াই কৈছিল, "হিতেশ্বৰ শইকীয়াই জনজাতিক প্ৰদান কৰা স্বায়ত্ত শাসন ব্যৱস্থা মই সমস্যা সমাধানৰ একমাত্ৰ পথ বুলি বিবেচনা কৰিছো।" শইকীয়াদেৱৰ ইতিহাস জ্ঞানৰ ওপৰত থকা দখল সম্পৰ্কত বৰুৱাদেৱৰ মন্তব্য এনেধৰণৰ, "অসমৰ সামাজিক ইতিহাস, হিতেশ্বৰ শইকীয়াই ভালদৰে জানিছিল। ৰাজ্য শাসন কৰিবলৈ ইতিহাসৰ জ্ঞান অতি প্ৰয়োজনীয় কথা।" শইকীয়াৰ ব্যক্তিগত সম্পৰ্ক ৰক্ষা কৰাৰ সম্পৰ্কত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰা ডাঙৰীয়াই এনেদৰে কয়, "শইকীয়াই ব্যক্তিগত সম্পৰ্কক ৰাজনৈতিক বিৰোধিতাৰ উৰ্ধত ৰাখিব জানে।" সন্ত্ৰাসবাদ সমস্যা সমাধানৰ বাবে লোৱা প্ৰচেষ্টা সম্বন্ধে এনেদৰে কয়, "অসমত সন্ত্ৰাসবাদৰ সমস্যা সমাধানৰ কাৰণে শইকীয়াই using the stick and carrot both বা নৰম-গৰম নীতি গ্ৰহণ কৰা দেখা যায়। ফলত আলফা আৰু বড়ো উগ্ৰপন্থী প্ৰায় ৪০০০ জন যুৱকে অস্ত্ৰ-শস্ত্ৰৰে সৈতে আত্মসমৰ্পণ কৰিছে আৰু এইসকলৰ পুনৰ্বাসনৰ ব্যৱস্থা কৰা হৈছে।" কবি সমীৰ তাতীয়ে কয়, "নেতৃত্বৰ প্ৰতি সন্দেহ থাকিলে আমি বিকল্পৰ সন্ধান কৰো। বৰ্তমান অসমত হিতেশ্বৰ শইকীয়াৰ খালী ঠাই পূৰণৰ বাবে কোনো যোগ্য বিকল্প নাই।"

"অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ক্ষেত্ৰত তীব্ৰ সমালোচনাৰ মাত্ৰা প্ৰশংসাৰ তুলনাত অধিক বেছি। শইকীয়া এজন বিতৰ্কিত ব্যক্তি বুলি ১৯৭০ৰ দশকতে 'লেবেল' বা মোহৰ মাৰি দিয়া হ'ল। শইকীয়াৰ ৰাজনৈতিক জখলাত ক্ষীপ্ৰ উত্তৰণেই এই মোহৰ লগাই দিলে। এবাৰ এনে মোহৰ লাগি গ'লে তাৰ পৰা নিস্তাৰ পোৱা বৰ টান।" - আবু নেছাৰ ছাইদ আহমেদে (ডিব্ৰুগড় বিশ্ববিদ্যালয়) এনেদৰে কয়।

ইমানখিনিৰ পিছতো শইকীয়াদেৱৰ সবল নেতৃত্বত অসমে কি পালে এই দৃষ্টিৰে চালে দেখা যায় অসমত দুখনকৈ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, এখন Regional Engineering College (শিলচৰ), জনজাতীয় জনগোষ্ঠীসমূহৰ বাবে Tribal Councils, বড়ো চুক্তি, অসম চুক্তি, দীৰ্ঘদিন বন্ধ হৈ থকা পঞ্চায়ত আৰু নগৰ সমিতিসমূহৰ নিৰ্বাচন, নুমলিগড় শোধনাগাৰ, নৰনাৰায়ণ সেতু, Tea Brokers Centre, IIT, Stock Exchange, Inland Water Container depot, Indira Gandhi Open Universityৰ শাখাসমূহ, বিভিন্ন মহাবিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ সংযোজন, Gas Cracker প্ৰকল্পৰ প্ৰাৰম্ভিক কাম-কাজ, বগীবিলৰ ওপৰত হ'ব লগা ব্ৰহ্মপুত্ৰৰ আনখন দলঙৰ জৰীপ কাৰ্য, ব্ৰডগজ ৰেলৰেৰ সম্প্ৰসাৰণ, দহ লাখতকৈও অধিক নিবনুৱাক স্ব-নিয়োজন আৰু প্ৰত্যক্ষ নিয়োগৰ ব্যৱস্থা ইত্যাদি উল্লেখযোগ্য।

টিপ চাকিৰ পোহৰত উজাগৰে থাকি পৰিয়ালৰ অগোচৰে দীঘল দীঘল নিশাসমূহত গান্ধীজীৰ ওপৰত ছাত্ৰাৱস্থাৰে পৰাই অধ্যয়ন কৰা প্ৰয়াত শইকীয়া সমাজৰ নিষ্পেষিত, দলিত, দুখীয়া শ্ৰেণীটোৰ কাঠামোত সোমাই আছিল। সেই শ্ৰেণীসমূহৰ ভাষা, আশা-আকাংক্ষা, অভাৱ-অভিযোগ, অনুভূতি বহুলাংশে শইকীয়াৰ জীৱনৰ লগত একাঙ্গী হৈ পৰিছিল। এনে শ্ৰেণীৰ লোকৰ মাতবোল শইকীয়াৰ বাবে অতি মিঠা শ্ৰৱণ। হয়তো, ইতিহাস আৰু সমাজ বিজ্ঞানৰ আৰু ব্যৱহাৰিক জীৱনত ৰাজনৈতিক বিজ্ঞানৰ ছাত্ৰ হোৱা হেতু সাধাৰণ শ্ৰেণীৰ লোকৰ মাজত শইকীয়া সদায় সমাদৃত।

★ ★ ★ ★ ★

*পৰিচিতি ঃ লেখক ডঃ ফুকন অসম আৰক্ষী সেৱাৰ এগৰাকী আৰক্ষী অধীক্ষক*

OKDISCD

**(১৯৯৬ চনৰ আগষ্টত নতুন দিল্লীত মৰণোত্তৰভাৱে হিতেশ্বৰ শইকীয়ালৈ ৰাজীৱ গান্ধী সদ্ভাৱনা বঁটা আগবঢ়োৱা হয়। সেই উপলক্ষে দিয়া প্ৰশস্তি পত্ৰৰ অসমীয়া অনুবাদ আগবঢ়োৱা হ'ল)**

# প্ৰশস্তি

স্বাধীনতাই যদি হেৰাই যায় তেন্তে বাকী ৰ'ব কি? - এটি কবিতাৰ এয়া বিখ্যাত এশাৰী। একেটি প্ৰশ্নই উঠে জাতীয় সংহতিৰ বেলিকাও। বিশেষকৈ ধৰ্মীয়, আঞ্চলিক, ভাষিক আৰু জনগোষ্ঠীগত অদম্য বিভেদ আৰু অৰ্থনৈতিক আৰু শৈক্ষিক বৈষম্যৰে ভৰা আমাৰ দেশত সংহতিৰ প্ৰশ্নটোৱে অহৰহ সতৰ্কতাৰ দাবী কৰে।

প্ৰয়াত শ্ৰীহিতেশ্বৰ শইকীয়াই নিজৰ ঘটনা-বহুল জীৱনত যিহকেই নকৰিছিল লাগে, তাৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত আছিল জাতীয় ঐক্য আৰু জনগোষ্ঠীৰ সংহতিৰ কথা। তেওঁ নিজৰ সমস্ত শক্তি উজাৰি দিছিল উত্তৰ-পূব ভাৰতৰ ভিন ভিন জনগোষ্ঠীৰ মাজত বুজাবুজি আৰু সম্প্ৰীতিৰ হকে।

উত্তৰ-পূৰ্বাঞ্চলক এখনি মৌ-চাক বুলি ৰহনীয়াকৈ বৰ্ণোৱা হয়। স্বাধীনতাৰ যুঁজত কীৰ্তিমান হোৱা স্বত্ত্বেও দুৰ্ভাগ্যক্ৰমে এই অঞ্চলৰ জনজীৱন বিশেষকৈ শেহতীয়া কালছোৱাত; গোষ্ঠীগত সন্দেহ আৰু বিদ্বেষৰ কাহিনী হৈ উঠিছে। একেটি পৰিয়ালৰ সাতগৰাকী বাই-ভনীৰূপে এই অঞ্চলৰ ৰাজ্যসমূহ জনাজাত। কিন্তু তেওঁলোকৰ সতি-সন্ততিসকল আজি কাজিয়াত লিপ্ত। দেশৰ প্ৰতি পৰম নিষ্ঠা দেখুৱাই কাৰ্যক্ষেত্ৰত দৃঢ়মনা হৈ, সহানুভূতিৰে দুখীজনৰ কাষ চাপি আৰু নিজে সাধাৰণ জীৱন-যাপন কৰি শ্ৰীশইকীয়াই এনে সন্দেহক আঁতৰাই পাৰস্পৰিক বিশ্বাসক পুনৰায় ঘূৰাই অনাত সফলকাম হৈছিল। ইয়াকে কৰিবলৈ যাওঁতে তেওঁৰ ওপৰত বৰ্ণনাতীত অপবাদ জাপি দিয়া হৈছিল। জোৰ-জুলুমো চলোৱা হৈছিল। আনহে নালাগে 'গণ-শত্ৰু' বুলিও অভিহিত কৰা হৈছিল। তেওঁৰ জীৱনৰ ওপৰতো একাধিকবাৰ আক্ৰমণ চলোৱা হৈছিল। হত্যা কৰা হৈছিল তেওঁৰ ভ্ৰাতৃ আৰু নিকট আত্মীয়ক। দেশৰ স্বাৰ্থক আগত ৰাখি তেওঁ সকলো সহি গৈছিল। শেষত তেওঁৰ সু-উদ্দেশ্যই স্বীকৃতি লভিলে। শত্ৰুক মিত্ৰলৈ আৰু সন্দেহবাদীক সমৰ্থকলৈ পৰিণত কৰাত তেওঁ সফল হ'ল।

এটি পুৰণি আহোম পৰিয়ালত শ্ৰীশইকীয়াই ১৯৩৬ চনত জনম লভিছিল। ছিলঙৰ পৰা স্নাতক আৰু লক্ষ্ণৌৰ পৰা বুৰঞ্জী বিষয়ত তেওঁ স্নাতকোত্তৰ উপাধি লৈছিল। শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলিছিল যদিও ৰাজনীতিৰ দুৰ্নিবাৰ আহ্বানক আওকাণ কৰিব নোৱাৰিলে। ১৯৬৪ চনত কংগ্ৰেছত যোগদান কৰি ১৯৭২ চনত অসম বিধানসভালৈ নিৰ্বাচিত হয়। ইয়াৰ পিছত আৰু চাৰিবাৰ তেওঁ বিধানসভালৈ যায়। ১৯৭২-৮২ চনৰ ভিতৰত তেওঁ তিনিখন মন্ত্ৰীসভাৰ সদস্য হয়। ১৯৮৩ চনত তেওঁক চৰকাৰ পাতিবলৈ আহ্বান জনোৱা হয়। সেই সময়ত অসমৰ ছাত্ৰ আন্দোলন আছিল তুংগত। ছাত্ৰসকলৰ সতে চুক্তি সম্পাদন হোৱাৰ পিছত তেওঁ চৰকাৰৰ দায়িত্বভাৰ এৰি দিয়ে।

দেশে হ'লে ইমান অভিজ্ঞ ৰাজনীতিবিদ এজনৰ সেৱা সহজে এৰিব নোৱাৰিলে। তেওঁক মিজোৰামৰ উপ-ৰাজ্যপাল পতা হ'ল। এক উল্লেখনীয় ভূমিকাৰে মিজো ৰাইজৰ অন্তৰ পৰশি তেওঁলোকৰ যথাৰ্থ অভিযোগ আৰু অভিলাষৰ বুজ ল'বলৈ কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিয়ে। তেওঁৰ যতনে মিজোৰামলৈ পূৰ্ণ ৰাজ্যৰ মৰ্যাদা আনি দিয়ে।

অসমৰ ৰাজনীতিলৈ শ্ৰীশইকীয়া ১৯৯১ চনত মুখ্যমন্ত্ৰীৰূপে দ্বিতীয়বাৰৰ বাবে ঘূৰি আহে। অত্যন্ত অসুখীয়া দেহাৰ কথা পাহৰি, নিতৌ বিশ ঘণ্টালৈকে পৰিশ্ৰম কৰি, নিজৰ প্ৰশাসনীয় দক্ষতা আৰু সম্প্ৰীতিৰ পৰিৱেশ গঢ়ি তোলাৰ যোগ্যতাক আকৌ প্ৰমাণ কৰি দেখুৱালে। ৰাজ্যখনৰ ভালেকেইটি আন্দোলনমুখী সংগঠনৰ সতে চুক্তি সম্পাদন কৰা হ'ল। চকুত পৰাকৈ কেৱল ১৯৯৫ চনৰ ভিতৰতে ৰাভা, ডিমাছা, তিৱা, মিছিং আৰু কাৰ্বিসকলৰ সতে পাঁচখন স্বায়ত্ত শাসনৰ চুক্তি কৰা হ'ল। শ্ৰীশইকীয়াৰ অকাল বিয়োগ ৰাজ্যখনৰ আৰু দেশৰ বাবে এক ডাঙৰ ক্ষতি। নিজৰ অঞ্চল আৰু সমগ্ৰ ভাৰতবৰ্ষক যি সময়ত তেওঁ আৰু ভালেখিনি অৱদান যোগাব পাৰিলেহেঁতেন, সেই সময়তে ঘটা তেওঁৰ অকাল বিয়োগ সেয়ে অপূৰণীয় ক্ষতি হৈ ৰ'ব।

উত্তৰ-পূৰ্বাঞ্চলত শান্তি আৰু আস্থাক পুনৰ প্ৰতিষ্ঠা কৰি ভাৰতীয় জনজীৱনৰ একতাৰ এনাজৰীডাল কটকটীয়া কৰাৰ ক্ষেত্ৰত তেওঁৰ অতি উল্লেখযোগ্য অৱদানৰ বাবে শ্ৰীহিতেশ্বৰ শইকীয়ালৈ ১৯৯৫ চনৰ ৰাজীৱ গান্ধী জাতীয় সদ্ভাৱনা বঁটা মৰণোত্তৰভাৱে আগবঢ়োৱা হ'ল।

## ৰাজীৱ গান্ধী জাতীয় সদ্ভাৱনা বঁটা মন্ত্ৰণা-সমিতি

**শ্ৰীকে আৰ নাৰায়ণন**
**উপ-ৰাষ্ট্ৰপতি (সভাপতি)**
**শ্ৰীপি ভি নৰসিংহ ৰাও**
**শ্ৰীমতী চোনীয়া গান্ধী**
**শ্ৰীনাৰায়ণ দত্ত তিৱাৰী**
**ডঃ মনমোহন সিং**
**শ্ৰীমহম্মদ ইউনুচ**
**শ্ৰীহোকিচে ছেমা**
**শ্ৰীএইচ ৰাই সাৰদা প্ৰসাদ**
**ডঃ এ পি জে আব্দুল কালাম**
**শ্ৰীৰামেশ্বৰ ঠাকুৰ (সদস্য সচিব)**



এজন ৰিক্সাচালকৰ হাতত এখন ৰিক্সা অৰ্পণ কৰি



গৃহমন্ত্ৰীৰূপে ৰাইজৰ সৈতে শ্ৰমদান কাৰ্যসূচীত



OKDISCD

# কঠোৰ বিৰোধী সমালোচকৰ দৃষ্টিত

## হে 'শত্ৰু', তোমাক নমস্কাৰ!



নেতা গঢ়াশালত তৈয়াৰ নহয়, নেতাৰ জন্ম হয়। এই আপ্ত বাক্যষাৰ আখৰে আখৰে খাটে অসমৰ ৰাজনীতিত হিতেশ্বৰ শইকীয়া নামৰ এজন আঠাইশ বছৰীয়া ডেকা ল'ৰাৰ হঠাতে আৱিৰ্ভাৱত। মানুহ নামৰ সামাজিক বনৰীয়া গছৰ পুলি চিনি পোৱা বুলি প্ৰচুৰ খ্যাতি থকা দেৱকান্ত বৰুৱাই তেতিয়াই কৈ থৈছিল - 'চাবা, এইজোপা ডাঙৰ গছ হ'বগৈ।' হয়, যোৱা দুটা দশক অসমৰ ৰাজনীতিত হিতেশ্বৰ শইকীয়া এজোপা বৃক্ষ হৈ থাকিল। .......

....... মহাভাৰতৰ যুদ্ধক্ষেত্ৰত নিহত শত্ৰুসকলকো স্বজাতিৰ প্ৰতিপক্ষই বন্দনাৰেই নমস্কাৰ কৰিছিল। ব্যক্তিগত জীৱনত অতিশয় মাৰ্জিত, ক্ষমাশীল, মহৎ হৃদয়, পৰোপকাৰী অক্লান্ত কৰ্মযোগী আৰু গুণবান অসমপ্ৰেমী হিতেশ্বৰ শইকীয়াও কোনো প্ৰকাৰে আমাৰ শত্ৰু নহয়। সাধাৰণ ভাষাত শত্ৰু বুলিলে আমি যাক বুজি পাওঁ, তাৰ সংজ্ঞা সৰল। কিন্তু এজন ৰুগীয়া মানুহ হৈও হিতেশ্বৰ শইকীয়াই এক অদমনীয় জেদ, অপৰাজেয় ইচ্ছাশক্তি, তুলনাহীন অহংকাৰ আৰু বিশ্ৰামহীন কৰ্মোদ্যমেৰে যি এক অনিৰ্ণেয় শত্ৰুতাৰ ভাবৰ ছবি আমাৰ মাজত আঁকি থৈ গ'ল, সেইটো মোৰ বিচাৰত, কেৱল এজন অবিনশ্বৰ প্ৰতিভাৰ শিল্পীৰ দ্বাৰাহে সম্ভৱ হ'ব পাৰে। 'শত্ৰু' হিতেশ্বৰ শইকীয়াক মই তেনে এজন 'শিল্পী'তকৈ অধিক জ্ঞান নকৰো। আৰু হিতেশ্বৰ শইকীয়াৰ প্ৰতি অকৃতজ্ঞ নহ'বলৈ মই এতিয়াও তেনে এটা বিশ্বাসৰ প্ৰত্যয়েৰে যুঁজি থাকিবলৈ ইচ্ছা কৰো যে জাতীয় নিপীড়ণৰ শিলাকুটি হিতেশ্বৰ শইকীয়াই অসমীয়াৰ বুকুৰ মৰা শিলক ইতিহাসৰ এটা উচিত সময়ত সাৰ পোৱাই থৈ গ'ল। সেই বিচাৰত মোৰ বাবে হিতেশ্বৰ শইকীয়াও জনতাৰেই শিল্পী। আৰু সেয়ে, জ্যোতিপ্ৰসাদে জনতাৰ শিল্পীৰ প্ৰতি জনোৱা নমস্কাৰকে দোহাৰি মই, অকৃতঘ্ন এজন সাধাৰণ অসমীয়াই, জ্যোতিপ্ৰসাদৰ সুৰতে কওঁ ঃ হে 'শত্ৰু' তোমাক নমস্কাৰ। ...... তোমাক সকলো ফালৰ পৰা নমস্কাৰ।

***-তিলক হাজৰিকা***

*সাদিন, ২৬/৪/৯৬*

## হিতেশ্বৰ শইকীয়াৰ বিদায়

হিতেশ্বৰ শইকীয়াৰ কৰ্মব্যস্ত জীৱনৰ অৱসান হ'ল। তেওঁৰ কৰ্মদক্ষতা, কূটনৈতিক বিচক্ষণতা আৰু ধৈৰ্যৰ শলাগ পৰম শত্ৰুৱেও ল'ব। ভালে-বেয়াই অসমৰ ৰাজনীতিৰ দুটা দশকৰ ওপৰত তেওঁ গভীৰ সাঁচ বহুৱাই থৈ গ'ল।

**-ডঃ হীৰেণ গোঁহাই**

*প্ৰসংগক্ৰমে, আজিৰ অসম, ২৩/৪/৯৬*

## হিতেশ্বৰ শইকীয়া আমাৰ ঘোৰ শত্ৰু আছিল কিন্তু ....

হিতেশ্বৰ শইকীয়া আমাৰ ঘোৰ শত্ৰু আছিল। কিন্তু তেওঁ মুৰ্খ আছিল বুলি আমি নাভাবো।

***-পৰেশ বৰুৱা***

*মুখ্য সেনাধ্যক্ষ, আলফা*

*(উৎস - তিনিদিনীয়া অগ্ৰদূত)*

OKDISCD



মিজো ছাত্ৰ-ছাত্ৰীসকলে ৰাজ্যপাল শইকীয়াক আদৰিছে



অৰুণাচলৰ এক জনজাতীয় উৎসৱত গৃহমন্ত্ৰী শইকীয়া

# এক বিচিত্ৰ অধ্যায়ৰ সামৰণি

..... দুই দশকৰো অধিককাল ধৰি ৰাজ্যখনৰ ৰাজনীতিৰ লগত অতি ঘনিষ্ঠভাৱে জড়িত বিৰল কৰ্মশক্তিসম্পন্ন হিতেশ্বৰ শইকীয়াই যে অসমৰ বুৰঞ্জীৰ এক বিচিত্ৰ অধ্যায়ৰ সূচনা কৰি গ'ল তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ভাগি-ছিগি যোৱা এটা ক্ষীণ দেহৰ অন্তৰালত শইকীয়াৰ প্ৰবল বেগী মন আৰু তেওঁৰ অফুৰন্ত কৰ্মশক্তি সকলো অসমীয়া মানুহৰ বাবেই আদৰ্শ হৈ ৰ'ব। শইকীয়াই 'সোণৰ অসম' গঢ়ি দিম বুলি কাকো কথা দিয়া নাছিল। তেওঁৰ জীৱন কালত যিখিনি সমাধা কৰিব পাৰিলে, তাৰ যিদিনা বস্তুনিষ্ঠ মূল্যায়ন হ'ব, সেইদিনা হয়তো তেওঁৰ জীৱনৰ ঐতিহাসিক প্ৰাসংগিকতাই লাভ কৰিব উজ্জ্বলতৰ আৰু স্থায়ী তাৎপৰ্য।

*- সম্পাদকীয়,*
*আজিৰ বাতৰি, ২৩/৪/৯৬*

# বিচক্ষণ ৰাজনীতিবিদ আৰু প্ৰশাসক

যোৱা দুটা দশকত অসমৰ ৰাজনীতি আৰু সমাজ জীৱনত যিজন ব্যক্তি অতীব গুৰুত্বপূৰ্ণ হৈ পৰিছিল, যি অক্লান্ত পৰিশ্ৰমেৰে নিজৰ মত সাব্যস্ত কৰিবৰ কাৰণে বা নিজৰ দলটোক সু-প্ৰতিষ্ঠিত কৰিবৰ বাবে কাম কৰিছিল সেই ব্যক্তিজনৰ জীৱনাৱসানে কংগ্ৰেছ-(ই) দলৰ অসম শাখাটো প্ৰায় পিতৃহীন অৱস্থালৈ আনিলে। এই কথা কাৰো দুৰ্বোধ্য নহয় যে হিতেশ্বৰ শইকীয়াই প্ৰায় ধ্বংসস্তুপত পৰিণত হোৱা, ছেদেলি-ভেদেলি হৈ পৰা দল এটাক নিজৰ বুদ্ধি আৰু কৌশলেৰে এটা সু-শৃংখলিত দলত পৰিণত কৰিছিল। অকল সেয়ে নহয়, ৰাজনৈতিকভাৱে প্ৰতিপক্ষ বুলি ভবাসকলক তেওঁ প্ৰতিটো ক্ষণতে ৰাজনৈতিকভাৱে প্ৰত্যাহ্বান জনাইছিল। নিজৰ দলৰ প্ৰতিষ্ঠা বঢ়াবৰ বাবে প্ৰতিপক্ষক হায়ৰাণ কৰি দিব পৰা ব্যক্তি আছিল একমাত্ৰ হিতেশ্বৰ শইকীয়া। তেওঁ আছিল ৰাজনীতিত অতি বিচক্ষণ ব্যক্তি।


হিতেশ্বৰ শইকীয়াৰ ঘোৰ শত্ৰুসকলেও এই কথা স্বীকাৰ কৰিব যে জীৱনৰ শেষ বছৰকেইটাত অত্যন্ত ৰুগ্ন শৰীৰেৰে, দিনে-ৰাতিয়ে পৰিশ্ৰম কৰি কেৱল দল আৰু চৰকাৰৰ কামত ব্যস্ত হৈছিল। মৃত্যু যে সমাগত সেই কথা বুজিয়েই যেন এই ধুমুহাৰ গতি অব্যাহত ৰাখিছিল।

এই কথা অনস্বীকাৰ্য যে সংসাৰলৈ অহা সকলো মানুহ ৰাজনীতিবিদ নহয়। হিতেশ্বৰ শইকীয়া আছিল প্ৰকৃত অৰ্থত ৰাজনীতিবিদ। তেওঁ ৰাজনীতিৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা কূট-কৌশলবোৰ আয়ত্ত কৰিছিল আৰু ব্যৱহাৰ কৰিছিল অতি বিচক্ষণতাৰে। তেওঁৰ নিজা দলটোৰ ভিতৰত তেঁৱেই আছিল একমাত্ৰ ৰাজনীতি জনা লোক, বাকীসকলক তেওঁ কেৱল ঘূৰাই লৈ ফুৰিছিল, ফলত তেওঁৰ মৃত্যুৰ লগে লগে দলটোৰ নেতৃত্বৰ ক্ষেত্ৰত এটা শূন্যতা সৃষ্টি হ'ল বুলি বহুতেই সন্দেহ প্ৰকাশ কৰিছে।

এইটো অতি দুখজনক সত্য যে কাম কৰিব পৰা অদ্ভুত ক্ষমতা আৰু প্ৰবল ইচ্ছা শক্তিয়েই আছিল এই ব্যক্তিজনৰ সফলতাৰ মূল চাবি-কাঠি। ৰুগ্ন অৱস্থাতো দল আৰু চৰকাৰৰ কামত আত্মনিয়োগ কৰিব পৰা উদ্দীপনা তেওঁ লাভ কৰিছিল নিজৰ প্ৰবল ইচ্ছাশক্তিৰ পৰাই। তেওঁ অনুসৰণ কৰা নীতি আৰু কৌশলৰ বিৰোধিতা কৰা লোকসকলেও এই প্ৰবল ইচ্ছাশক্তিৰে ঘূৰি ফুৰা ৰুগ্ন মানুহজনকে লৈ সুদীৰ্ঘকাল নিজৰ ঢাল-তৰোৱাল ঘূৰাই থাকিবলৈ বাধ্য হৈছিল।

হিতেশ্বৰ শইকীয়া নিজৰ দলৰ প্ৰতি অতি অনুগতপ্ৰাণ আৰু কামত বিশ্বাস ৰখা মানুহ আছিল। এই কামৰ নিচাই হয়তো তেওঁৰ আয়ুসৰ সীমাৰেখা কেইদিনমান কমাই আনিলে। নিজ দলৰ নিৰ্বাচনী কামৰ মাজতে তেওঁ বিদায় ল'লে। অসমৰ ৰাজনৈতিক ইতিহাসত তেওঁ কাম কৰা আৰু ৰাজনীতি বুজা মানুহ হিচাপে থাকি যাব। ভুলে-শুদ্ধই মানুহৰ জীৱন। তেওঁ কৰা বহু কামেই অসমৰ একাংশ লোকে ভুল আছিল বুলি ক'ব পাৰে। কিন্তু তেনে সমালোচকসকলেও এই কথা স্বীকাৰ কৰিব যে অসমৰ জটিল পৰিস্থিতিত তেওঁ নিজা মত খামুচি ধৰি যিদৰে শেষলৈকে কাম কৰি গ'ল - সেইদৰে আন কোনোবাই চেষ্টা কৰিলেহেঁতেননে নাই সন্দেহ আছে। শইকীয়া নিজেই আছিল এটা 'বিশেষ চাৰিত্ৰিক গঢ়'ৰ মানুহ সেই হিচাপেই তেওঁ শত্ৰু-মিত্ৰ সকলোৰে পৰা স্বীকৃতি পাব। অসমৰ কংগ্ৰেছ-(ই) দলত যে সতকাই দলীয় ঐক্য ৰক্ষা কৰি সাহসেৰে পৰিস্থিতি চম্ভালি ল'ব পৰা দ্বিতীয় এজন নোলাব সেই কথাও সকলো পক্ষই স্বীকাৰ কৰিব।

***সম্পাদকীয়***
*'নতুন দৈনিক' ২৩/৪/৯৬*



জন সভাৰ এটি মুহূৰ্ত



বড়ো চুক্তি সম্পাদনৰ মুহূৰ্তত

*('প্ৰান্তিক'ৰ ১৯৯৮ চনৰ ১-১৫ এপ্ৰিল সংখ্যাৰ 'শেষ পৃষ্ঠা'ত ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ এই লেখাটি প্ৰকাশ পাইছিল। সাহিত্যিক, সাংবাদিক, শিল্পীৰ প্ৰতি হিতেশ্বৰ শইকীয়াই প্ৰদৰ্শন কৰা শ্ৰদ্ধাৰ যথোচিত সোঁৱৰণৰ লগত এই লেখাৰ প্ৰাসংগিকতা অনুভৱ কৰি আমি ইয়াত পুনৰ মুদ্ৰণ কৰিছো।)*

# সহায় আৰু সাহিত্য

যোৱা সংখ্যাৰ প্ৰান্তিকৰ শেষ পৃষ্ঠাত সমসাময়িক কিছুমান ঘটনাৰ লগত সাহিত্যিক আৰু সাহিত্যকৰ্মৰ সম্পৰ্কৰ বিষয়ে যিখিনি কথা লিখিছিলো, সেইখিনিৰ লগত আৰু এটা ঘটনাই সৃষ্টি কৰা কিছু কথা লগ লগাই থব খোজোঁ।

১৯৭৫-৭৬ চনৰ কথা। দেশত জৰুৰীকালীন অৱস্থা চলি আছে। বিভিন্ন কাৰণত বহু লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা কুৰিদফীয়া আঁচনিৰ প্ৰচাৰকাৰ্য দেশখনত তীব্ৰ ৰূপত চলোৱা হৈছে। শ্ৰীমতী ইন্দিৰা গান্ধীৰ ছবি আৰু আঁচনিখনৰ দফা কুৰিটাৰ কথা থকা বিজ্ঞাপন, প্ৰচাৰপত্ৰ আদিৰে বাট-পথ, অফিচ-কাচাৰী ভৰি পৰিছে। আঁচনিখনৰ 'সফল ৰূপায়ণ'ৰ বাবে অসম চৰকাৰো সক্ৰিয় হৈ উঠিছে। সেই সময়তে এদিন অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সঞ্চালক শ্ৰীৰুদ্ৰ বৰুৱাই মোক ফোনত ক'লে, - দিছপুৰৰ জনতা ভৱনত এটা সভাঘৰ মুকলি কৰা হ'ব ; সেই উপলক্ষ্যে এটা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে; মই যেন তালৈ যাওঁ। লগতে তেখেতে ক'লে, ডঃ মহেশ্বৰ নেওগকো সেই অনুষ্ঠানলৈ মতা হৈছে ; তেখেতৰ কাৰণে গাড়ী এখন পঠোৱা হ'ব; সেইখন গাড়ীতে ময়ো যাব পাৰিম। উপলক্ষ্যটো বৰ গুৰুত্বপূৰ্ণ বুলি মোৰ ধাৰণা নহ'ল। কিন্তু শ্ৰীৰুদ্ৰ বৰুৱাৰ লগত এটা বিশেষ সম্পৰ্ক আছিল কাৰণে মই তেখেতৰ অনুৰোধ পৰাপক্ষত নেপেলাইছিলো। তদুপৰি অনুষ্ঠানটো আছিল সাংস্কৃতিক কাৰ্যসূচীৰ অনুষ্ঠান। গতিকে সময়-সুবিধা আছিল কাৰণে, ডঃ নেওগ ছাৰৰ লগত গ'লো জনতা ভৱনলৈ। নতুন সভাঘৰটোৰ সমুখ ভাগত যিকণ খালী ঠাই আছে তাতে সাংস্কৃতিক অনুষ্ঠানৰ নামত কিছু নৃত্য-গীত উপস্থাপন কৰা হ'ল। মোৰ বিচাৰত সেই নৃত্য-গীতৰ মানে ডঃ নেওগ ছাৰক জালুকবাৰীৰ পৰা দিছপুৰলৈ গাড়ী পঠিয়াই নিওৱাৰ ন্যায্যতা প্ৰতিপন্ন নকৰিলে। সেইটো অৱশ্যে বৰ ডাঙৰ কথা নহয়। কেতিয়াবা এনেকুৱা হয়েই। কিন্তু সাংস্কৃতিক কাৰ্যসূচী শেষ হোৱাৰ পাছতে ঘোষণা কৰা হ'ল - এতিয়া কুৰিদফীয়া আঁচনি আৰু সাহিত্যিকৰ দায়িত্ব সম্পৰ্কে এটি আলোচনা কৰা হ'ব। আলোচনা-সভাৰ সভাপতিত্ব কৰিব ডঃ মহেশ্বৰ নেওগে। মই আচৰিত হ'লো। এনে এক আলোচনা হ'ব বুলি মই ঘুণাক্ষৰেও জনা নাছিলো।

ডঃ নেওগ ছাৰে সভাপতিৰ আসন গ্ৰহণ কৰিলে। তেখেতৰ কাষত বহিল মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ। সভাঘৰত কেইবাগৰাকীও আগশাৰীৰ সাহিত্যিক উপস্থিত আছিল। তেখেতসকলৰ কেইগৰাকীমানে নিজ নিজ বক্তব্য প্ৰকাশ কৰিলে। এগৰাকীৰ বক্তব্যৰ মূল কথাটো হ'ল ঃ ধৰি লওক এজন চলচ্চিত্ৰ পৰিচালকে তেখেতৰ চলচ্চিত্ৰখনত এটা গীতৰ দৃশ্যৰ পৰিকল্পনা কৰিছে। তেখেতে এজন গীত লেখকক সেই দৃশ্যটোৰ কথা বুজাই দিয়ে ; পৰিবেশটো এনেকুৱা ; নায়ক-নায়িকাৰ মনৰ ভাব এনেকুৱা ইত্যাদি। এই বৰ্ণনা বুজি, সমগ্ৰ পৰিবেশটো উপলব্ধি কৰি, গীত লেখকজনে পৰিচালকে বিচৰা মতে গীতটো লিখি দিয়ে। ঠিক তেনেকৈয়ে, এতিয়াও, দেশৰ পৰিবেশ-পৰিস্থিতি অনুসৰি যদি আমাক কিবা লিখিবলৈ কোৱা হয়, তেনেহ'লে সেই কাম আমি কৰা উচিত।

অন্যান্য বক্তাসকলৰ কথাৰ সুৰো উক্ত কথাখিনিৰ সুৰৰ পৰা বৰ বেছি আঁতৰত নাছিল।

বক্তাসকলৰ বক্তৃতা যেতিয়া চলি আছিল, তেতিয়া মোক পিছফালৰ পৰা এজনে কৈছিল, আপুনি দুআষাৰ কওক। মোৰ পিছফালে বহা সভাসদসকলৰ মাজত মন্ত্ৰী হিতেশ্বৰ শইকীয়াও আছিল। অলপ পাছতে তেখেতে মোলৈ খবৰ এটা পঠালে, মই দুআষাৰ ক'ব লাগে। আচম্বিতে পতা সেই সভাত কথা কোৱাৰ বাবে মই সাজু নাছিলো আৰু নিৰ্দিষ্ট বিষয়টো লৈ সেই সভাত কথা কোৱাৰ প্ৰতি আগ্ৰহীও নাছিলো। কিন্তু অৱশেষত ডঃ নেওগ ছাৰে সভাপতিৰ আসনৰ পৰা মোৰ নাম ধৰি ক'লে, সভাসদসকলে বোলে মোৰ বক্তব্য শুনিব খোজে। অনিচ্ছাসত্ত্বেও মই উঠি গ'লো। মোৰ বক্তব্যৰ মূল কথাখিনি আছিল এনেকুৱা ঃ

কুৰিদফীয়া আঁচনি আৰু সাহিত্যিকৰ দায়িত্ব শীৰ্ষক এই আলোচনাত মোক অংশগ্ৰহণ কৰিবলৈ অনুৰোধ কৰা হৈছে যেতিয়া মোক

OKDISCD

নিশ্চয় সাহিত্যিকৰ শাৰীত ধৰা হৈছে। কিয় ধৰা হৈছে? ইমান দিনে নিশ্চয় মই কিবাকিবি কিছু লিখিছোঁ আৰু সেই লেখাবোৰ বিচাৰ কৰিয়েই নিশ্চয় মোক সাহিত্যিকৰ শাৰীত ধৰা হৈছে। যদি মই সাহিত্যিক হওঁৱেই, তেনেহ'লে মোৰ সাহিত্যসৃষ্টি সম্পৰ্কে নিশ্চয় এক নিজস্ব ধ্যান-ধাৰণা আছে। মোৰ এটা ধাৰণা হ'ল - মই সমাজত বাস কৰিছোঁ ; মোৰ চাৰিওফালে কি ঘটিছে সেইবোৰ মোৰ চকুত পৰি আছে; সেইবোৰৰ একোটা ঘটনা, একোটা কাহিনী মোৰ মনৰ ভিতৰলৈ সোমাই যাব, সেইবোৰ মোৰ ভিতৰত জীণ যাব আৰু সেইবোৰৰে কিছুমানে এসময়ত একোটা গল্পৰ ৰূপ লৈ মোৰ কলমেদি ওলাই আহিব। এইটো এটা সৃষ্টিৰ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াক কিছুমান নিৰ্দেশৰ দ্বাৰা নিয়ন্ত্ৰিত কৰিব নোৱাৰি। আজি যিগৰাকী মানুহে কুৰি দফীয়া আঁচনিৰ উদ্ভাৱন কৰিছে, সেইগৰাকী মানুহ শ্ৰীমতী ইন্দিৰা গান্ধীয়েই কৈছে, লেখকসকলে চৰকাৰৰ আগত কৈফিয়ৎ দিব নালাগে; নিজৰ বিবেকৰ আগতহে কৈফিয়ৎ দিব লাগে। (ঘটনাক্ৰমে, ঠিক সেইদিনাই মোৰ এজন ঘনিষ্ঠ বন্ধুৱে শ্ৰীমতী গান্ধীৰ এই উক্তিটোৰ কথা মোক কৈছিল আৰু মই সেইদিনাই উক্তিটো উদ্ধৃত কৰাৰ সুবিধা পাইছিলো।) কুৰিদফীয়া আঁচনি সম্পৰ্কীয় কথা লৈ ৰসোত্তীৰ্ণ গল্প লেখা হ'ব নোৱাৰে বুলি কথা নাই; কিন্তু তেনেকুৱা এটা গল্প ময়েই লিখিব পাৰিম বুলি ক'ব নোৱাৰো। এজন সাহিত্যিকৰ ভাষাৰ ওপৰত দখল আছে ; তেওঁৰ বুদ্ধি খটুৱাই কথা প্ৰকাশ কৰিব পৰা প্ৰতিভা আছে ; তেওঁৰ হতুৱাই চৰকাৰৰ মীন বিভাগে এনে এখন বিজ্ঞাপন লিখাই লব পাৰে - যিখন বিজ্ঞাপন পঢ়ি বহু মানুহ মাছ পোহাৰ প্ৰতি আগ্ৰহী হৈ উঠিব পাৰে। সেইখন বিজ্ঞাপন লিখাৰ কাৰণে বিভাগটোৱে লেখকজনক যথোপযুক্ত পাৰিশ্ৰমিক দিব পাৰে। বিজ্ঞাপনটোৰ লগত লেখকজনৰ নাম ছপা হোৱাৰ প্ৰয়োজন নাই। কিন্তু মাছ পোহা বিষয়টো লৈ সাহিত্যৰ ভাগত পেলাব পৰা এটা গল্প সেইজন লেখকৰ কলমেদি নোলাবও পাৰে। মই মানুহৰ মাজত থাকি, মানুহৰ পৰাই উপাদান সংগ্ৰহ কৰি কিবাকিবি লিখিছোঁ। সেই লেখাখিনিৰ বাবেই যদি মোক সাহিত্যিক বুলি আখ্যা দিয়া হৈছে, তেনেহ'লে মোক তেনেকৈয়ে, মানুহৰ মাজতে মুক্ত মনেৰে থাকিবলৈ দিয়ক।

মোৰ কথাখিনিৰ সুৰ ইতিমধ্যে বাজি থকা সুৰৰ বিপৰীতে গ'ল। মোৰ পাছতে মুখ্যমন্ত্ৰী শ্ৰীসিংহই যিখিনি কথা ক'লে, তাৰ পৰা বুজিলো - তেখেত মোৰ কথাত বিতুষ্ট হ'ল। দেশত জৰুৰীকালীন অৱস্থা চলি আছে, গতিকে চৰকাৰৰ অন্যায় ৰোষত পৰো নে কি, এক মুহূৰ্তৰ কাৰণে সেই চিন্তাও মনলৈ আহিছিল। কিন্তু আমোদজনক কথা, সভাৰ শেষত বাহিৰলৈ ওলাওঁতে প্ৰথমে মোক শ্ৰীহিতেশ্বৰ শইকীয়াই ওচৰ চাপি ক'লে, "আপুনি ঠিক কথা কৈছে।"

শ্ৰীশইকীয়াৰ সেই মনোভাৱৰ সূত্ৰ ধৰিয়েই মই এদিন জালুকবাৰীৰ পৰা তেখেতলৈ ফোন কৰি ক'লো, তেখেতক মই দুটামান কথা ক'ব খোজোঁ। তেখেতে মোক তেখেতৰ কাৰ্যালয়ৰ কোঠালিলৈ আমন্ত্ৰণ জনোৱাত মই তেখেতক কাৰ্যালয়ৰ বাহিৰৰ ঠাই এডোখৰত লগ পোৱাৰ কথা ক'লো। ঠিক হ'ল আমি গুৱাহাটীৰ আৱৰ্ত ভৱনত এটা কোঠাত লগ হ'ম। যথাসময়ত আমি লগ হ'লো। কথা ঘাইকৈ ময়েই কৈছিলো; শ্ৰীশইকীয়াই মন দি শুনি গৈছিল। মোৰ কথাৰ সাৰাংশ আছিল ঃ চৰকাৰৰ আঁচনিবোৰত বহু ভাল কথা থাকে ; সেই আঁচনিবোৰৰ ৰূপায়ণৰ বাবে, চৰকাৰক সহায় কৰিবৰ বাবে বহু লোক স্ব-ইচ্ছাই আগবাঢ়ি আহে ; সেইসকলৰ মাজত সাহিত্যিক, গায়ক, চিন্তাবিদ আদি নানা বিভাগৰ গুণী লোকো থাকিব পাৰে ; কিন্তু সেইসকল আগবাঢ়ি অহাৰ প্ৰক্ৰিয়াটো চৰকাৰৰ কৰ্মৰ গুণত ঘটা স্বাভাৱিক প্ৰক্ৰিয়া হ'ব লাগে। চৰকাৰে তেখেতসকলক 'নিজৰ হাতলৈ আনি ল'বলৈ' দেখ দেখ প্ৰচেষ্টা চলালে চৰকাৰৰো ক্ষতি হয়, তেখেতসকলৰো ক্ষতি হয়।

সেই সময়ৰ চৰকাৰপক্ষই হয়তো কুৰিদফীয়া আঁচনিৰ সপক্ষে কলম ধৰা কামটোৱে সাহিত্যিকসকলৰ 'সামাজিক দায়বদ্ধতা' সূচায় বুলি ভাবিছিল; কাইলৈ এখন চৰকাৰে হয়তো 'হিন্দুত্ব'ৰ সপক্ষে কলম ধৰা সাহিত্যিকসকল 'সামাজিক দাযবদ্ধতা'ৰ গুণেৰে গুণী বুলি ধৰিব ; কিন্তু 'সামাজিক দায়বদ্ধতা' কথাষাৰৰ বিচাৰ এনে ধৰণে হ'ব নোৱাৰে।

*(ভবেন্দ্ৰ নাথ শইকীয়া)*
২৪/৩/৯৮

OKDISCD

# এই প্ৰশ্নবোৰৰ উত্তৰ কোনে দিব?

## গণশত্ৰু কোন? জাতিদ্ৰোহী কোন?

- ডঃ হেমপ্ৰভা শইকীয়া

১৯৭৯ চনৰ ছয় নৱেম্বৰত গুৱাহাটীৰ জজ খেলপথাৰত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানত এক গণ সমাবেশ অনুষ্ঠিত হয়। ইয়াৰ আগতে ৮ জুনৰ অসম বন্ধৰ দ্বাৰা অসমৰ পৰা বহিৰাগত খেদাৰ দাবী তোলা হৈছিল ছাত্ৰ আন্দোলনৰ ৰূপত। পিছে গণ আন্দোলনৰ ৰূপত 'বিদেশী নাগৰিক বহিস্কাৰ' কৰাৰ দাবী লৈ উক্ত ছয় নৱেম্বৰৰ কাৰ্যসূচীৰে প্ৰকৃতাৰ্থত 'অসম আন্দোলন'ৰ পাতনি মেলা হ'ল। ক্ৰমাৎ 'জয় আই অসম' ধ্বনিৰে তীব্ৰ জাতীয় আবেগ সমগ্ৰ ৰাজ্যখনলৈ বিয়পি পৰিল।

অসমৰ পৰা বিদেশী নাগৰিক বহিস্কাৰ কৰক
সদৌ অসম ছাত্ৰ সন্থা — জিন্দাবাদ
সদৌ অসম গণ সংগ্ৰাম পৰিষদ — জিন্দাবাদ
বিদেশী কৰক বহিস্কাৰ
অসম হ'ব পৰিস্কাৰ
আহ ঐ আহ — ওলাই আহ
খেদ ঐ খেদ — বিদেশী খেদ
কোনে কয় লাচিত নাই
হাজাৰ লাচিত আগুৱাই
কোনে কয় মূলা নাই
হাজাৰ মূলা আগুৱাই
আছে হেংদাং– লোৱা নাই
ল'লে হেংদাং — ৰক্ষা নাই

শদিয়াৰ পৰা ধুবুৰীলৈ আবাল-বৃদ্ধ-বনিতাৰ অগণন সমদল। নেতৃত্বত থকা 'মৰমৰ ল'ৰাহঁত'ৰ আহ্বানত অভূতপূৰ্ব সঁহাৰি দি অসমৰ লাখ লাখ সৰল ৰাইজ ওলাই আহিছিল — জাতীয় চেতনাৰ গৰ্বেৰে স্ফীত বুকু আৰু আবেগত উত্ৰাৱল হৃদয় লৈ। পোনপ্ৰথমতে এই আন্দোলনৰ বিৰোধিতা কৰিছিল বাওঁপন্থী দলসমূহে। সেয়েহে জাতীয় আবেগেৰে সন্মোহিত হৈ থকা আন্দোলনকাৰীসকলৰ চকুত দেশদ্ৰোহী, বদন হৈ পৰিল বাওঁপন্থীসকল! বিশেষকৈ বাওঁপন্থী যুৱ ছাত্ৰসকলক শত্ৰুৰূপে গণ্য কৰি তীব্ৰ ঘৃণা বিয়পাই দিয়া হ'ল। একেসময়তে ভাষিক সংখ্যালঘু সম্প্ৰদায়কো ঘৃণাৰ পাত্ৰ কৰি লোৱা হৈছিল। অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে মৰণপণ কৰি ওলাই অহা যুৱক খৰ্গেশ্বৰ তালুকদাৰ, দিলীপ হুজুৰীৰ পৰা শ্বহীদৰ দীঘলীয়া তালিকা আৰম্ভ হ'ল। আনহাতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ ডাঃ অঞ্জন চক্ৰৱৰ্তী, অসম ইঞ্জিনিয়াৰিং কলেজৰ ছাত্ৰ গৌতম দাস শৰ্মা, দুলীয়াজানৰ অইল ইন্দিয়াৰ বিষয়া ৰবি মিত্ৰকে ধৰি কেইবাজনো লোক আন্দোলনকাৰীৰ হাতত নিহত হ'ল। বাওঁপন্থী যুৱকদ্বয় মদন, মাধৱক চোচোৰাই অত্যাচাৰ কৰি হত্যা কৰা হ'ল, এছ এফ আইৰ ছাত্ৰ নিৰঞ্জন তালুকদাৰক মাকৰ বুকুৰ পৰা কাঢ়ি আনি অসমপ্ৰেমীসকলে যাঠীৰে খুচি খুচি হত্যা কৰিলে। এইদৰে অসম আন্দোলনৰ গৰ্ভতেই হত্যা-হিংসাৰ বীজ সঞ্চিত হ'ল।

অসমৰ গৰিষ্ঠসংখ্যক বুদ্ধিজীৱী আৰু বাতৰি কাকতে মুকলিকৈ সমৰ্থন দি আন্দোলনটোক অধিক জনপ্ৰিয় কৰি তুলিলে। পোনপ্ৰথমতে 'বহিৰাগত' শব্দটোৰে সকলো অনা-অসমীয়াকে বুজোৱাৰ চেষ্টা কৰা হৈছিল। কিন্তু ছয় নৱেম্বৰৰ গণ সমাবেশৰ দিনটোৰ পৰা 'বিদেশী নাগৰিক' শব্দটো ব্যৱহাৰ কৰা হ'ল। কাৰণ এই শব্দটো সকলোৰে বাবে গ্ৰহণযোগ্য আৰু অতিশয় সাংবিধানিক আছিল। এখন দেশত

GDISCD

লাখ লাখ বিদেশী নাগৰিকৰ উপস্থিতিক স্বাভাৱিকতেই সমৰ্থন কৰিব নোৱাৰি। ভাষা-সাহিত্য সংস্কৃতিৰ উপৰিও অৰ্থনৈতিকভাৱে এখন দেশৰ জনসাধাৰণক বিদেশী নাগৰিকৰ সোঁতে বিপৰ্যস্ত কৰাটো ধ্ৰুৱপ। ই এটা অতি সাংবিধানিক দাবী আছিল। এই আইনগত ন্যায্যতাখিনিৰ লগত মাত্ৰাধিক জাতীয় আবেগ যোগ কৰি বিষয়টোক অধিক ভয়ংকৰ আৰু স্পৰ্শকাতৰ কৰি জনসাধাৰণৰ মন-প্ৰাণ উত্তেজিত কৰা হ'ল। নেতা, কৰ্মী, ৰাইজৰ মুখে মুখে ধ্বনিত হ'ল -- "এয়া অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ শেষ সংগ্ৰাম।" "অসমীয়াৰ জাতীয় জীৱনৰ এয়া শেষ শৰাইঘাট"। প্ৰশাসনৰ বহু উচ্চস্তৰৰ অসমীয়া বিষয়া, উচ্চপদস্থ অসমীয়া পুলিচ বিষয়া, শিল্পী, সাহিত্যিক, সাংবাদিক, গায়ক, বুদ্ধিজীৱীয়ে এই আন্দোলনৰ জন্মলগ্নতেই পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে সহায়-সহযোগিতা আগবঢ়ালে। আন্দোলনৰ উগ্ৰসমৰ্থকসকলে চলোৱা হিংসাত্মক কাৰ্যক নেতা, বুদ্ধিজীৱীসকলে "অসম বিৰোধী চক্ৰৰ ষড়যন্ত্ৰ" আখ্যা দি আন্দোলনটোক 'গান্ধীবাদী আৰু শান্তিপূৰ্ণ' বুলি ব্যাখ্যা কৰিছিল। অসমৰ পৰা প্ৰকাশিত বাতৰি কাকত কেইখনে আন্দোলনকাৰীসকলৰ মুখপত্ৰৰ দৰে আন্দোলনটোক অসমৰ গাঁৱে-ভূঞে চুকে-কোণে থকা লাখ লাখ ৰাইজৰ কাষ চপাই নিলে। গণ সমাবেশ, সত্যাগ্ৰহ, ধৰ্ণা, অৱস্থান পিকেটিং, বন্ধ, জনতা সান্ধ্য আইন, নিষ্প্ৰদীপ, ৰণধ্বনি, জোৰ লৈ শোভাযাত্ৰা, পথবন্ধ, তেলবন্ধ আদি কাৰ্যসূচীবোৰ বাতৰি কাকতৰ যোগেদি গম পায়েই অগণন ৰাইজে আন্দোলনৰ একান্ত সমৰ্থকৰূপে স্বতঃস্ফূৰ্তভাৱে পালন কৰিছিল। অসম আন্দোলনৰ সেই জনগণৰ বিপুল উৎসাহ-উদ্দীপনাময় পৰিবেশ -- অসমৰ ইতিহাসত চিৰস্মৰণীয় হৈ ৰ'ব। বাতৰি কাকতত নেতাৰ বিবৃতি পঢ়িয়েই লাখ লাখ ৰাইজ ৰাজপথলৈ ওলাই আহিছিল, সান্ধ্য আইন ভংগ কৰিছিল, বাদ্য-যন্ত্ৰ বজাই ৰণশিঙাৰে আকাশ-বতাহ কঁপাই তুলিছিল, কেতিয়াবা হাজাৰ হাজাৰ জোৰ জ্বলাই নিশা পোহৰাই তুলিছিল অথবা কেতিয়াবা নিষ্প্ৰদীপ পালন কৰি সমগ্ৰ ৰাজ্যখনক অন্ধকাৰত দুবাই দিছিল। আন্দোলনৰ নেতাসকলে কোৱা প্ৰতিটো কথাকেই ৰাইজে আখৰে আখৰে সত্য বুলি বিশ্বাস কৰিছিল আৰু নেতাসকলক কোনোবাই সমালোচনা কৰাটোও সহ্য কৰিব পৰা নাছিল। সমালোচনা কৰাসকলক আখ্যা দিয়া হৈছিল -- জাতিদ্ৰোহী, দেশদ্ৰোহী, বদন।

এক অস্থিৰ তোলপাৰ পৰিস্থিতিৰ মাজত ক্ৰমে গোলাপ বৰবৰা আৰু যোগেন হাজৰিকাৰ দুখন অকংগ্ৰেছী চৰকাৰৰ পতন হ'ল। প্ৰৱৰ্তন হ'ল ৰাষ্ট্ৰপতিৰ শাসন। ইতিমধ্যে ১৯৮০ চনত অনুষ্ঠিত হোৱা লোকসভাৰ মধ্যকালীন নিৰ্বাচনত শাসনাধিষ্ঠিত জনতা পাৰ্টিৰ শোচনীয় পৰাজয় ঘটে আৰু ইন্দিৰা গান্ধীৰ নেতৃত্বত নৱ গঠিত কংগ্ৰেছ (আই) দল ক্ষমতালৈ আহে। প্ৰধানমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰিয়েই ইন্দিৰা গান্ধীয়ে সংবাদ পত্ৰত মুকলিকৈ ঘোষণা কৰিছিল যে -- "অসমৰ বিদেশী সমস্যাটো প্ৰকৃত সত্য সমস্যা" আৰু আন্দোলনকাৰী নেতাসকলক লগ কৰি সমস্যাৰ বুজ ল'বলৈ ততাতৈয়াকৈ তেখেতে শংকৰদয়াল শৰ্মা আৰু যশপাল কাপুৰক ব্যক্তিগত দূতৰূপে অসমলৈ পঠালে। ইয়াৰ পিছত আলোচনাৰ বাবে প্ৰধানমন্ত্ৰীয়ে আন্দোলনকাৰী নেতাসকলক নিমন্ত্ৰণ কৰিলে। তাৰ উপৰি গৃহমন্ত্ৰী জাইল সিঙৰ সৈতেও আলোচনা অনুষ্ঠিত হৈছিল। ১৯৭১ চনকেই আধাৰ হিচাপে লৈ বিদেশী বহিস্কাৰৰ বাবে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে এটি অতি উত্তম আৰু বাস্তৱসন্মত প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু অহংকাৰ আৰু আবেগৰ বশৱৰ্তী হৈ নেতাসকলে সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। অসমৰ আন্দোলনকাৰী ৰাইজৰ মাজত নতুন শ্লোগান প্ৰচাৰ কৰা হ'ল --

'১৯৫১ চন -- অসমীয়াৰ জীৱন পণ'

'১৯৫১ চনৰ সময়সীমা -- অসমীয়াৰ আয়ুস ৰেখা'

এয়া আছিল আন্দোলনৰ নেতাসকলৰ ঐতিহাসিক ভুল।

অসম পুনৰ অগ্নিগৰ্ভা আৰু ৰক্তাক্ত হৈ পৰিল। আনোৱাৰা টাইমুৰ আৰু কেশৱ গগৈৰ নেতৃত্বত গঠিত হোৱা দুখন কংগ্ৰেছ(আই) চৰকাৰৰ পতন হৈ পুনৰ ৰাষ্ট্ৰপতি শাসন হ'ল।

১৯৮৩ চন। ইন্দিৰা গান্ধীৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসমত নিৰ্বাচন ঘোষণা কৰিলে। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিলে। বিদেশীৰ ভোট থকা ভোটাৰ তালিকাৰে অবৈধ নিৰ্বাচন পাতিবলৈ দিয়া নহ'ব। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতিয়ে হুংকাৰ দিলে -- 'নিৰ্বাচন অনুষ্ঠিত হ'লে অসমত তেজৰ নৈ বৈ যাব।'

হৰেন্দ্ৰ নাথ তালুকদাৰৰ নেতৃত্বত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়েও নিৰ্বাচনৰ বাবে সাজু হ'ল। চিপিআইৰ প্ৰমোদ গগৈ, চিপিএমৰ হেমেন দাস, কংগ্ৰেছ(এছ)ৰ শৰৎ চন্দ্ৰ সিংহ আদিয়ে সাতদলীয় মৰ্চা কৰি নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ কথা ঘোষণা কৰিলে। কেৱল জনতা পাৰ্টিয়েহে এই নিৰ্বাচন বৰ্জন কৰিলে। প্ৰধান দলবোৰে অংশগ্ৰহণ কৰিবলৈ সন্মত হোৱাৰ পিছত নিৰ্বাচন অৱধাৰিত হৈ পৰিল। ১৯৮৩ চনৰ নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত কংগ্ৰেছ দলৰ লগতে চিপিএমৰ হেমেন দাস, চিপিআইৰ প্ৰমোদ গগৈ, কংগ্ৰেছ(এছ)ৰ

OKDISCD



১৯৭৯ চনৰ ছয় নৱেম্বৰ
ঃ অসম আন্দোলনৰ প্ৰথম গণ সমাৱেশ



১৯৮০ চনৰ ১০ ছেপ্টেম্বৰ
ঃ গণ সত্যাগ্ৰহৰ এটি দৃশ্য

OKDISCD



অসম আন্দোলনৰ ৰণশিঙা দিৱস


অসম আন্দোলনৰ আন এটি কাৰ্যসূচী
ঃ জোৰ লৈ শোভাযাত্ৰা

OKDISCD

শৰৎ চন্দ্ৰ সিংহও এনে সিদ্ধান্তৰ সমান অংশীদাৰ আছিল। ইয়াৰ বাবে এটা দলক বা কোনো এগৰাকী ব্যক্তিক দোষাৰোপ কৰিব নোৱাৰি। অৱশেষত সঁচাকৈয়ে অসমত তেজৰ নৈ বৈ গ'ল। নেলী, গহপুৰত নাৰী-শিশুৰ হত্যাযজ্ঞ চলিল। গোষ্ঠীগত সংঘৰ্ষই ব্যাপকৰূপ ধাৰণ কৰিলে। পুলিচৰ গুলীত, আন্দোলনকাৰীৰ হাতত অসংখ্য লোকৰ মৃত্যু হ'ল। নিৰ্বাচনোত্তৰ পৰিস্থিতিত কংগ্ৰেছ দলৰ হাইকামাণ্ডৰ নিৰ্দেশক্ৰমে হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী হ'ল। হিতেশ্বৰ শইকীয়া আন্দোলনকাৰী নাছিল। সেয়েহে কংগ্ৰেছ দলৰ অনুগত সদস্য হিচাপে দলৰ দ্বাৰা অৰ্পিত এই গুৰুদায়িত্ব বহন কৰাটোৱেই স্বাভাৱিক আছিল। কিন্তু অসমৰ আন্দোলনকাৰী নেতাসকলে কেৱল হিতেশ্বৰ শইকীয়াকেই 'জাতিদ্ৰোহী' বুলি অহৰহ আক্ৰমণৰ লক্ষ্য কৰি ল'লে। অসংখ্য কংগ্ৰেছ কৰ্মীক হত্যা কৰা হ'ল, নিৰ্যাতন চলোৱা হ'ল আৰু সামাজিক বৰ্জনৰ কাৰ্যসূচী লোৱা হ'ল। 'বিদেশী বহিস্কাৰ'ৰ ধ্বনিক ক্ৰমান্বয়ে 'হিতেশ্বৰ বহিস্কাৰ'ৰ ধ্বনিলৈ ৰূপান্তৰিত কৰা হ'ল। ক্ৰমান্বয়ে দিন বাগৰিল। হিতেশ্বৰ শইকীয়াৰ ৰাজনৈতিক বিচক্ষণতা আৰু প্ৰশাসনীয় দক্ষতাৰ সন্মুখত আন্দোলনকাৰীসকল তিষ্ঠিব নোৱৰা হৈ পৰিল। ক্ৰমান্বয়ে আন্দোলন স্তিমিত হৈ আহিল। অসমলৈ শান্তিৰ পৰিবেশ পুনৰ ঘূৰি আহিল। 'অসম বন্ধ'ৰ বাহিৰে আনবোৰ কাৰ্যসূচী ব্যৰ্থ হ'বলৈ ধৰিলে। জনগণৰ ব্যাপক অংশগ্ৰহণৰ জনপ্ৰিয় কাৰ্যসূচীবোৰ ক্ৰমাৎ অসাৰ হৈ পৰিল। অৱশেষত কংগ্ৰেছ দলৰ মহান নেতা প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ বিশেষ আগ্ৰহ আৰু হস্তক্ষেপৰ ফলত ১৯৮৫ চনত 'অসম চুক্তি' স্বাক্ষৰিত হ'ল। পুনৰবাৰ কংগ্ৰেছ দলৰ অনুগত সদস্যৰূপে মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই হাইকামাণ্ডৰ নিৰ্দেশ সাৰোগত কৰি বিধানসভা ভংগ আৰু নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত ল'লে। ১৯৮৫ চনত নিৰ্বাচন ঘোষণা হ'ল। দুবছৰ আগতে ১৯৮৩ চনত যিখন ভোটাৰ তালিকাক অবৈধ আখ্যা দি আন্দোলনৰ নেতাসকলে নিৰ্বাচন বৰ্জনৰ আহ্বান দিছিল, সেই একেখন ভোটাৰ তালিকাৰ আধাৰতে ১৯৮৫ চনত নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ তেওঁলোক উদগ্ৰীৱ হৈ পৰিল। তেনেহ'লৈ ১৯৮৩ চনত নিৰ্বাচন বৰ্জনৰ আহ্বান দি শ শ লোকৰ তেজেৰে নৈ বোৱাই দিয়াৰ পৰিস্থিতি নেতাসকলে সৃষ্টি কৰিছিল কিয়? ১৯৮৩ চনতেই তেওঁলোকে কিয় নিৰ্বাচনত অংশগ্ৰহণ নকৰি সৰ্বভাৰতীয় দলৰ কৰ্মীৰ ওপৰত 'সামাজিক বহিস্কাৰ'ৰ দৰে কাৰ্যসূচী লৈ আক্ৰমণ নমাইছিল? এয়া আছিল আন্দোলনৰ নেতাসকলৰ ঐতিহাসিক অপৰাধ। ইন্দিৰা গান্ধীয়ে ১৯৮০ চনত দিয়া ১৯৭১ চনৰ ভিত্তি বৰ্ষৰ সমাধান নামানি আন্দোলন চলোৱা নেতাসকলে বহু ৰক্তপাতৰ বিনিময়ত ১৯৮৫ চনত 'অসম চুক্তি'ৰ জৰিয়তে সেই একেটা সমাধানকেই মানি ল'লে। তেনেহ'লে পাঁচ বছৰে অসমৰ ৰাইজক তেওঁলোকে ইমান যাতনা ভোগালে কিয়? এই প্ৰশ্নবোৰৰ উত্তৰ দিব কোনে? ১৯৮৫ চনৰ নিৰ্বাচনত অসম গণ পৰিষদৰ চৰকাৰ গঠন হ'ল। তদানীন্তন প্ৰধানমন্ত্ৰীয়ে আন্দোলনৰ নেতাসকলক অতিশয় স্নেহৰ দৃষ্টিৰে চাইছিল। 'অসম চুক্তি' নকৰা হ'লেও ৰাজীৱ গান্ধীৰ একো বিশেষ ক্ষতি নহ'লহেঁতেন। অসমৰ ৰাইজ তথা আন্দোলনৰ নেতাসকলৰ প্ৰতি থকা অসীম স্নেহ আৰু শুভেচ্ছাৰ বাবেই মহান নেতা ৰাজীৱ গান্ধীয়ে নিজৰ দলৰ চৰকাৰক বলি দি হ'লেও 'অসম চুক্তি' সম্পাদন কৰিছিল। কিন্তু অসম গণ পৰিষদ চৰকাৰে তেখেতৰ প্ৰতি কেনেধৰণৰ কৃতজ্ঞ আচৰণ কৰিলে? অগপ চৰকাৰৰ দিনত শ শ কংগ্ৰেছ কৰ্মীক গুলীয়াই হত্যা কৰা হ'ল। সেই হত্যাকাৰীসকলে লক্ষীপথাৰ, চৰাইপুঙকে ধৰি ৰাজ্যখনৰ বিভিন্ন ঠাইত মুকলিকৈ প্ৰশিক্ষণ শিবিৰ পৰিচালনা কৰিছিল। অগপ চৰকাৰ কেৱল নীৰৱ দৰ্শকেই নহয়, এই চৰকাৰ আছিল ইয়াৰ গোপন উদ্যোক্তা। ইয়াৰ আগতে কেৱল হিতেশ্বৰ শইকীয়াকেই অসমীয়া জাতিৰ শত্ৰু বুলি ব্যাপক ঘৃণাৰ ঢৌ আৰু অপপ্ৰচাৰৰ ধুমুহা বোৱাই দিয়া হৈছিল। হিতেশ্বৰ শইকীয়া মিজোৰামৰ ৰাজ্যপাল হৈ গুচি গ'ল। কিন্তু ক'তা তেখেতৰ অনুপস্থিতিতো দেখোন অগপ চৰকাৰে 'সোণৰ অসম'ৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে। ১৯৮০ চনৰ ১৯ এপ্ৰিলত হিতেশ্বৰ শইকীয়াক বোমা বিস্ফোৰণেৰে হত্যাৰ প্ৰচেষ্টা চলাইছিল, ১৯৮৩ চনৰ ১৯ নৱেম্বৰত ৰবীন্দ্ৰ ভৱনৰ সমুখত বন্দুকেৰে হত্যাৰ প্ৰচেষ্টা চলাইছিল। অগপ চৰকাৰ হোৱাৰ পিছতো হিতেশ্বৰ শইকীয়াৰ ভাই-ভতিজাক নৃশংসভাৱে হত্যা কৰা হ'ল। অগপ নেতৃত্বই ব্যাপক অপপ্ৰচাৰৰ দ্বাৰা হিতেশ্বৰ শইকীয়াক ইমানেই 'চকুৰ কুটা দাঁতৰ শাল' স্বৰূপ কৰিলে যে শইকীয়াৰ সমৰ্থক বা সম্পৰ্কীয় হোৱাটোও ভয়ংকৰ অপৰাধ হৈ পৰিল। অগপ চৰকাৰৰ প্ৰতিশোধ পৰায়ণতা আৰু অৰাজকতাই ইমানেই চূড়ান্ত সীমা পালেগৈ যে হত্যা বিভীষিকাই অসমৰ কংগ্ৰেছ কৰ্মীসকলক শ্মশানমুখী কৰি তুলিলে। ইয়াৰ লগে লগে অন্যান্য ব্যৱসায়ী, বিষয়া আৰু নিৰিহ নাগৰিকসকলো বলি হ'ল। অৱশেষত হিতেশ্বৰ শইকীয়া অসমৰ ৰাজনীতিলৈ ঘূৰি আহিল। ১৯৯১ চনৰ নিৰ্বাচনত মৰিশালিৰ নিস্তব্ধতাৰ মাজত কংগ্ৰেছ দলে পুনৰ প্ৰাণ পাই উঠিল। কংগ্ৰেছ দলে পুনৰ চৰকাৰ গঠন কৰিলে আৰু অসম গণ পৰিষদ দল পৰাস্ত হ'ল। অসমলৈ শান্তিৰ বাতাবৰণ ঘূৰি আহিল। উগ্ৰপন্থীসকলে অসমৰ পৰা পলাই পত্ৰং দি বিদেশত আশ্ৰয় ল'লৈগৈ। এচাম উগ্ৰপন্থীয়ে সংগঠন ত্যাগ কৰি ওলাই আহিল।

১৯৯১ চনত নিৰ্বাচিত শইকীয়াৰ কংগ্ৰেছ চৰকাৰখনক বিৰোধী দল অগপই গঠনমূলক দৃষ্টিভংগীৰে সহযোগ নকৰিলে। হিতেশ্বৰ শইকীয়াৰ হাতত পৰাজিত হোৱাৰ গ্লানি আৰু তেখেতৰ প্ৰতি থকা তীব্ৰ ব্যক্তিগত আক্ৰোশকেই প্ৰধান স্থান দি হকেবিহকে তেওঁলোকে অসহযোগিতা আৰম্ভ কৰিলে। আনকি শান্তি-সম্প্ৰীতি আৰু জনগণৰ উন্নয়নৰ বাবে শইকীয়া চৰকাৰে লোৱা কাৰ্যসূচীবোৰৰো বিৰোধিতা আৰম্ভ কৰিলে অগপই। শইকীয়া চৰকাৰে শপত গ্ৰহণ কৰাৰ পিছদিনাই চৈধ্যজন চৰকাৰী বিষয়াক আলফাই অপহৰণ কৰি নিয়ে। বহু আবেদন কৰাৰ পিছতো আলফাই পণবন্দী বিষয়াক মুকলি কৰি নিদিয়াত সামৰিক অভিযান চলাব লগা হয়। কিন্তু অসম গণ পৰিষদে সামৰিক অভিযানক তীব্ৰ প্ৰতিবাদ কৰি হুলস্থূল কৰিলে। লগত যোগ দিলে চিপিআই আৰু চিপিএমে। সামৰিক অভিযানৰ হেঁচাত এচাম উগ্ৰপন্থী যুৱকে আত্মসমৰ্পণ কৰি ওলাই আহিল। কিন্তু তেতিয়াৰ সমালোচক বিৰোধী দলে আত্মসমৰ্পণৰো বিৰোধিতা কৰিলে। সামৰিক বাহিনীৰ গুলীত উগ্ৰপন্থীৰ মৃত্যু হ'লেও তেওঁলোকে সামৰিক নিৰ্যাতনৰ অভিযোগ তুলি ধৰ্ণা, বিক্ষোভ পালন কৰিলে। হিতেশ্বৰ শইকীয়াক 'গণ শত্ৰু, নৰখাদক' উপাধি দি অগপ নেতাসকলে ৰাজহুৱা সভাত ব্যক্তিগত আক্ৰমণ কৰিলে। পুনৰবাৰ 'বিদেশী নাগৰিক'ৰ বিষয় লৈ হুলস্থূল কৰা হ'ল। শইকীয়াই পৰামৰ্শ আগবঢ়ালে -- সৰ্বদলীয় কমিটি পাতি বিদেশী চিনাক্ত কৰিবলৈ। কিন্তু অগপ মান্তি নহ'ল। কাৰণ তেওঁলোকে ক্ষমতা লাভৰ বাবে পৰিবেশ ৰচনা কৰিবলৈহে সমালোচনা কৰে, কোনো দায়িত্ব মূৰ পাতি ল'ব নোখোজে।

হিতেশ্বৰ শইকীয়াৰ মৃত্যুৰ পিছৰ ৰাজনৈতিক শূন্যতাৰ ফলশ্ৰুতিত অসম গণ পৰিষদে ১৯৯৬ চনৰ নিৰ্বাচনত পুনৰ ক্ষমতালৈ আহিল। অৱশ্যে এইবাৰ অকলে নহয়। লগত চিপিআই আৰু চিপিএমকে ধৰি তিনিটা দল। 'অসমীয়া বিৰোধী' বুলি হিতেশ্বৰ শইকীয়া নামৰ মাত্ৰ এজন ব্যক্তিৰ বিৰুদ্ধে তথাকথিত অসমপ্ৰেমীসকলে সন্মিলিতভাৱে একেৰাহে পোন্ধৰ বছৰ ধৰি নেৰানেপেৰাকৈ ভয়ংকৰ যুদ্ধ চলালে। অপৰাজেয় হৈয়েই শইকীয়া আমাৰ মাজৰ পৰা আঁতৰি গ'ল। কিন্তু আজি শইকীয়াহীন অসমত 'অসম প্ৰেমী'সকলে কি কৰিছে? হিতেশ্বৰ শইকীয়াই মাত্ৰ সীমিত সময়ৰ বাবেও সৈন্য অভিযান চলালে তেখেত জাতিদ্ৰোহী হয়, অগপই একেৰাহে সামৰিক অভিযান দীঘলীয়াকৈ চলালেও অসম প্ৰেমী হয়! হিতেশ্বৰ শইকীয়াই 'ব্লেককেট' ল'লে তিৰস্কাৰ, উপহাসৰ সীমা নাথাকে, অগপৰ মুখ্যমন্ত্ৰীয়ে 'ব্লেককেট' ল'লে ধন্য হয় শৰাইঘটীয়া অসমপ্ৰেমীৰ দল! হিতেশ্বৰ শইকীয়াৰ দিনৰ সৈন্যবাহিনীক অসমত অগপই ৰাখিব পাৰে, কিন্তু শইকীয়া চৰকাৰে নিযুক্তি দিয়া শিক্ষক, কৰ্মচাৰীক হ'লে খেদাৰ তালত থাকে। প্ৰতিশোধপৰায়ণ মনোভাৱেৰে শিক্ষকসকলক প্ৰাপ্য দৰমহাৰ পৰা বঞ্চিত কৰি আজি অগপ চৰকাৰে ভীষণ অপৰাধ কৰিছে। ৰাজনৈতিক দলৰ মাজত মত পাৰ্থক্য থাকে। একেটা ৰাজনৈতিক দলেই চিৰকাল চৰকাৰ চলাব বুলি গণতন্ত্ৰত কোনো কথা নাই। ৰাজনৈতিক আক্ৰোশৰ বাবে শিক্ষক-কৰ্মচাৰীসকলক শত্ৰু জ্ঞান কৰি অগপ দলে এক কু-পৰম্পৰা আৰম্ভ কৰিলে।

সৌ সিদিনালৈকে অৰ্থাৎ ক্ষমতাত বহাৰ আগলৈকে সামৰিক বাহিনীৰ বিৰুদ্ধে দপদপাই থকা অগপ দলৰ নেতাসকল ক্ষমতাত অধিষ্ঠিত হৈয়েই সেনা অভিযানৰ সপক্ষে আৰু আলফাৰ বিপক্ষে সৰৱ হৈ উঠিল। উপলব্ধিপ্ৰসুত জ্ঞানেৰে নিজৰ পুৰণা পাপৰ প্ৰায়শ্চিত্ত কৰিব খুজিছে বুলি পোনপ্ৰথমতে আমি অগপ নেতাৰ পৰিৱৰ্তিত আচৰণক আন্তৰিকতাৰে স্বাগতম জনাইছিলো। সন্ত্ৰাসবাদৰ বিৰুদ্ধে দুই-এজনে চমকপ্ৰদ মন্তব্য কৰি আমাৰ শংকিত মনক আশ্বস্ত কৰিছিল। মুখ্যমন্ত্ৰীৰ ওপৰত চলা আলফাৰ ব্যৰ্থ আক্ৰমণৰ প্ৰচেষ্টাত আমিও উদ্বিগ্ন হৈছিলো। কিন্তু অগপ চৰকাৰৰ দুতলীয়া নীতি বুজিবলৈ আমাৰ বেছি সময় নালাগিল। আলফাৰ লগত অগপ মন্ত্ৰীৰ সম্পৰ্ক থকা বুলি সৈন্যই এজাহাৰ দিয়াৰ পিছতো অগপ চৰকাৰৰ গা নলৰিল। আইনে নিজৰ পথ নল'লে। এফালে তেওঁলোকে সৈন্যৰ অভিযান চলায় আৰু আনফালে সৈন্যৰ গুলীত মৃত্যু হোৱা উগ্ৰপন্থীৰ চিতাত জুই দি শ্বহীদ ঘোষণা কৰি অগপৰ কেন্দ্ৰীয় মন্ত্ৰীয়ে উত্তপ্ত ভাষণ দিয়ে। আত্মসমৰ্পণৰ প্ৰক্ৰিয়া বন্ধ কৰি দি উগ্ৰপন্থী সংগঠনৰ সাংগঠনিক ভেটি সুদৃঢ় কৰা হ'ল। এতিয়া উগ্ৰপন্থী সংগঠনত যুৱক-যুৱতীয়ে ভৰ্তি হোৱাৰ প্ৰক্ৰিয়া চলি আছে কিন্তু ওলাই অহাৰ কোনো পথ নাই। উগ্ৰপন্থীৰ আক্ৰমণৰ লক্ষ্য হৈ থকা আত্মসমৰ্পণকাৰীসকলৰ ওপৰতো চৰকাৰে পুনৰ হাৰাশাস্তি চলাই পৰোক্ষভাৱে উগ্ৰপন্থীৰ মনোবল বৃদ্ধি কৰিছে। আত্মসমৰ্পণৰ বিৰোধিতা কৰি অগপৰ নেতাসকলে এসময়ত উগ্ৰপন্থী সমস্যাৰ 'ৰাজনৈতিক সমাধান'ৰ কথা কৈছিল। কিন্তু ক'তা? আজি ইমান দিনে তেওঁলোকৰ 'ৰাজনৈতিক সমাধান'ৰ কোনো ৰেঙনিয়েই দেখা নাপালো। ভুল পথে পৰিচালিত হোৱা যুৱক-যুৱতীসকলক এতিয়া কেৱল গুলীয়াই হত্যা কৰিহে সমস্যাৰ সমাধান কৰিব খোজা হৈছে। ভুল পথৰ পৰা ওভতাই অনাৰ কোনো প্ৰচেষ্টা চলোৱা নাই। অনবৰত অত্যাচাৰী বুলি কংগ্ৰেছক গালি পৰা জাতীয়তাবাদী শিবিৰে এতিয়া হিচাপ কৰি চাওকচোন আঞ্চলিক দলৰ চৰকাৰৰ অধীনত এতিয়ালৈকে

OKDISCD

কিমান অসমীয়া যুৱক-যুৱতীক গুলীয়াই হত্যা কৰা হ'ল? তথাকথিত অসমপ্ৰেমীসকলে আজি নিজৰ মনতে প্ৰশ্ন কৰক — 'গণ শত্ৰু কোন, জাতিদ্ৰোহী কোন?' আজি একাংশ অগপ নেতাৰ বিৰুদ্ধেও আলফাই হুংকাৰ দিছে। জিলা পৰ্যায়ৰ দুগৰাকী অগপ নেতাক হত্যা কৰাৰ উপৰিও পৌৰ প্ৰশাসন মন্ত্ৰী বিৰাজ শৰ্মাৰ ওপৰতো আক্ৰমণ চলিল। তাহানি অগপ নেতাসকলে প্ৰদৰ্শন কৰা আক্ৰোশৰ ৰাজনীতিত মই বিশ্বাস নকৰোঁ। সেয়েহে সম্পূৰ্ণ আন্তৰিকতাৰে তেখেতসকলৰ প্ৰতি মোৰ সহানুভূতি জ্ঞাপন কৰিছো আৰু দ্ব্যৰ্থহীন ভাষাৰে এই ঘটনাবোৰক গৰিহণা দিছো। কিন্তু শ শ কংগ্ৰেছী হত্যাৰ সময়ত, ডাঃ ভূমিধৰ বৰ্মনৰ ওপৰত বাৰম্বাৰ চলা ভয়ংকৰ আক্ৰমণৰ সময়ত অগপ নেতাসকলৰ আচৰণ অতি দুৰ্ভাগ্যজনক আছিল । হিতেশ্বৰ শইকীয়াৰ বিৰোধিতা কৰিবলৈ গৈ তেখেতসকলে কোনো বাচবিচাৰ নকৰি সকলোৰে লগত ঐক্যবদ্ধ হৈছিল। কাৰণ আলফা, অগপ, আছু সকলোৱে এগৰাকী নেতাকেই উমৈহতীয়া পৰম শত্ৰু বুলি গণ্য কৰিছিল - সেয়া আছিল হিতেশ্বৰ শইকীয়া। আজি কিন্তু প্ৰফুল্ল মহন্তৰ বিৰোধিতা কৰিবলৈ গৈ আলফাৰ সৈতে বন্ধুত্ব পতাৰ কথা মই ভাবিবই নোৱাৰো। ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাক মই শত্ৰুতা বুলি নাভাবো। হিতেশ্বৰ শইকীয়াদেৱে এই আদৰ্শ দেখুৱাই থৈ গৈছে। ১৯৭৮ চনত অসমত জনতা পাৰ্টিয়েও এখন অকংগ্ৰেছী চৰকাৰ গঠন কৰিছিল। গোলাপ বৰবৰা মুখ্যমন্ত্ৰী হৈছিল। কিন্তু আজিৰ দৰে ব্যক্তিগত আক্ৰোশৰ ৰাজনীতি তেতিয়া নাছিল। ৰাজনৈতিক মতপাৰ্থক্য থাকিলেও তাক ব্যক্তিগত হিংসাৰ পৰ্যায়লৈ কেতিয়াও অৱনমিত কৰা নাছিল। অসম আন্দোলনৰ দিনৰ পৰাই আঞ্চলিকতাবাদীসকলে অসমত ব্যক্তিগত আক্ৰোশ আৰু হিংসাৰ ৰাজনীতি আৰম্ভ কৰিলে। সামাজিক তথা মানৱীয় মূল্যবোধৰ অপমৃত্যু ঘটোৱা হ'ল।

গণতন্ত্ৰৰ বক্তৃতা দিয়া অগপ নেতাসকলে প্ৰথম পাঁচ বছৰৰ কালছোৱাত পঞ্চায়তৰ পৰা ধৰি গুৱাহাটী পৌৰ নিগমলৈকে ক'তোৱেই নিৰ্বাচন অনুষ্ঠিত নকৰিলে। সুদীৰ্ঘ যোল্ল বছৰ ধৰি নিৰ্বাচনৰ পৰা বঞ্চিত হৈ থকা গুৱাহাটী মহানগৰীত হিতেশ্বৰ শইকীয়া চৰকাৰে পৌৰ নিগমৰ নিৰ্বাচন অনুষ্ঠিত কৰিলে। গুৱাহাটী মহানগৰীত অগপৰ ভেটি সৰল বুলি জানি বুজিও শইকীয়াই এই নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লৈছিল। কাৰণ শইকীয়া ভীৰু নাছিল। গণতন্ত্ৰৰ প্ৰতি শ্ৰদ্ধাশীল বাবেই তেখেতে ৰাইজৰ উন্নয়নৰ স্বাৰ্থত এই সাহসী সিদ্ধান্ত গ্ৰহণ কৰিছিল।

শইকীয়া চৰকাৰৰ দিনত এজন বিষয়াৰ অপহৰণ আৰু আলফাৰ সৈতে সম্পৰ্ক ৰখাৰ অভিযোগত সাংবাদিক অজিত কুমাৰ ভূঞাক প্ৰশাসনে গ্ৰেপ্তাৰ কৰিছিল। সাংবাদিকৰ স্বাধীনতাৰ ওপৰত আক্ৰমণ চলা বুলি তদানীন্তন বিৰোধী দল অগপই হুংকাৰ তুলি প্ৰতিবাদ কৰিলে। বিক্ষোভ কাৰ্যসূচীৰে গ্ৰেপ্তাৰ বৰণ কৰা সাংবাদিকসকলক আৱদ্ধ কৰি ৰখা নেহৰু পাৰ্কৰ অস্থায়ী কাৰাগাৰত অগপৰ সভাপতি সমন্বিতে নেতাসকলে উদাত্ত ভাষণ দিলে। প্ৰতিবাদ জনাবৰ বাবে নতুন দিল্লীলৈকো উৰা মাৰিলে তেওঁলোকে। আৰু আজি? তেওঁলোকেই অজিত ভূঞাক গ্ৰেপ্তাৰ কৰি গুৱাহাটীৰ পৰা নগাওঁ, মাজুলী, যোৰহাট, ডিব্ৰুগড়লৈ ঘূৰাই ফুৰালে। গুৱাহাটী দূৰদৰ্শনৰ বাতৰি বিভাগৰ বিষয়াক অনাহক গ্ৰেপ্তাৰ কৰি আনি সংবাদ মাধ্যমৰ স্বাধীনতাৰ প্ৰতি শ্ৰদ্ধাৰ অপূৰ্ব নিদৰ্শন দাঙি ধৰিলে। এইসকল অসমপ্ৰেমী নেতাই এসময়ত হিতেশ্বৰ শইকীয়াক 'স্বৈৰাচাৰী' আখ্যা দিছিল। তেন্তে স্বৈৰাচাৰী কোন?

আজি অসমবাসী ৰাইজৰ বাবে উন্নয়নৰ কাম-কাজ কৰিবলৈ হ'লে এই সুদীৰ্ঘ দিনৰ শিক্ষাৰ পৰা আমি উপলব্ধি কৰিব লাগিব। ৰাজনীতি এটা ব্যৱসায় বা বৃত্তি নহয়। ই সমাজৰ সেৱা কৰিবৰ বাবে এক সামাজিক স্পৃহা। প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱে অসমৰ কংগ্ৰেছীসকলৰ বাবে এই আদৰ্শ দেখুৱাই থৈ গৈছে। মনত ৰখা উচিত যে আন্দোলন কৰি, ৰাইজক প্ৰৱঞ্চনা কৰি, জাতিপ্ৰেমৰ অভিনয় কৰি, সোণৰ অসম গঢ়িম বুলি, 'জয় আই অসম' ধ্বনি দি হিতেশ্বৰ শইকীয়াই অসমৰ ৰাজনীতিত প্ৰবেশ কৰা নাছিল। নিজৰ অঞ্চলৰ ৰাইজৰ সামাজিক কাম-কাজত দেহেকেহে লাগি অতি কম বয়সতে তেখেতে অসমৰ ৰাজনীতিত উচ্চ আসন লাভ কৰিবলৈ সমৰ্থ হৈছিল। কঠোৰ প্ৰত্যাহ্বান, সমালোচনা, নিন্দা, হিংসা — সকলোকে হাঁহিমুখে গ্ৰহণ কৰি অসীম ধৈৰ্য আৰু প্ৰচণ্ড সাহসেৰে তেখেতে ৰণক্ষেত্ৰক কৰ্মক্ষেত্ৰলৈ পৰিণত কৰিছিল। কৰ্মই ধৰ্ম, কৰ্মই প্ৰেৰণা, কৰ্মই জীৱন। এয়াই হিতেশ্বৰ শইকীয়াৰ জীৱনৰ মূলমন্ত্ৰ।

★ ★ ★ ★ ★

*পৰিচিতি ঃ লেখিকা ডঃ শইকীয়া গুৱাহাটী পৌৰ নিগমৰ প্ৰাক্তন মেয়ৰ, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰাক্তন উপ-সভানেত্ৰী আৰু বৰ্তমান অসম বিধান সভাৰ এগৰাকী বিধায়িকা।*

OKDISCD

# হিতেশ্বৰ শইকীয়া - ভিতৰৰ মানুহ

-শ্ৰীত্ৰৈলোক্য নাথ শৰ্মা

এদিনৰ কথা। তেতিয়া হিতেশ্বৰ শইকীয়াই প্ৰথমবাৰ মুখ্যমন্ত্ৰী হৈ সেই আসনত অধিষ্ঠিত হৈছে। দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে (সত্ৰৰ পৰা অধিকৰণ কৰা ভূমি-সম্পত্তিৰ ১৯ বছৰেও সেইবিলাকৰ হিচাপ চৰকাৰে একো নকৰাত) লেখকক ৰাজমেধিৰ এক্তিয়াৰেৰে ৰাজহ বিভাগৰ সচিবগৰাকীৰ ওচৰলৈ পঠিয়ায়। সচিবগৰাকীয়ে সেই সম্পৰ্কত সহানুভূতি আৰু আন্তৰিকতা দেখুৱাই, মুখ্যমন্ত্ৰীক এবাৰ লগ ধৰি যাবলৈ কয় - কামটো ত্বৰান্বিত কৰিবৰ বাবে। আমি ভাবিলো আমাৰ একো ব্যক্তিগত স্বাৰ্থ নাই, এটা ৰাজহুৱা কামৰ বাবেই অহা হৈছে। আমি সচিবগৰাকীক জনালো মুখ্যমন্ত্ৰীক লগ কৰিব পাৰো বুলি। তেখেতে তেতিয়াই শইকীয়াদেৱলৈ ফোন কৰাত তেখেতেও সিফালৰ পৰা আমাক মাতি পঠিয়ায় আৰু মুখ্যমন্ত্ৰীৰ পাচনি এগৰাকীয়ে সাক্ষাৎ কৰিবলৈ আমাক লগে লগে লৈ যায়হি।

মুখ্যমন্ত্ৰীৰ কোঠাটোত ৬/৭জনমান বিষয়া আৰু সাক্ষাৎকাৰী আছিল। তেখেতে আমাক বহিবলৈ কৈ খন্তেক অপেক্ষা কৰিবলৈ কয়। কেইমিনিটমানৰ ভিতৰতে সেইসকলক বিদায় দিয়ে আৰু দুৱাৰীক কপাটখন বন্ধ কৰিবলৈ কয়। শইকীয়াই স্মিত হাস্য কৰি আমাক সুধিবলৈ নৌপাওঁতেই আমি ক'লো, "আপোনাৰ সৈতে এতিয়ালৈকে চাক্ষুস পৰিচয় নাই।" আমি ক'বলৈহে পালো, তেখেতে হাঁহি মুখেৰে ক'লে, "আপুনি সেই বুলি কিয় কয়। মই স্কুল-কলেজত থকাৰে পৰা (সাপ্তাহিক) 'জনমভূমি'ৰ আপোনাৰ সম্পাদকীয় প্ৰবন্ধ আৰু নিয়মীয়া সংবাদ পৰ্যালোচনাবিলাক আগ্ৰহেৰে পঢ়ো আৰু লগত সহপাঠীৰে সৈতে আলোচনা কৰো। এনেস্থলত, চাক্ষুষ পৰিচয় নাই বুলি কিয় কয়।" ভালেমান ৰাজনীতিক আৰু নেতাই লেখাবিলাক নপঢ়াকৈয়ে লেখকক মন ভাল লগাবলৈ সাধাৰণতে সেইদৰে কয়। সেইগুণে আমিও ভাবিছিলো শইকীয়ায়ো কি জানি সেইদৰেই কৈছে। কিন্তু শইকীয়াই সেইদৰে কৈয়ে আকৌ ক'লে - আপুনি চীনা যুদ্ধৰ ভিতৰতে সম্পাদকীয়ত এইদৰে লেখা নাছিল জানো? সেই বুলি কৈয়ে সম্পাদকীয়টোৰ আৰম্ভণিৰ দীঘলীয়া পেৰেগ্ৰাফটো আবৃত্তিৰ দৰে মুখস্থ গাই দিলে। আমি অবাক! আমি নিজেই সেই কথা পাহৰি যোৱাৰ দৰে হৈছিল। পিছমুহূৰ্ততে আমাৰ সকলো কথা মনত পৰি গ'ল। মনতে হ'লেও শইকীয়াক অন্যান্য ৰাজনৈতিক নেতাৰ দৰে ভবাৰ কাৰণে আমি বৰ লজ্জিত হৈছিলো।

আমাৰ সীমিত পৰিমণ্ডলৰ ভিতৰত তেনেদৰে প্ৰখৰ স্মৃতিশক্তি সম্পন্ন লোক পাইছিলো ডঃ মহেন্দ্ৰ বৰা আৰু দুই-এজনকহে। শইকীয়াই ৰুদ্ধ কক্ষত আমাৰ সৈতে ৪০মিনিটমান ৰাষ্ট্ৰীয় পটভূমিত অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিষয়ে আলোচনা কৰে। আৰু সেই আলোচনাৰ আঁত ধৰি গুৱাহাটীৰ ফালে আহিলে তেখেতক লগ পাই যাবলৈ অনুৰোধ কৰে। সেইদিনাই শইকীয়া সম্পৰ্কে মেটামুটিভাৱে আমাৰ এটা বেলেগ ধাৰণা হয়।

শইকীয়া শ্ৰীশৰৎ সিংহৰ আমোলত গৃহমন্ত্ৰী হৈ থাকোতে আমাৰ সৈতে সুপৰিচিত এগৰাকী আৰক্ষী অধীক্ষকে এবাৰ কথা প্ৰসঙ্গত কৈছিল তেখেতৰ স্মৰণশক্তিৰ বিষয়ে। তেখেতে অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে ভ্ৰমণ কৰোতে আৰক্ষী বিভাগৰ উচ্চ পৰ্যায়ৰ কথা বাদেই, নিম্ন পৰ্যায়ৰো এজন লোকক এবাৰ লগ পোৱাৰ পাছত তেওঁৰ নাম-ঠিকনা গৃহমন্ত্ৰীগৰাকীৰ মচিব নোৱৰাকৈ মনত থাকি যায়। প্ৰশাসনৰ ওপৰত শইকীয়াৰ এটা কটকটীয়া নিয়ন্ত্ৰণ আছিল। আৰু দক্ষ বিচক্ষণ প্ৰশাসক হিচাপে সাফল্য লাভ কৰিছিল - এই এটা ডাঙৰ গুণৰ কাৰণেও।

আৰু এটা ঘটনাৰ কথা। মুখ্যমন্ত্ৰী হৈ থাকোতে শইকীয়াই তেওঁৰ বাস ভৱনত কেইগৰাকীমান ৰাজনৈতিক ব্যক্তিৰে সৈতে আলোচনা কৰি থাকে। নাজিৰা সমষ্টিৰ এজন নেতৃত্বস্থানীয় ৰাজনীতিকে তেওঁৰ সমষ্টিৰে এজন গাঁৱলীয়া লোকক শইকীয়াৰ ওচৰলৈ অহা দেখে আৰু দেখিয়েই তেখেতক কয়, "সেই লোকজনক সাক্ষাৎ নিদিব। তেওঁৰ গাভৰু জীয়েকে সেই ঠাইত আছুৰ আন্দোলনত আগভাগ লৈ তেখেতক কেইবাবাৰো বৰ বেয়া ধৰণে আক্ৰমণ কৰিছিল।" শইকীয়াই গহীন হৈ কয় - মোক লগ ধৰিবলৈ অহা লোকজনৰ পুতেক-

জীয়েকে কি কৰিছে-নকৰিছে, সেইটো তেওঁৰ ক্ষেত্ৰত মোৰ বিচাৰৰ কথা নহয়। তেওঁ মোৰ সমষ্টিৰ লোক। তেওঁৰ অভাৱ-অভিযোগ, দুখ-কষ্টৰ বিষয়ে তেওঁ মোক নকৈ কাৰ আগত কবহি।" শইকীয়াই সেইদৰে কোৱাত মানুহকেইজন বহাৰ পৰা উঠি গ'ল। তেওঁৰ সমষ্টিৰ পৰা অহা চহা মানুহজনক আঠে-বেঠে বহুৱাই কথা পাতিবলৈ ধৰে।

মাজুলীৰ গড়মূৰ সত্ৰৰ প্ৰাতঃস্মৰণীয় শ্ৰীশ্ৰী স্বৰ্গীয় পীতাম্বৰ সত্ৰাধিকাৰ গোস্বামী স্বাধীনতা যুদ্ধৰ এগৰাকী অগ্ৰণী নেতা আৰু বিপ্লৱী সমাজ সংস্কাৰক। তেখেতৰে সুযোগ্য উত্তৰাধিকাৰী সত্ৰাধিকাৰ শ্ৰীশ্ৰী স্বৰ্গীয় কৃষ্ণানন্দ গোস্বামী কোনো কাৰ্যোপলক্ষে দিশপুৰলৈ গৈ, তেখেতসকলেই বাটৰ পৰা বুটলি আনি গঢ়া মানুহ আৰু শিষ্যৰ (এসময়ৰ এজন ৰাজনৈতিক নেতা আৰু মন্ত্ৰী) বাস ভৱনলৈ যায়। তেখেতে সেই লোকজনৰ পৰা পাবলগীয়া সাদৰ অভ্যৰ্থনা নাপাই বৰ দুখিত হয়। আৰু তেখেতে তেওঁৰ বাস ভৱনলৈ যোৱাটো উচিত নাছিল বুলি ভাবে। সত্ৰাধিকাৰৰ লগত যোৱা সত্ৰীয়া বৈষ্ণৱ কেইগৰাকীৰ ভিতৰত প্ৰবীণ আৰু ওজা শিল্পী ভোলানাথ দত্ত কাকতিয়ে মুখ্যমন্ত্ৰী শইকীয়াকে এবাৰ লগ কৰিবলৈ কয়। সত্ৰাধিকাৰ গোস্বামীয়ে তেতিয়া ক'লে নিজে গঢ়া এজন শিষ্যই যি আচৰণ দেখুৱালে সেয়ে আটিছে। তেখেতে আৰু কাকো লগ ধৰিবলৈ নাযায়। কাকতিয়ে বুজাই-বঢ়াই জনালে যে শইকীয়া তেনে ধৰণৰ লোক নহয়। কাকতিৰ বুজনিত সত্ৰাধিকাৰে মুখ্যমন্ত্ৰীগৰাকীক লগ কৰিবলৈ যায়।

সত্ৰাধিকাৰ শইকীয়াই সত্ৰীয়া সংস্কাৰেৰে যিদৰে সশ্ৰদ্ধ সাদৰ সম্বৰ্ধনা জনালে, তেখেতে অভিভূত হয় আৰু লগত যোৱা বৈষ্ণৱ কেইবাগৰাকীয়ে শুনাকৈ স্বগতোক্তি কৰে ৰাজ দণ্ডধাৰী হ'বৰ এইয়েহে যোগ্য পুৰুষ।

কমিউনিষ্ট নেতা আৰু এম এল এ শ্ৰীহেমেন দাসৰ সৈতে এদিন যোৰহাটৰ পাৰ্টিৰ কাৰ্যালয়ত বিভিন্ন বিষয় লৈ কথা পাতি থাকোতে তেখেতে প্ৰসঙ্গক্ৰমে কয় শইকীয়াৰ ওচৰলৈ যাবলৈও আৰু যুঁজ দিবলৈ ভাল লাগে আৰু কাম আদায় কৰি ল'বও পাৰি। বিভাগীয় মুৰব্বী এগৰাকীয়ে ডেকা অসমীয়া ঠিকাদাৰ জনদিয়েকক বঞ্চিত কৰি বাহিৰা অন্য লোকক ঠিকা দিয়ে। যোগ্যতা আৰু সামৰ্থ্য থকা সত্বেও ডেকা কেইজনে ঠিকা নোপোৱাৰ বাবে ক'টলৈ যাবলৈ স্থিৰ কৰে। তেওঁলোকৰ শুভাকাংক্ষী এজনে মোকৰ্দমা তৰিবলৈ যোৱাৰ আগতে সহায়ৰ কাৰণে শ্ৰীদাসৰ ওচৰলৈ যাবলৈ কয়। শ্ৰীদাসে সকলো কথা জানি লৈ মুখ্যমন্ত্ৰীৰ ওচৰলৈ গৈ তেখেতৰ লগত তৰ্ক যুদ্ধ কৰে আৰু ভৎৰ্সনাও কৰে। শইকীয়াই দাসৰ সকলো কথা নিৰৱে শুনি থাকি, তেতিয়াই ফোনত চেক্ৰেটাৰীগৰাকীক বিচাৰে। তেওঁ বুদ্ধি কৰি মাৰ্চ মাহৰ শেহৰ দিনা অৰ্থাৎ ৩১ তাৰিখেই তেওঁৰ দূৰৰ ঘৰলৈগুছি যায়। শইকীয়াই ওপৰৰ অসৎ আমোলা কিছুমানৰ চতুৰালিৰ কাৰণে প্ৰশাসনৰ যে বদনাম হয় সেই কথা স্বীকাৰ কৰে আৰু পাছৰ মাহত বঞ্চিত হোৱা ডেকাকেইজনক ঠিকা দিবলৈ শ্ৰীদাসক প্ৰতিশ্ৰুতি দিয়ে আৰু সেইদৰে কৰেও।

শইকীয়াই এবাৰ লেখকক কথাৰ মাজতে কয় তেখেতে জানি-শুনি পৰাপক্ষত কাকো একো অন্যায় কৰা নাই। যিমানখিনি পাৰে সহায়হে কৰি দিয়ে। লেখকে শইকীয়াৰ কোঠালৈ সোমোৱাৰ লগে লগে লেখকৰ পৰিচিত ভগা এম এল এ এগৰাকী তাৰ পৰা ওলাই অহা দেখে। তেওঁ এগৰাকী প্ৰাক্তন এম এল এৰ উপৰিও এগৰাকী প্ৰাক্তন মন্ত্ৰী। তেওঁ চৰকাৰী বাস ভৱন নিয়ম মতে ভালেদিনৰ আগতেই খালী কৰি দিব লাগিছিল। সংশ্লিষ্ট কৰ্তৃপক্ষই শেহত তেওঁক ঘৰ খালী কৰি দিবলৈ নিৰ্দেশ দিয়ে। সেইগৰাকী লোকে মুখ্যমন্ত্ৰীৰ পৰা সহায় বিচাৰি যায়। শইকীয়াই তেওঁক কয় - তেওঁ কৰ্তৃপক্ষৰ নিৰ্দেশৰ বিৰুদ্ধে একো কৰিব নোৱাৰে। অৱশ্যে, তেওঁক হাউছিং ব'ৰ্ডৰ এটা ঘৰ লোৱাত সহায় কৰি দিব পাৰে। আৰু দিয়েও।

এনে ধৰণৰ গোটাদিয়েক সৰু সৰু ঘটনা উল্লেখ কৰিলো - কিয়নো সৰু সৰু কথাবিলাকতহে একো একোজন লোকৰ মহত্ব ভালকৈ প্ৰকাশ পায়। শইকীয়াৰ ক্ষেত্ৰত এনেধৰণৰ ভালেমান কথা বা ঘটনা আছে। যিবিলাকে তেখেতৰ জীৱনৰ উজ্জ্বল দিশবিলাক আৰু উজ্জ্বল কৰি তোলে।

লেখকৰ এটা দৃঢ় ধাৰণা আৰু বিশ্বাস আছে - বয়সৰ অভিজ্ঞতা বঢ়াৰ লগে লগে সেই বিশ্বাস আৰু দহদহীয়া হৈছে। এগৰাকী লোক যিমানেই বিদ্বান-পণ্ডিত, বহু অধ্যয়নপুষ্ট বুদ্ধিজীৱী হওক, তেওঁৰ যদি আধ্যাত্মিকতা নাথাকে তেন্তে তেওঁ চৰিত্ৰ নিৰ্মল হৈ থাকিব বুলি কোৱা বৰ টান হয়। হজৰত মহম্মদে তেওঁৰ ধৰ্ম প্ৰচাৰ প্ৰথমতে আৰম্ভ কৰোঁতে তেওঁৰ প্ৰচাৰিত ধৰ্মৰ বিৰুদ্ধাচাৰণ কৰোতা এজনে তেওঁৰ ধৰ্মটোনো কি সুধিবলৈ গ'ল। হজৰত মহম্মদে তেওঁৰ প্ৰশ্নৰ উত্তৰত ক'লে, 'চৰিত্ৰ'। তাতকৈ একো বেছি নক'লে। সোধোতাজনে ভাবিলে

OKDISCD

তেওঁৰ প্ৰশ্নটো হজৰতে ভালকৈ নুশুনিলেনেকি। তেওঁ আকৌ গৈ একেটা প্ৰশ্নক কৰিলে। হজৰত মহম্মদে আকৌ ক'লে - 'চৰিত্ৰ'। তাতকৈ বেছি একো নক'লে। প্ৰশ্ন কৰোঁতাজনে তেতিয়াও তেওঁৰ কথা বুজিব নোৱাৰি তৃতীয়বাৰ গৈ হজৰত মহম্মদক একেই প্ৰশ্ন কৰিলেগৈ। তেখেতে একেটা কথাকে ক'লে , 'চৰিত্ৰ'। অৰ্থাৎ তেখেতৰ প্ৰচাৰিত ধৰ্মৰ মূল আধাৰ হ'ল চৰিত্ৰ। এই কথা বিশ্বৰ প্ৰধান প্ৰধান ধৰ্ম কেউটাৰে মূলাধাৰ।

অসমৰ প্ৰথম মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আধ্যাত্মিকতাৰ বিষয়ে ক'বই নালাগে। পৰৱৰ্তী মুখ্যমন্ত্ৰী বিমলা চলিহাৰ আধ্যাত্মিকতাও প্ৰকট আছিল। হিতেশ্বৰ শইকীয়াৰ আধ্যাত্মিকতা তেখেতৰ অন্তৰত অন্তঃস্ৰোতা ফল্গুৰ দৰে বাহিৰৰ পৰা ভালকৈ ধৰিব নোৱৰাকৈ প্ৰবাহিত আছিল। সেই গুণেই 'সূত্ৰে মণিগনা এব' তেওঁৰ অন্তৰ্নিহিত আধ্যাত্মিকতাই মানুহৰ মানৱীয়তাত গভীৰ বিশ্বাস আনি দিছিল। বিপদ-বিঘিনিৰ মাজতো অটলকৈ ৰাখিছিল। তেওঁৰ সকলো কামৰ মাজতে এটা আভ্যন্তৰিন সমন্বয় সাধন ঘটাইছিল। সেই কাৰণতহে কোৱা হৈছে - তেখেতৰ সমকালীন ৰাষ্ট্ৰীয় নেতাসকলৰ অধিকাংশৰ পৰা সেই গুণত তেখেত বেলেগ আৰু বিশিষ্ট আছিল।

*পৰিচিতি ঃ লেখক শ্ৰীশৰ্মা এগৰাকী বিশিষ্ট অগ্ৰণী চিন্তাবিদ আৰু সাংবাদিক*

**********

## শইকীয়াৰ দৰে ব্যক্তিয়েহে দেশ ৰক্ষা কৰিব

'ৰাজনীতিবিদ হিচাপে শ্ৰীশইকীয়াৰ নাম শুনিবলৈ নিবিচৰা লোকে যেতিয়া তেওঁৰ ত্যাগৰ কথা চিন্তা কৰে, বিভাজনবাদী শক্তিসমূহৰ পৰা অহা প্ৰত্যাহ্বান মোকাবিলা কৰাৰ ক্ষেত্ৰত তেওঁৰ পাৰদৰ্শিতা, ধৈৰ্য আৰু সাহসৰ কথা মনত পেলায়, অন্ততঃ ব্যক্তি হিচাপে হ'লেও তেওঁৰ প্ৰতি শ্ৰদ্ধা, মৰম আৰু আস্থা প্ৰকাশ কৰিবলৈ বাধ্য হয়।'

**- ডঃ পবিত্ৰ চৰকাৰ**
*উপাচাৰ্য, ৰবীন্দ্ৰ ভাৰতী, কলিকতা*

## দেশখনৰ এগৰাকী সুসন্তান

দেশখনৰ এগৰাকী সু সন্তানৰ স্মৃতিয়ে এই মুহূৰ্তত মোৰ মন কঁপাই তুলিছে। এই অনুষ্ঠানটো নিৰ্মাণৰ ক্ষেত্ৰত তেৱেঁই আগভাগ লৈছিল। এই স্নেহময় সন্তানজনে শান্তি আৰু প্ৰেমৰ বাবে প্ৰভূত বৰঙণি আগবঢ়াইছিল। অনুষ্ঠানটোৰ সম্পূৰ্ণতাই তেওঁকেই আজি সবাতোকৈ আনন্দিত কৰিলেহেঁতেন। পিছে ভগবানে তেওঁক আমাৰ মাজৰ পৰা লৈ গ'ল। তেওঁ হ'ল অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া। শইকীয়াৰ আদৰ্শই ৰাজ্যখনৰ লোকক সদায়েই প্ৰেৰণা যোগাব।

**- মাদাৰ টেৰেছা**
*(গুৱাহাটীত এইদ্‌ছ ৰোগীৰ আশ্ৰয় কেন্দ্ৰ উদ্বোধন কৰি দিয়া ভাষণ)*



মাদাৰ টেৰেছাৰ সৈতে শান্তিৰ দূত

OKDISCD

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াক মই যেনেদৰে জানিছিলো

**শ্ৰীভৈৰৱ সন্দিকৈ**

চতুৰ আৰু পৰিপক্ক ৰাজনীতিবিদ ৰূপে, সুদক্ষ প্ৰশাসক হিচাপে, ধৈৰ্য আৰু সাহসৰ প্ৰতীক স্বৰূপে, নম্ৰতা, ভদ্ৰতা আৰু শিষ্টাচাৰৰ বাহক ৰূপে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱৰ অসম তথা ভাৰতত এখন সুকীয়া আসন আছে। যিসময়ত অসমৰ ৰাইজে নিৰাপত্তাহীনতা, অস্থিৰতা, শংকা আৰু দুৰ্দশাত জৰ্জৰিত হৈ হাবু-কাবু খাবলগীয়া হৈছিল সেই সময়তেই শইকীয়াদেৱে শাসনৰ বাঘজৰীডাল নিজ হাতলৈ আনি যেনেদৰে অসমলৈ শান্তি, সংহতি, ঐক্য আৰু নিৰাপত্তা ঘূৰাই আনিলে ই সঁচাকৈয়ে একক আৰু বিৰল কৃতিত্ব। শত্ৰুৱেই হওক বা মিত্ৰই হওক, ধনীয়েই হওক বা দুখীয়াই হওক, বেমাৰীয়েই হওক বা নিৰোগীয়েই হওক তেখেতে কেতিয়াও কাকো বিমুখ নকৰিছিল আৰু সকলোকে সন্তোষ লগাই বিদায় দিব পাৰিছিল। এনে গুণ পৃথিৱীত কম সংখ্যক মানুহৰ গাতহে দেখিবলৈ পোৱা যায়। ১৯৯২ চনৰ ১৮ জুনৰ কথা। শইকীয়াদেৱৰ বাস ভৱনত তেখেতক সাক্ষাৎ কৰিবলৈ যোৱা মানুহৰ যথেষ্ট ভীৰ। দীঘলীয়া শাৰী পাতি দুজন তিনিজন কৰি একেলগে শইকীয়াদেৱে বহি থকা কোঠাত গৈ লগ কৰি আছে। এটা দীঘলীয়া শাৰীত ময়ো শাৰী পাতি ৰলো। মোৰ ঠিক আগতে এজন আদহীয়া মানুহে বিভিন্ন কথা কৈ দমদমাই আছে। মাজতে ক'লে যে, "আজি শইকীয়াক ভালদৰে শুনাব লাগিব। মোৰ তৃতীয় ল'ৰাটোৱে বি-ই পাছ কৰি দুবছৰ ঘৰতে বহি আছে। ইফালেদি সি আন্দোলনৰ সময়তো এবছৰ হেৰুৱালে। এতিয়া আৰু ৰব নোৱাৰি। এই সম্পৰ্কত তেখেতক লগ ধৰিবলৈ অহা চাৰিবাৰ হ'ব।" এনে সময়তে আমাৰ পাল পৰিল। আমি মন্ত্ৰী মহোদয়ক লগ ধৰিবৰ বাবে দুৱাৰ মোকল খালে। তেখেত, মই আৰু অন্য দুজন একেলগে মুখ্যমন্ত্ৰীগৰাকী বহি থকা কোঠাত সোমালো। সোমোৱাৰ লগে লগে মিচিকীয়া হাঁহি এটা মাৰি বৰা বহক বুলি ক'লে। তেতিয়াহে জানিব পাৰিলো যে, মানুহজনৰ উপাধি বৰা। লক্ষ্য কৰিলো বৰাৰ সুৰ কিছু বদলি হ'লেই। দৰ্খাস্ত এখন আগবঢ়াই দি পুত্ৰ এজনক কাম এটা দিবলৈ খাটনি ধৰিছে। তেতিয়া শইকীয়াদেৱে ক'লে, "চাওক বৰা আপোনাৰ ল'ৰাই কাম পাব। আপোনাৰতো দুজন ল'ৰাই কাম কৰিয়েই আছে। তাৰ উপৰি আপুনি আৰু ল'ৰাৰ মাকেও চৰকাৰী চাকৰি কৰিয়েই আছে। এনেস্থলত আপোনাৰ পৰিয়ালৰ শেষৰজন ল'ৰাই দুদিনমান পলমকৈ পালেও বিশেষ অসুবিধা নহ'ব। অন্যহাতেদি আপুনি নিশ্চয় উপলব্ধি কৰিব পাৰিছে যে, অসমত থকা ২১,৯৯৫খন গাঁৱত বাস কৰা শতকৰা ৬০টাতকৈয়ো অধিক পৰিয়াল অত্যন্ত দুখীয়া। অৰ্থাৎ ১৪লাখ পৰিয়ালে দুবেলা দুমুঠি খাবলৈকো টনাটনি হয়। এই পৰিয়ালবিলাকত এজনৰো চৰকাৰী কৰ্ম সংস্থাপনৰ ব্যৱস্থা হোৱা নাই। এইবিলাক জানো আমাৰেই একোটা একোটা পৰিয়াল নহয়। গতিকে আমাৰ চৰকাৰে প্ৰতিখন গাঁৱৰ প্ৰতিটো দুখীয়া পৰিয়ালৰ এজনৰো এতিয়ালৈকে কৰ্মসংস্থাপন নথকা পৰিয়ালৰ অন্ততঃ এজনক অগ্ৰাধিকাৰ ভিত্তিত কৰ্ম সংস্থাপন দিবলৈ মনস্থ কৰিছে। ইয়াৰ উপৰিও বৃদ্ধ বয়সৰ পেঞ্চন, স্বামীহীন মহিলাক চলিব পৰাকৈ হাঁহ-কুকুৰাৰ এখন ফাৰ্ম নতুবা তাঁতৰ শাল, চিলাই মেচিন আদি কিনিবৰ বাবে সাহায্য আগবঢ়াবলৈ দিহা কৰা হৈছে। আপোনাৰ এজন সচেতন নাগৰিক হিচাপে এই আঁচনি সমূহত নিশ্চয় দ্বিমত থাকিব নোৱাৰে। এনেদৰে অতি কম সময়ৰ ভিতৰতে শইকীয়াদেৱে বহুখিনি কথা কোৱাৰ পাছত শ্ৰীবৰাৰ মাত হৰিল। আমি লক্ষ্য কৰিলো তেওঁ যেন কথাবিলাকত সম্পূৰ্ণ সন্তুষ্ট হৈছে। যিজন মানুহে বাহিৰত ইমান পৰে দপদপাই আছিল সেইজন মানুহ শইকীয়াৰ ওচৰত ইমান সেও হৈ পৰিব বুলি আমি ভাবিবই পৰা নাছিলো। এনেদৰে অতি উগ্ৰজনকো সন্তুষ্ট কৰিব পৰাটো আৰু কোনজনক কেনেদৰে কৈ সৈমান কৰোৱাব পৰা যায় তাক জনাটো এটা বিশেষ গুণ শইকীয়াদেৱৰ আছিল যিটো সৰ্বসাধাৰণ মানুহৰ অভাৱ দেখা যায়। আন এটা দিনৰ কথা। সেই দিনটো আছিল ৫ অক্টোবৰ, ১৯৯৫ চন। যোৰহাটৰ ২০০বছৰ উদ্‌যাপন কৰাৰ সম্পৰ্কে আলোচনা কৰিবলৈ শ্ৰীযুত সৰযু প্ৰসাদ সিং, প্ৰফেচাৰ নিৰ্মল গোস্বামী আৰু মই নাজিৰাত শইকীয়াদেৱৰ বাস ভৱনত লগ কৰিবলৈ গলো। আমি নাজিৰা পাওঁতে ৰাতি প্ৰায় ১০-৩০ বাজিছে। তেতিয়াও তেখেতক দেখা কৰিবলৈ যোৱা মানুহৰ ভীৰ কমা নাই। ভাবিলো আজি আৰু আমাৰ লগ কৰা নহ'ব, কাৰণ যদি আগত অহাজনক আগতীয়াকৈ লগ কৰাৰ পদ্ধতি পালন কৰা হয় তেন্তে হিচাপ কৰি পালো ৰাতি ১২-৩০ বা ১টা বজাৰ আগতে আমাৰ পাল নপৰিব। এনেবিলাক কথা গুণা-গঁথা কৰি থাকোতেই শইকীয়াদেৱৰ ভনীজোঁৱাই শ্ৰীমেম্বৰ গগৈ আৰু বৰ বোৱাৰীয়েকৰ দেউতাক শ্ৰীসুৰেন ফুকনক তাতে লগ পালো। আমি অহাৰ উদ্দেশ্যৰ কথা বুজিব

পাৰি তেখেতসকল দুয়োৱে আমি যাতে সোনকালে দেখা কৰিব পাৰো তাৰ ব্যৱস্থা কৰিবলৈ ভিতৰলৈ সোমাই গ'ল। প্ৰায় আধা ঘণ্টামানৰ পাছত আমাক তেখেতসকলে জনালে যে আৰু ২০ মিনিট মানৰ ভিতৰত আমি শইকীয়াদেৱক লগ কৰিব পাৰিম। তেতিয়া ৰাতি ১১-৩০ বাজিছিল। আমি কেনেদৰে কথাবিলাক আৰম্ভ কৰিম তাৰেই ৰিহাৰ্চেল কৰি আছো। এনেতে দুৱাৰৰ সন্মুখত ৰৈ থকা চন্তৰীজনে আমাক ভিতৰলৈ যাবলৈ ক'লে। আমি ভিতৰ সোমাই তেখেতক সম্ভাষণ জনালো। তেখেতে আমাক বহিবলৈ ইঙ্গিত দিলে। আমি বহি লৈ আমাৰ উদ্দেশ্য ব্যক্ত কৰিবলৈ আৰম্ভ কৰিছোহে মাথো তেনেতে এজন আলৰ বুঢ়া মানুহে এডাল লাখুটিত ভেজা দি ভিতৰলৈ সোমাই আহিল। শইকীয়াই তেখেতক দেখিয়েই চকীৰ পৰা উঠি গৈ 'চাৰ' বুলি সম্বোধন জনাই ভৰি চুই নমস্কাৰ জনালে আৰু তেখেতক নিজৰ চকীখনৰ ওচৰতে আন এখন চকীত বহুৱাই লৈ ভাল-বেয়াৰ কথা আদান-প্ৰদান কৰাত লাগিল। আমি তিনিওজনে গোটেই দৃশ্যটো দেখি হতভম্ব হৈ পৰিলো। এনেদৰে ২-৩ মিনিটমান যোৱাৰ অন্তত যোৰহাটৰ ২০০বছৰীয়া উদ্‌যাপনত তেখেতৰ পৰা সম্পূৰ্ণ সহযোগৰ প্ৰতিশ্ৰুতি লৈ কোঠাৰ পৰা বাহিৰ ওলাই আহিলো। বাহিৰত সুধি-পুচি জানিব পাৰিলো যে, সেই বৃদ্ধ মানুহজন আছিল শইকীয়াক,প্ৰাইমেৰী স্কুলত পঢ়োৱা এজন শিক্ষক। তেতিয়া ৰাতি ১২ বাজিছিল। আমি ততাতয়াকৈ গাড়ীত উঠি ঘৰ অভিমুখে যাত্ৰা কৰিলো। শইকীয়াৰ এনে আদৰ্শনীয় শিষ্টাচাৰ, বয়সস্থ জনৰ প্ৰতি দেখুৱা শ্ৰদ্ধা, শিক্ষকৰ প্ৰতি যচা সন্মান, জাতি, ধৰ্ম, শিক্ষিত, অ-শিক্ষিত, দুখীয়া-চহকী আদি সকলোৰে প্ৰতি থকা সমভাৱ আৰু শত্ৰু-মিত্ৰ সকলোকে হাঁহিমুখে আঁকোৱালি ল'ব পৰা স্বৰ্গীয় গুণবিলাকে আমাকো আপ্লুত কৰি পেলাইছিল। সৰ্বগুণ সম্পন্ন শইকীয়াৰ বৈশিষ্ট্যসমূহ আলোচনা-বিলোচনা কৰি থাকোতে আমি কেতিয়া আহি যোৰহাট পালোহি কবই নোৱাৰিলো। প্ৰকৃততে শইকীয়া আছিল সকলো স্বৰ্গীয় গুণৰ আধাৰ।

প্ৰয়াত শইকীয়া আছিল এজন ধীৰ-স্থিৰ, অল্পভাষী, ধৈৰ্য আৰু সাহসৰ প্ৰতিভূ স্বৰূপ। দুজনকৈ ভতিজা-কেশৱ শইকীয়া আৰু প্ৰদীপ শইকীয়া এজন মৰমৰ ভ্ৰাতৃ - ৰোহিতেশ্বৰ শইকীয়াক আততায়ীয়ে নিৰ্মমভাৱে হত্যা কৰাৰ পাছতো তেখেতে অলপো ধৈৰ্য হেৰুৱা নাছিল। বৰং জনসাধাৰণৰ অন্তৰত নিৰ্ভয় জন্মাৱৰ বাবে ৰাজ্যখনত ঐক্য, সংহতি ৰক্ষা কৰিবৰ অৰ্থে আৰু আৰ্থিক দিশত টনকীয়াল কৰিবৰ কাৰণে দুগুণ উৎসাহেৰে কামত ব্ৰতীহে হৈছিল। দুবাৰকৈ আততায়ীয়ে তেখেতৰ প্ৰাণ নাশৰ চেষ্টা চলায়ো ব্যৰ্থ হৈছিল আৰু তাৰ দ্বাৰা প্ৰমাণ কৰি দিছিল যে, যেতিয়া সৎ উদ্দেশ্য আগত ৰাখি নিঃস্বাৰ্থভাৱে সমাজ বা দেশ সেৱা কৰিবলৈ আগবাঢ়ি যায় তেতিয়া কোনো অশুভ শক্তিয়ে বাধা দিব নোৱাৰে। অৰ্জুনক যেনেকৈ শ্ৰীকৃষ্ণই সকলো আপদ-বিপদৰ পৰা ৰক্ষা কৰি ধৰ্ম প্ৰতিষ্ঠা কৰিবলৈ আগবঢ়াই দিছিল ঠিক তেনেকৈয়ে শইকীয়াদেৱকো সকলো বিপদৰ পৰা ৰক্ষা কৰি সমস্যা জৰ্জৰিত ৰাজ্যখনত শান্তি আৰু শৃংখলা প্ৰৱৰ্তাৱৰ বাবে ৰক্ষা কৰি গৈছিল। দুই-তিনিবাৰ পথ দুৰ্ঘটনাত পতিত হৈয়ো নিৰ্বিঘ্নে ৰক্ষা পৰি যোৱাটোৱে উক্ত কথাখিনিকেই দৃঢ়তাৰে প্ৰতিপন্ন কৰে। শইকীয়াদেৱ আছিল এজন সৰ্বভাৰতীয় ভিত্তিত প্ৰকৃত ভাৰতীয় আৰু প্ৰাদেশিক ভিত্তিত আছিল এজন হাড়ে-হিমজুৱে নিখুঁট অসমীয়া। তেখেতৰ অন্তৰত কেনেদৰে অসমৰ সমস্যাবিলাকে সদায় খুন্দিয়াই আছিল আৰু সুবিধা পালেই কিদৰে তাক প্ৰকাশ কৰিছিল তাৰ এটা সাধাৰণ উদাহৰণ ডাঙি ধৰিব খুজিছো। ১৯৮৫ চনৰ এপ্ৰিল মাহৰ কোনো এটা তাৰিখত যোৰহাট নগৰৰ গাতে লাগি থকা গাওঁ এখনত এটা পানী যোগান আঁচনি উদ্বোধন কৰিবলৈ শইকীয়াদেৱ আহিছিল। তেখেত অহা গম পাই যোৰহাট আঞ্চলিক গৱেষণাগাৰৰ প্ৰাক্তন সঞ্চালক প্ৰয়াত ডঃ যোগেন বৰুৱা, কয়লা গৱেষণাগাৰৰ ভাৰপ্ৰাপ্ত বিষয়া শ্ৰীবিদ্যাভূষণ বৰুৱা আৰু মই সেই গৱেষ গাগাৰৰে জ্যেষ্ঠ বিজ্ঞানী হিচাপে সভাস্থলীতে তেখেতক লগ ধৰিবলৈ সিদ্ধান্ত কৰিলো। উদ্দেশ্য হ'ল ১৯৫৩ চনতে অস্থায়ী ঘৰ এটাতে আৰম্ভ কৰা কয়লা গৱেষণাগাৰৰ বাবে স্থায়ী ঘৰ-দুৱাৰ নিৰ্মাণৰ বাবে এডোখৰ চৰকাৰী মাটিৰ আৱণ্টন বিচৰা। উল্লেখযোগ্য যে, এই কয়লা গৱেষণাগাৰটো উত্তৰ-পূৰ্বাঞ্চলত চি এচ আই আৰৰ অন্তৰ্ভুক্ত একমাত্ৰ এনেধৰণৰ অনুষ্ঠান। সেই সময়ত যদিও অবৈধ চৰকাৰ বুলি জনসাধাৰণক মন্ত্ৰী, বিধায়ক সকল উপস্থিত থকা সভা-সমিতিবিলাক বৰ্জন কৰিবৰ বাবে এটা পক্ষই প্ৰচাৰ কৰি ফুৰিছিল তথাপিও সেইদিনা কিন্তু মণ্ডপ ঘৰটো মানুহে ঠাহ খাই আছিল। শইকীয়াদেৱে বক্তৃতা প্ৰসঙ্গত উল্লেখ কৰা শুনিলো - "অসম আন্দোলনে প্ৰকৃত পক্ষে আমাক কোনো সুফল আনি দিব পৰা নাই। বিদেশী সমস্যাটো এতিয়াৰ সমস্যা নহয়। এই সমস্যা বহুদিনৰ পুৰণি। ছাত্ৰ সন্থা জন্ম হোৱাৰ বহুদিনৰ আগৰ পৰাই বিদেশী বহিস্কাৰ কৰিবৰ বাবে গভৰ্ণমেণ্টে আশাশুধীয়া প্ৰচেষ্টা চলাই আহিছে আৰু ভৱিষ্যতেও চলাই যাব। ১৯৬১ চনৰ পৰা ১৯৭৮ চনলৈকে এই সোতৰ বছৰত ৩লাখ বিদেশীক ধৰা পেলাই বহিস্কাৰ কৰা হ'ল। কিন্তু আন্দোলনৰ কালছোৱাত এজনো বিদেশী আঁতৰাব পৰা নগ'ল কাৰণ, শাসন যন্ত্ৰটোৰ সকলো শক্তি শান্তি-শৃংখলা ৰক্ষণাবেক্ষণতেই ব্যস্ত হ'ব লগা হ'ল। এই আন্দোলনটোৱে বিভিন্ন উন্নয়নমূলক কামত বাধা দিয়াৰ উপৰিও চাৰিত্ৰিক দিশত যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰীসকলক বেয়াকৈ প্ৰদূষিত কৰিছে। বয়সস্থৰ প্ৰতি সন্মান, সমাজৰ মাজত শৃংখলা, কৰ্মৰ প্ৰতি আগ্ৰহ এইবিলাক ক্ৰমান্বয়ে কমি গৈছে। স্মৰ্তব্য যে,

OKDISCD

এইবিলাকৰ অবিহনে এখন সুস্থ সমাজ তথা উন্নত ৰাজ্য গঠন কৰা সম্ভৱ নহয়।" তেখেতে আৰু কৈছিল, "এই আন্দোলনত পঢ়া-শুনা এৰি কোন কোনবিলাক পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰিছে? ধনী আৰু সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে অসমৰ বাহিৰত পঢ়া-শুনা কৰিবলৈ সুবিধা কৰি লৈছে। দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ প্ৰজন্মটোক আন্দোলনত লগাই কিমান অন্যায় কৰা হৈছে তাক সকলোৱে উপলব্ধি কৰা উচিত। একেদৰেই ভাষা মাধ্যম আন্দোলনৰ আগশাৰীৰ নেতাৰ ল'ৰা-ছোৱালীয়ে অসমীয়া ভাষা নাজানে বুলি কৈ গৌৰৱ কৰা লোকৰ সংখ্যা যথেষ্ট ওলাব।" বক্তৃতাটোৱে আমাৰ অন্তৰতো বাৰুকৈয়ে ৰেখাপাত নকৰাকৈ থকা নাছিল। বক্তৃতা শেষ কৰিয়েই আমাৰ তিনিওকে মঞ্চলৈকে মাতি নি আমাৰ উদ্দেশ্যৰ বিষয়ে জানিবলৈ বিচৰাত আমি ক'লো যে, কয়লা গৱেষণাগাৰটোৰ বাবে এড়োখৰ মাটি লাগে নহ'লে চি এচ আই আৰয়ে অৰুণাচল বা মেঘালয়লৈ এই অনুষ্ঠানটি তুলি নিব বুলি জানিবলৈ দিছে। আমাৰ কথাটো শুনি তেখেতে জাঙুৰ খাই উঠি ক'লে - "মাটিৰ অভাৱত এনে এটা গুৰুত্বপূৰ্ণ অনুষ্ঠান আন ৰাজ্যলৈ স্থানান্তৰ কৰিবলৈ কেতিয়াও দিয়া নহ'ব। আপোনালোকে মাটি দেখুৱাই দিয়ক মই একেদিনাই মাটিৰ আৱণ্টন দিয়াৰ ব্যৱস্থা কৰিম।" আমি চাহ গৱেষণাগাৰটোৰ ওচৰতে চিনামৰাত এড়োখৰ মাটিৰ কথা আঙুলিয়াই দিলো। যেনে কথা তেনে কাম। গুৱাহাটী পায়েই তেখেতে অনুষ্ঠানটোৰ কাৰণে আৱশ্যকীয় মাটিখিনি আৱণ্টন দিবৰ বাবে সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিলে আৰু তাৰ ফলস্বৰূপে গৱেষণাগাৰটোৰ নামত পাঁচ একৰ মাটি আৱণ্টন হ'ল। অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ অনীহা আৰু অৱহেলাৰ বাবে আজিও সেই মাটিত কোনো ঘৰ-দুৱাৰ নিৰ্মাণ হৈ উঠা নাই। অসমৰ স্বাৰ্থত সামান্য ব্যাঘাত জন্মিলেই তেখেত যে অতি আবেগিক হৈ পৰে এই কথাটো সেইদিনাহে মই ভালকৈ বুজিব পাৰিলো। তেখেত জীয়াই থকা হ'লে যোৰহাটৰ বিজ্ঞান কলেজ আৰু ইঞ্জিনিয়াৰিং কলেজ এই অনুষ্ঠান দুটিৰ যথেষ্ট উন্নতি হ'লহেঁতেন তাক আমি দৃঢ়তাৰে ক'ব পাৰো। প্ৰকৃতাৰ্থত তেখেতে এই বিষয়ে কিছু কাম হাতত লৈছিলেই। যিবিলাক মানুহে জীৱিত কালত সদায় শইকীয়াদেৱৰ দোষকেই দেখি আছিল এতিয়া তেখেতসকলেই মৰ্মে মৰ্মে উপলব্ধি কৰিছে আৰু প্ৰকাশ্যে ব্যক্ত কৰে যে, শইকীয়াই প্ৰকৃততে ৰাজ্যখনৰ আৰু দুখীয়া শ্ৰেণীৰ বাবে যথেষ্ট খাটিলে আৰু বহুখিনি কৰি থৈ গ'ল। তেখেতৰ মৌলিক চিন্তাধাৰা আৰু সমস্যা সমাধান কৰাত প্ৰয়োগ কৰা পদ্ধতি আজিৰ চৰকাৰেও তাকেই অনুকৰণ কৰিছে।

বহুত বুদ্ধিজীৱী আৰু সংকীৰ্ণমনা ৰাজনীতিবিদে শইকীয়াক ধৰ্ম, সম্প্ৰদায় আৰু গোষ্ঠীৰ ভিত্তিত ভাগ ভাগ কৰি অসমীয়া জাতিটোক দুৰ্বল কৰিলে বুলি মিছাতে অপবাদ কৰা আমাৰ কাণত কৰিছে। প্ৰকৃততে তেখেতৰ কৰ্মৰাজিয়ে সেই কথা প্ৰতিপন্ন নকৰে। তেখেতে ভালকৈ বুজিব পাৰিছিল যে, বৃহৎ অসমীয়া জাতিটো বিভিন্ন ধৰ্ম আৰু নানা জনগোষ্ঠীৰ সমষ্টি মাথোন। যিবিলাক গোষ্ঠীগত উপাদানেৰে মূল অসমীয়া জাতিটোৰ ভাষা-সংস্কৃতি আৰু পৰম্পৰাসমূহ নিৰ্মিত হ'ল সেই উপাদানসমূহ সবল হ'বলৈ দিলে মূল সুঁতিটোৱেই সমৃদ্ধিশালী হব আৰু জাতিটোও একগোট হৈ বৰ্তি থাকিব। যদি কৃত্ৰিম পদ্ধতিৰে বাহিৰৰ পৰা হেঁচা দি এই খিলঞ্জীয়া গোষ্ঠীসমূহক উধাবলৈ দিয়া নাযায় তেন্তে আগ্নেয়গিৰিৰ দৰে এদিন বিস্ফোৰণ ঘটি গোটেই জাতিটোকেই ঠান-বান কৰি পেলাব। সেয়েহে তেখেতে বড়ো, কাৰ্বি, মিচিং আদি জনজাতিসমূহক স্বায়ত্ত শাসন দিয়াৰ পৃষ্ঠ-পোষকতা কৰিছিল আৰু আহোম, কোঁচ, চুতীয়া আদি সম্প্ৰদায়সমূহক জনজাতিৰ তালিকাভুক্ত কৰাত অনুমোদন জনাইছিল। ইয়াৰ দ্বাৰা এইটো নুবুজায় যে, অসমখন ভাগ ভাগ কৰি নিঃশ্চিহ্ন কৰাৰ চেষ্টা কৰা হৈছে। সঁচা কথাত ক'বলৈ গ'লে ইতিমধ্যে এই গোষ্ঠীসমূহক যথেষ্ট অন্যায় কৰা হ'ল আৰু তাক এতিয়া শেহতীয়াকৈ সকলোৱে উপলব্ধি কৰিছে।

স্বৰ্গীয় শইকীয়াদেৱক মই বহুবাৰ তেনেই ওচৰৰ পৰা লগ পোৱাৰ সৌভাগ্য ঘটিছিল। এই সৌভাগ্য ঘটাৰ এটা কাৰণ হ'ল তেখেতৰ ডাঙৰ বিয়েয়েক আৰু ভনীজোঁৱাই দুয়োৰে ঘৰ মোৰ ঘৰৰ ওচৰতে। তেখেতসকলেই এই অতিব্যস্ত মানুহগৰাকীক লগ ধৰিবলৈ সুবিধা কৰি দিছিল। কেৱল দুটিমান ফল-মূল, অলপমান গাখীৰ আৰু সামান্য পৰিমানৰ গোটা আহাৰ খাই পুৱা ৫ বজাৰ পৰা ৰাতি ১-২ বজালৈকে কেনেকৈ অকণো জিৰণি নোলোৱাকৈ কাম কৰিছিল আৰু ক'ৰ পৰা শক্তি পাইছিল সি আজিও সাঁথৰ হৈ ৰ'ল। শইকীয়াদেৱ যদিও বৰ্তমান ইহ সংসাৰত নাই কিন্তু তেখেতৰ কৰ্মৰাজি অসম নালাগে গোটেই ভাৰততে সজীৱ হৈ আছে। এনে এজন সৰ্বগুণাকৰ পুৰুষৰ সকলো দিশ সামৰি এটা চুটি প্ৰবন্ধৰ দ্বাৰা প্ৰকাশ কৰা সম্ভৱ নহয়। এই প্ৰবন্ধত কেৱল দুই-এটি কথা উনুকিয়াই সেই মহান ব্যক্তিজনাৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জনাই প্ৰবন্ধৰ সামৰণি মাৰিলো।

*পৰিচিতি ঃ লেখক শ্ৰীসন্দিকৈ এগৰাকী প্ৰৱন্ধকাৰ, কয়লা গৱেষণাগাৰৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত বিষয়া আৰু টাই-আহোম সংস্কৃতি সংৰক্ষণ আৰু শিক্ষা বিকাশ সমিতি, যোৰহাটৰ সাধাৰণ সম্পাদক।*



OKDISCD



গৃহমন্ত্ৰী শইকীয়াই স্বাধীনতা দিৱসৰ অভিবাদন গ্ৰহণ কৰিছে



মিজোৰামৰ ৰাজ্যপালৰূপে শপত গ্ৰহণ কৰিছে

# দুৰ্যোগ আৰু সংঘাতত দহি-পুৰি উজলি উঠা জীৱন সংগ্ৰামী হিতেশ্বৰ শইকীয়া

"যেন পথৰ কাষৰ 'চৰাইঘৰত'
এৰাতিৰ অধিকাৰ মোৰ
মাথো এৰাতিৰ

কাইলৈ ৰাতিটো পুৱালে
বেলিটো মূৰত লৈ
আহি থকা বাটেদিয়ে
পুনৰ গুচি যাম কৰ্তব্যৰ তাড়ণাত,
সময় ক'ত জিৰণিৰ
সময় ক'ত উভতি চোৱাৰ
কাৰোবাৰ মিঠা মাত শুনি?"

-- এইজন হিতেশ্বৰ শইকীয়াইও এতিয়া জিৰাবৰ বাবে পালে অনন্ত সময়। কৰ্তব্যৰ তাড়ণাই, চৰাইঘৰৰ অপেক্ষাই তেওঁক আৰু কাহানিও টানি ধৰি ৰাখিব নোৱাৰে। *'নিৰ্জন সময়ত ৰোগগ্ৰস্ত মানুহজনৰ মনোবেদনা দেখি হতাশাত যেতিয়া মই ভাগি পৰিব খোজো, তেতিয়া কিন্তু ৰোগগ্ৰস্ত মানুহজনেহে মোক সান্ত্বনা দিছিল ভাগি নপৰিবলৈ আৰু কৈছিল মানুহৰ বেমাৰ হয় আৰু বেমাৰৰ চিকিৎসাও আছে। ডায়েলেছিচ কৰা কোঠাত যেতিয়া তেওঁৰ ডায়েলেছিচ চলি থাকে তেতিয়া কেতিয়াবা মই বাহিৰত অকলশৰে থিয় দি সাগৰৰ ঢৌবোৰ চাই থাকো - দুৰ্দিনে অসমত কোনোদিনেই মোৰ লগ নেৰে'*বুলি অভিমান কৰিবলৈ হেমপ্ৰভা শইকীয়াৰো আৰু হেতু নোহোৱা হ'ল। *'তেতিয়া হাস্পতালৰ চৌহদত কপালত ডাঙৰ সেন্দূৰৰ ফোটটোৰে সৈতে ঝাড়ু দি থকা জমাদাৰণীজনীকেই পৰম ভাগ্যৱতী যেন লাগে'*বুলি সেই সময়ত ভবা হেমপ্ৰভা শইকীয়াই আজি ৰঙা ফোটটোকেই হেৰুৱাই পেলালে। সেইজন হিতেশ্বৰ শইকীয়াৰ কিন্তু কোনো অনুশোচনা নাই -- *'মোৰ ভাগ্যত মই সন্তুষ্ট। পৰিস্থিতিৰ সৈতে খাপ খাই পৰিবলৈ মই শিকিছো। মোৰ জীৱনৰ ঘাই কথা হ'ল যিখিনি পালো তাতেই সন্তুষ্ট থকা।'*জীৱনক এনেদৰে চাবলৈ শিকা হিতেশ্বৰ শইকীয়া মানুহজনৰ জীৱন বৃত্তান্তলৈ থোৰতে এবাৰ উভতি চাওচোন -

## বগাবাঘৰ পৰা দিছপুৰলৈ

উজনিৰ শিৱসাগৰ জিলাৰ ভিতৰুৱা অঞ্চলৰ বগাবাঘ চাহ বাগিচা। সেই বাগিচাৰেই এটা দুখীয়া খেতিয়ক পৰিয়ালত ১৯৩৪ চনৰ ৩ অক্টোবৰত হিতেশ্বৰ শইকীয়াই জন্মগ্ৰহণ কৰিছিল। পিতৃ হলধৰ শইকীয়া আছিল বাগিচাৰ কেৰেণী। মাক খগেশ্বৰী সাধাৰণ মহিলা, নিৰক্ষৰা। কিন্তু সেই নিৰক্ষৰা তেনেই সাধাৰণ মহিলাগৰাকীয়েই হিতেশ্বৰ আৰু বাকীকেইটা ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ প্ৰতি চোকা নজৰ ৰাখিছিল। কেৱল পঢ়া-শুনাই নহয়, ফুৰা-চকা, লগ-বন্ধু আদিৰ বেলিকাও মাক খগেশ্বৰীয়ে ল'ৰা-ছোৱালীহঁতক কঠোৰ শাসনত ৰাখিছিল। হিতেশ্বৰ শইকীয়াৰ নাম কিন্তু হিতেশ্বৰ নাছিল। ঘৰত আৰু ওচৰ-চুবুৰীয়াইও তেওঁক মৰমতে হেম বুলিয়েই মাতিছিল। কিন্তু সোঁৱৰণী কৰা দেউৰে লিখা নামটো হিতেশ্বৰ বুলিহে ৰাখিলে। সেই নামেৰেই তেওঁ মৃত্যু পৰ্যন্ত বিখ্যাত হৈ ৰ'ল। কিন্তু 'হেম' নামটোৱে তেওঁৰ লগ নেৰিলে। পত্নীৰূপে পালে সেই একে নামৰ হেমপ্ৰভাক। পৰিয়ালত হিতেশ্বৰ শইকীয়া আছিল তৃতীয় পুত্ৰ। তেওঁৰ ককায়েক দুজন আৰু ভায়েক দুজন, ভনীয়েক এজনী। বগাবাঘ অঞ্চল তেনেই ভিতৰুৱা অঞ্চল। ৰেল ষ্টেচন এটাও নাছিল। দিনতে বাঘ ঘূৰি ফুৰিছিল। গৰুৰ গাড়ীয়েই আছিল যাতায়াতৰ একমাত্ৰ সম্বল। পিছত শইকীয়াৰ পৰিয়াল নাজিৰা চহৰত থাকিবলৈ লয়। নাজিৰাতেই



OIPSCD

হিতেশ্বৰ শইকীয়াই স্কুলীয়া জীৱন অতিবাহিত কৰে। পিতৃ হলধৰ শইকীয়া আছিল এজন সমাজকৰ্মী। বিশেষকৈ শিক্ষানুষ্ঠান আদি গঢ়ি তোলাত তেওঁ বৰ আগ্ৰহী আছিল। নাজিৰাত হাইস্কুল স্থাপনত তেওঁ আগভাগ লৈছিল। পিতৃৰ সেই সমাজ আৰু শিক্ষানুৰাগে হিতেশ্বৰ শইকীয়াকো প্ৰভাৱান্বিত কৰিছিল। বগাবাঘ চাহ বাগিচাত কোনো পঢ়াশালি নাছিল। সেয়ে মাকে হিতেশ্বৰক ঘৰতে শিক্ষক ধৰি পঢুৱাইছিল। এঘাৰ বছৰ বয়সত তেওঁ যেতিয়া নাজিৰা হাইস্কুলত তৃতীয় শ্ৰেণীত নামভৰ্তি কৰাইছিল সেয়াই আছিল হিতেশ্বৰ শইকীয়াৰ স্কুলীয়া জীৱনৰ আৰম্ভণি। নাজিৰা বগাবাঘ বাগিচাৰ পৰা ৫০ কিলোমিটাৰ দূৰৈত। সেয়ে হিতেশ্বৰৰ পঢ়াৰ সুবিধাৰ বাবে দেউতাক হলধৰ শইকীয়াই নাজিৰাত এটা খেৰি ঘৰ সাজিলে পুত্ৰৰ বাবে। তাতে হিতেশ্বৰ শইকীয়াই দুই ককায়েক ধৰ্মেশ্বৰ আৰু লীলাকান্তৰ সৈতে থাকি পঢ়িবলৈ লয়। ঘৰটোত কোঠা আছিল তিনিটা। এটা কোঠাত তিনি ভায়েক থাকে, এটা কোঠাত এজন স্কুল শিক্ষক থাকে আৰু বাকী কোঠাটোত ৰন্ধা-বঢ়া কৰে। এটা সময়ত বগাবাঘ বাগিচা বিক্ৰী হ'ল। হলধৰ শইকীয়াক নাজিৰাৰ ওচৰৰ দেওপানীলৈ বদলি কৰা হ'ল। তেতিয়া সমস্ত পৰিয়ালটো নাজিৰাৰ সেই তিনি কোঠালীৰ খেৰি ঘৰটোলৈ উঠি আহিল। পিছত সেই খেৰি ঘৰটো বিক্ৰী কৰি শইকীয়াৰ পৰিয়ালে বাঁহৰ অসম আৰ্হিৰ ঘৰ এটা সাজিলে।

স্কুলীয়া দিনত হিতেশ্বৰ শইকীয়া লাজকুৰীয়া আছিল। অৱশ্যে পঢ়াত তেওঁ বেয়া নাছিল। অন্যান্য বাহিৰা কামতো তেওঁ ভাগ লৈছিল। তেওঁ ফুটবল খেলি ভাল পাইছিল আৰু গলৰক্ষক হিচাপে খেলিছিল। অষ্টম মানত থাকোতেই হিতেশ্বৰে স্কুলত প্ৰথম ছাত্ৰ ইউনিয়ন গঠনত আগভাগ ল'লে। ১৯৫১ চনত নৱম শ্ৰেণীত থাকোতে তেওঁ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক নিৰ্বাচিত হয়। সেয়াই আছিল তেওঁৰ নেতৃত্ব আৰু সাংগঠনিক জীৱনৰ আৰম্ভণি। সৰুৰে পৰাই তেওঁ দৃঢ়মনা আছিল - যিহত লাগে তাতেই লাগি ধৰিছিল। নৱম মানত তেওঁ হাতেলিখা আলোচনী উলিয়াইছিল। সেই আলোচনীতে তেওঁ নাটো চুক্তিৰ সমালোচনাও অন্তৰ্ভুক্ত কৰি তেওঁৰ ৰাজনৈতিক জ্ঞানৰ পাতনি মেলিছিল। সেই সময়তে তেওঁ ৰাজহুৱা সভা-সমিতি পাতি ৰাজনৈতিক প্ৰশ্নও আলোচনা কৰিছিল। ছাত্ৰাৱস্থাত থিয়েটাৰ, নাটক আদিতো হিতেশ্বৰ আগৰণুৱা আছিল। তেওঁ নৱম শ্ৰেণীৰ পৰীক্ষা দি উঠিয়েই এটা নাট সংস্থা গঠন কৰিছিল। ১৯৫৩ চনত এই সংস্থাটো নাজিৰা মহাবিদ্যালয় ছাত্ৰ থিয়েটাৰ সংস্থা আৰু ১৯৬৪ চনত নাজিৰা জ্যোতি সমাজ নামেৰে পৰিচিত হয়। নাটকত ভাও লোৱাতকৈ নাট সংগঠনতহে তেওঁ অধিক আগৰণুৱা আছিল। হিতেশ্বৰ শইকীয়াৰ নামটো নাজিৰাৰ অতীতৰ সৈতে সাঙোৰ খাই আছে। ডেকা হিতেশ্বৰ নাজিৰাৰ স্থানীয় জননেতা প্ৰয়াত বৈদ্যনাথ বৰপূজাৰীৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। তেওঁৰ প্ৰভাৱতেই ডেকা হিতেশ্বৰ সমাজবাদী ধ্যান-ধাৰণাৰ প্ৰতি আকৃষ্ট হৈছিল আৰু তেতিয়া তেওঁ আনকি মাৰ্ক্স, এংগেলছ আৰু লেনিনৰ ৰচনাৰাজিও অধ্যয়ন কৰিছিল। ১৯৫৩ চনত হিতেশ্বৰ নাজিৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক আৰু ১৯৫৫ চনত কটন কলেজৰ পৰা আই-এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৭ চনত তেওঁ শ্বিলঙৰ চেণ্ট এডমাণ্ডছ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। শ্বিলঙত থকা সময়ছোৱাত তেওঁ শ্বিলং ছাত্ৰ সংস্থা গঠনত আগভাগ লৈছিল। শৈশৱৰে পৰা হিতেশ্বৰ শইকীয়া খুব স্পৰ্শকাতৰ আৰু দৃঢ়মনা আছিল।

১৯৫৭ চনত তেল শোধনাগাৰ আন্দোলনে অসমত উত্তাল কৰি তুলিছিল। ৰাজ্যখনত উৎপাদিত অশোধিত তেল শোধনৰ বাবে এটা শোধনাগাৰ স্থাপন কৰাৰ দাবীত হোৱা শোধনাগাৰ আন্দোলনত শিৱসাগৰ তেল শোধনাগাৰ সংগ্ৰাম পৰিষদৰ যুটীয়া সম্পাদকৰ দায়িত্ব পালন কৰিছিল হিতেশ্বৰ শইকীয়াই।

১৯৫৮ চনত হিতেশ্বৰ শইকীয়াই বুৰঞ্জী বিভাগত লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাত নামভৰ্তি কৰিছিল। ১৯৬০ চনত তেওঁ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতেই তেওঁ গড়গাওঁ মহাবিদ্যালয়ত উপাধ্যক্ষ হিচাপে যোগদান কৰে। তদুপৰি অঞ্চলটোৰ বিভিন্ন স্কুল-কলেজ স্থাপনতো হিতেশ্বৰ শইকীয়াই আগভাগ লৈছিল। গড়গাওঁ মহাবিদ্যালয়ৰ উপৰিও বৰতোলা উচ্চ মাধ্যমিক বিদ্যালয়, শিমলুগুৰি ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় আৰু দলবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয় আদি শিক্ষানুষ্ঠানৰ পথ-প্ৰদৰ্শক আছিল তেঁৱেই।

১৯৬৪ চনৰ ৭ মাৰ্চত হিতেশ্বৰ শইকীয়াই হেমপ্ৰভা শইকীয়াৰ সৈতে বিবাহপাশত আবদ্ধ হয়। ১৯৭২ চনত তেওঁ শিক্ষকতা ত্যাগ কৰি সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰে। হিতেশ্বৰ শইকীয়াক হত্যা কৰাৰ বাবে দুবাৰো চেষ্টা চলোৱা হৈছিল যদিও দুয়োবাৰেই তেওঁৰ প্ৰাণ ৰক্ষা পৰে। ১৯৮০ চনৰ ১৯ এপ্ৰিলত এবাৰ নাজিৰাত আৰু আনবাৰ ১৯৮৩ চনৰ ১৯ নৱেম্বৰত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত। প্ৰথমবাৰ তেওঁ ভ্ৰমণ কৰা গাড়ীখন বোমা বিস্ফোৰণেৰে উৰুৱাই দি আৰু দ্বিতীয়বাৰ ৰবীন্দ্ৰ ভৱনৰ এটা অনুষ্ঠানত ইঞ্জিনীয়াৰিং পঢ়ি থকা ত্ৰিদীপ নামৰ ছাত্ৰ এজনে ৰিভলভাৰেৰে গুলীয়াই হিতেশ্বৰ শইকীয়াক হত্যাৰ বিফল চেষ্টা চলাইছিল।

*(দৈনিক অসম, ২৩/৪/৯৬)*



“যেন পথৰ কাষৰ ‘চৰাইঘৰ’ত
এৰাতিৰ অধিকাৰ মোৰ
মাথো এৰাতিৰ ......

শেষ যাত্ৰাত ৰাজপথলৈ ওলাই আহিল অগণন শোকাকুল জনতাঃ অশ্ৰুভৰা বিদায়

OKDISCD



শেষ শয়নত

OKDISCD

# Hiteswar Saikia-

## Politician- Administrator.

*Topon Lal Baruah*

M.J. Akbar, one of India's foremost journalist in his magnificent biography " Nehru, The making of India " paused a sensitive question - " One of the great ifs is, what would have happened if man like Aurobindo Ghosh, Mahammad Ali, Jawarharlal and Subhash Bose had become district collectors, and magistrates, defending British Rules rather than fighting it ? They all wanted to join the ICS at some point or other". History of India would have taken a different turn. Assam's history would also have been different if Hiteswar Saikia decided to join administrative service and not politics. He had all the qualities of a good administrator. He was one of the very few politicians who commanded respect from the bureaucrats as an outstanding administrator. His unfailing courtesy and amiable manners made all who meet him with their grievances feel at home. He was a workaholic .No bureaucrat could keep pace with this frail looking human dynamo. It remains a mystery as to how long he slept at night because he would be meeting visitors even at 2 AM in the morning. He was also an early riser and telephone calls would start even before 5 AM in the morning. His follow-up of things was an example even for a seasoned administrator. He would constantly monitor every important action, its implementation at different levels and see to its successful completion. He knew most of the officials- high or low by their names, gave them a bewitching smile and enquire about their well-beings. They always return with the conviction that he cared for them. His personal archives maintained meticulously by him would be a treasure for future historians. He used to produce with the flick of his hand and a bemused smile old paper cutting to be used against his political opponents or assembly debate with devastating effect. Telephone was his most ideal companion and constantly used it to update his knowledge about the affairs of the state. While talking to officers over phone, he was always very courteous. To me, Hiteswar Saikia was a bureaucrat in the guise of a politician. He was a rare combination of a politician and a professional.

Like all politicians of the day, he had firm faith in astrology. Elected as

the Chief Minister after the general election in 1991, he awaited for the auspicious moment to arrive to take the oath of the office and secrecy. But due to quirk of destiny, the auspicious moment proved inauspicious, because ULFA struck a deadly blow to the new government by abducting fourteen official from different parts of Assam in a swift and planned operation leaving the state police in daze. Faced by the challenge, Chief Minister Hiteswar Saikia remained unperturbed. He planned his future course of action very calmly. He was in his best of elements. A lesser mortal would have buckled under tension and pressure. Not Hiteswar Saikia. He immediately got down to business and started deliberation with political parties, Lawyers organization, women organistation , leading citizens and members of the press and from his interaction came to the conclusion that immediate release of the abducted persons at any cost should be the top priority of the government. Therefore as demanded by ULFA, he took the decision to release about 400 ULFA detainees from prison in exchange of the hostages. Though this action was later criticised by many quarters, that was the concensus of the public representatives and no alternative was available. By this gesture, he opened a channel of communication with ULFA leaders and manage to take a delegation of top ULFA leaders to Delhi for top secret meeting with the Prime Minister P.V.Narasima Rao. The meeting took place on Jan 12,1992 just eight months after the assumption of office by the Congress government at Dispur under the leadership of Hiteswar Saikia. ULFA leaders Pradeep Gogoi, Anup Chetia, Sidhartha Phukan and Kalpajyoti Neog who had a meeting with the Prime Minister assured him that ULFA would surrender arms within 23.3.92 and initiate talk with the Govt. of India. The meeting of 12th January 1992 was the only meeting so far by the top ULFA leaders with the highest functionary of the government of India and Saikia deserved full credit for this which soon led to the split in ULFA. The Chairman and the C-in -C of ULFA backed out of the assurances given by their representatives to the Prime Minister, but a section of ULFA led by Sidhartha Phukan, Kalpajyoti Neog, Munin Nobish revolted and surrendered before the Chief Minister on 31st March, 1992. Thus the brilliant strategist Hiteswar Saikia brought a vertical division in ULFA crippling the organization from which it never recovered.

Though Saikia was a victim of ULFA's wrath- five of his family members were brutally killed, he was not revengeful. He had a soft corner for these boys gone astray due to circumstances. To bring them to the mainstream, a special package for rehabilitation of surrendered ULFA was announced. These include jobs in govt. deptts., self employment scheme, Co-operative ventures etc. His 100% percent margin money scheme whereby government provided Rs 50,000/- as grant for offering seed

money to banks and banks provided Rs 1.50 lakhs as loans against government guarantee benefited more than 3000 ULFA surrenderees. This scheme was accepted as a model by other states such as Tripura, Punjab, J & K, but bitterly criticised at home. Even his cabinet colleagues were privately hostile to the scheme but did not had the courage to oppose it in the cabinet meetings. The oft-repeated criticism was that victim of ULFA's brutality got Rs 1.00 lakhs while those who were responsible for the dastardly crime were given Rs 2.00 lakhs. Those who had criticised the Rehabilitation Scheme did not suggest any alternative scheme. May be, while implementing the scheme proper verification was not carried out and as a result some pseudo-ULFA also took advantage of the scheme. Even if 10% of the boys succeeded in their projects, credit should be given, because in these days of economic recession many industrial giants with hundreds of crores of bank loans became sick throwing the entire economy out of gears. Against only 65 crores of loans of banks to surrendered ULFA, more than 300 crores of banks & financial institutes were locked up in the Prag-Bosimi Synthetics Ltd. a project promoted by a Mumbai based Industrialist.

The Bodo-Accord signed on 20th Feb, 1993 was an important achievement of Chief Minister, Hiteswar Saikia. Ten rounds of triparte discussion did not yield any satisfactory solution. The Bhupinder Sing Committee was also constituted by the Chandra Sekhar government at the intervention of the AICC president Rajib Gandhi at the initiative of Hiteswar Saikia during the President's Rule in Assam. S.K.Bwissmuthiary, the then ABSU president, though a bitter critic of Hiteswar Saikia, sought his help at Delhi. Saikia took them to Rajib Gandhi. Prafulla Kr. Mahanta, the then Chief Minister of Assam agreed to the constitution of the Expert committee when the proposal was mooted by Union Minister Ram Vilas Paswan, in one of the tripartite talk. He, however backed out when the Cabinet did not agree to the conclusion of the expert committee. Though the Expert Committee's report was rejected by the ABSU, the ABSU leaders kept the channel of communication with the Chief Minister open. Several rounds of discussion were held. Ultimately Rajesh Pilot, Minister of state for internal security took the discussion to the logical conclusion and the " The Bodo accord " was signed on 20th Feb, 1993. Though several of his cabinet colleagues were critical of some of the clauses of the Bodo Accord, Saikia by his persuasive skill won them and the cabinet approved the Accord in toto.

Saikia's patience and tact was on test during the determination of the boundary of the Bodoland Autonomous Council. Initially ABSU demanded 4653 villages to be included in the BAC area. Political parties were consulted. All except the BJP were in favour ofinclusion of villages having more than 50% Bodo people in the

BAC area. BJP was opposed to the very formation of the Bodoland Autonomous Council. An all party assembly Committee to determine the area of the BAC was skuttled by the AGP. The party refused to attend the meeting of the committee. Ultimately the government after field verification announced the formation of the Bodo Land Autonomous Council with about 2500 villages of which 1100 villages have more than 50% Bodo people & the rest were given on consideration of contiguity. In this exercise, Saikia faced strong opposition from partyman, INTUC leaders, minority leaders but he stood his ground and never vacillated even for a moment in giving the Bodos what they wanted. The Chief Minister even agreed to transfer the 10 K.M. northern belt to the BAC, subject to clearance by the government of India. Saikia did not live to see the final demarcation of the BAC Area. Had he been alive, Bodoland Autonomous Council would have been a vibrant organization completely devoted to the actual development of the BAC area.

Saikia's political sagacity was also evident in his dealings with the other ethnic minority groups. Mishing, Tiwas and Rabha-Hajong. These ethnic groups were agitating for autonomous bodies of their own. Saikia constituted three separate committees under the Revenue Minister Mukut Sarma, one each for Mishing, Tiwas and Rabha-Hajong to thrash out the problem and recommend solution. While Bodo's rejected the recommendation of the Bhupinder-Sing Committee report, these ethnic minority groups gave their acceptance of the report in writing. Saikia have the satisfaction of constituting three separate autonomous councils for the Mishing, Tiwas and the Rabha -Hajong so that these councils can plan the development of their own area according to their own perception.

I would refer to one more significant achievement of Saikia government. The State government had the information that some of the tea companies were buying peace with ULFA by making payment of substantial amounts. Some companies like Wilamson Magor, Goodrick group paid ransom money to secure the release of their kidnapped managers. But legal action was not contemplated because the state government were in no position to provide security to the tea garden located in far flung area. So when the India Tea Association under the chairmanship of H.P.Barua made a proposal for a separate tea security force at the expense of the tea company, the state government immediately accepted the idea. After several rounds of discussion with the ITA representatives and the Home dept., it was finally agreed to raise an exclusive force for the protection of the tea officials to be known as Assam Tea Plantation Protection Force with Home guard, ex-army and ex-police personnels under the command of the Director General of Home Guard and ITA agreed to foot the bill on



this account. Thus instead of witch-hunt against the tea industry to unearth ULFA-Tea industry nexus, the state government took concrete steps for confidence building among the tea-gardeners. The Assam Tea Plantation Protection Force is an unique concept of raising an armed force with sophisticated weapons to be used exclusively for the tea industries under the command of the D.G.P Home Guard for which the state government need not spend a single naya paisa from the exchequer.


Though crippled by diabetes and Kidney trouble Hiteswar Saikia kept frenetic pace till the end. Like Mountbatten he used to say " Anybody who has worked hard all these lives must never stop but go on working if they want to live. So I intend to go on working. I intend to die before I stop. " Even threat to his life did not distract him from his chosen task. He was given Z security status. But very often he would give the security personnel a slip. When confronted , he would give a child like innocent smile. Death could not penetrate the security ring, but snatched him from us from an unguarded flank. In his death, Hiteswar Saikia left an indelible mark as one of the best politician- administrators the country has ever produced.

---

*Shri T.L.Baruah I.A.S ( Retd ). held the important assignment of Commissioner & Secretary , Home, Political, Border etc. deptt. of the Government of Assam during the tenure of Hiteswar Saikia as Chief Minister of Assam and intimately involved in Rehabilitation of SULFA scheme, setting up of BAC , establishment of the Autonomous Councils, Creation of Assam Tea Plantation Protection Force etc. Later he was re-employed as State Election Commissioner.*

OKDISCD



১৯৮৩ চনৰ এঘাৰ নৱেম্বৰত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ উদ্যোগত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে নৰনাৰায়ণ সেতুৰ আধাৰশিলা স্থাপন কৰে। সেই সময়ৰ প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বাধীন সদৌ অসম ছাত্ৰ সন্থাই তথাকথিত অবৈধ আৰু জাতিদ্ৰোহী মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ বিৰুদ্ধে উক্ত দিনটোত বন্ধৰ আহ্বান দিয়ে। অবিচলিত মুখ্যমন্ত্ৰী শইকীয়াই সেই বন্ধলৈ কেৰেপ নকৰি অসমৰ ভৱিষ্যতৰ কথা ভাবি উক্ত কাৰ্যসূচী সফলভাৱে ৰূপায়ন কৰে।

১৯৯৮ চনৰ পোন্ধৰ এপ্ৰিলত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ উদ্যোগত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে সেই নৰনাৰায়ণ সেতু আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে।